# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 165 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Lakshinath Bezbowah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Calcutta (Kolkata) | Publisher: Editor |
| Year: 1930 (1852 Sak) | Edition: |
| Size: 23½ cms - 45+48+47+55+35 pages | Genre: |
| Volumes: ৪খ (3rd, 5th, 7th and 8th issue) | Condition of the original: Brittle |
| Remarks: [illegible] | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৫৪১০/আ:
১৫.৮.৬৯




১৯শ বছৰ ১৮৫২ শক
"নহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে"
৮ম সংখ্যা চ'ত

# ভালপোৱা

'পূবে অনিৰুদ্ধ অৰুণক দেখি
উষা যে পলায় পুৱা,
কিয় কৰে এনেকুৱা ?'
'ভালপোৱা, প্ৰিয়ে, ভালপোৱা !'

'ভোমোৰাটি পৰে পদুম পাহিত;
পদুমক দেখোঁ কোৱা—
'যোৰা, যোৰা, গুচি যোৰা !'
'ভালপোৱা, সিও ভালপোৱা ।'

'সুদূৰত পাও আকাশ-সাগৰ
মিলি একেলগ হোৱা;
কিয় দেখোঁ এনে, কোৱা ।
'ভালপোৱা, তাতো ভালপোৱা !'

'কিয় দেখা পাও বড়া চড়া পৰি
সূৰ্য্যদেৱ মাষ যোৱা,
তেও ঘূৰি ঘূৰি চোৱা ?'
'ভালপোৱা, সখি, ভালপোৱা !'

জোনটিৰ ফালে ভেঁটে কিয় দেখোঁ
চকু কেৰাহিকৈ চোৱা,
—গুৱণী শুচাই থোৱা ?'
'ভালপোৱা, আহা ! ভালপোৱা ।'

তৰাই তৰাই ৰাতি কিনো মেল
পাতে চকু পিৰিকোৱা,
—কিনো খাই মতলীয়া ?'
'ভালপোৱা, সিও ভালপোৱা !—

'ভালপোৱা, প্ৰিয়ে, সৰগৰ গঙা
মৰতত নামি বোৱা;
তাৰেই এটুপি পি মৰো তোমাৰ
মৰমৰ আকলুৱা ।'

শ্ৰীভিম্বেশ্বৰ নেওগ

---

## ঘৰুৱা গীত সংগ্ৰহ

[ কেচুৱা ওমলোৱা নাম ]

আইনাম, বিয়ানাম, বিহুনাম আদিৰ বাহিৰেও কেচুৱা ওমলোৱা বা নিচুকাওঁতে গোৱা কিছুমান নাম আছে। এই নামবোৰ লাহে লাহে লোপ পাই আহিবলৈ ধৰিছে। বয়স্থা মানুহৰ বাহিৰে আজিকালি মানুহে ইয়াৰ বিষয়ে বিশেষ নেজানে বুলি কলে বেছি কোৱা নহয়। গতিকে কালক্ৰমত যে অসমীয়া ভাষাৰ অতুলনীয় সম্পত্তি এই নামবোৰ নোহোৱা হব ইয়াত কোনো সন্দেহ নাই। ইয়াৰ আগেয়েই বা কত নাম পাহৰণিত হেৰাল তাৰেই বা কোনে খবৰ ৰাখিছে! সেইকাৰণে যেয়ে যতে সুবিধা পায়, সিয়েই এনে ঘৰুৱা গীত মাতবোৰৰ উদ্ধাৰৰ কাৰণে চেষ্টা কৰা নিতান্ত উচিত।

৫৪৭০/অ

যেতিয়া কোনো কেচুৱা শুই উঠি মাকক বিচাৰি কান্দে, যেতিয়া মাক আন কামত ব্যস্ত থাকে তেতিয়া বুঢ়ী আয়ে শোৱাৰপৰা কেচুৱা তুলি আনি জোকাৰি নচুৱাই নচুৱাই এইদৰে নাম গায়—

ধিনিকি ধিন্দোদাও,
ভেচেলীমৰালৈ যাওঁ;
ভেচেলী জীয়েকৰ বিয়াখন পাতিছে,
ভগা ঢোল বিচাৰি যাওঁ।

গীত ফাকিৰ যদিও অৰ্থৰ ফালে তথৈবচ, তথাপি শুনিবলৈ সুমধুৰৰ কাৰণে তাক এনেদৰে সজাইছে।

আৰু এফাকি ধেমেলীয়া গীত এই:—

বুঢ়ী আই এ,
নাহিলি সুখৰ কালত,
সাতজনী ধৰীয়া খীৰাই খাইছিলো,
গেৰেলা বাইছিলো হালত।

আমাৰ বুঢ়ী আই কমজনী নাছিল। ধৰীয়াৰ গাখীৰ খাই গেৰেলাৰে হাল বোৱাইহে সন্তুষ্ট আছিল।

চেংকলি নিৰুলি
কাঁহীবাতি শুধুলি
ঠেহ পাতি নেখালি ভাত;
সাতপুৰা সেন্দুৰৰ
জোতপোত মাৰিলি
গোন্ধ তেল ধঁহিলি গাত।

গীত ফাকি শুনিবলৈ মধুৰ হোৱাৰ বাহিৰেও ছন্দৰ বিশেষ স্থিৰতা আছে।

তাত তিতা এতিতা তিতাকলি
দাহেকৰালি কেনেকৰি?
কেচেৰু গছতে মাৰিলে খা,
সুলকি পৰিলে দা।

ইয়াত আখৰ মিলাবৰ কাৰণে 'ঘাপ' শব্দৰ ঠাইত ঘা ব্যৱহাৰ কৰি তলত 'দা'ৰে সৈতে মিলাইছে।

লাইমাক লাহৰী,
নেপাইছোঁ আহৰি,
ঢেকিত জুৰিছোঁ আহ;
সেই ধানেৰানি,
পিঠাগুৰি খুন্দি,
লৈ যাওঁ জোৰাইলৈ লাক।

তলৰ দুফাকি গীত বিয়ানামৰ দৰে গাব পাৰিলেও, শুনাত যেনেদৰে হলেও কেচুৱা ওমলোৱা নাম বুলিহে ধৰিব পাৰি।

(১) অ' আই লীলা,
ৰৰলৈ চিলা,
কচুখাতি পাৰকৈ
লীলাক নিলে বিয়াকৈ
মাকে ঢাকুৱায় হিয়া।



(২) তিতিকি তিতাপাত,
ৰুক্মিণীৰ সুদাহাত,
কৃষ্ণলৈ বাতৰি দিলে;
দহঅঁড়া আধলি
ছয়অড়া মাদলি,
ৰুক্মিণীৰ হাতলৈ দিলে।

তলৰ ফাকি কাৰোবাক ব্যঙ্গ কৰি কোৱা যেন লাগে;—

বুঢ়ী আই এ,
এইবাৰ মৰিবি জাৰত;
ফটাকঠা ধুইদিম পুখুৰী পাৰত;
চোৰে লৈ গল খলহ জাঁৰত।

বুঢ়ীজনীয়ে কোনোমতে ফটাকঠা খনকে লৈ জাৰ গুচাইছিল, তাকো ধুবলৈ আনি চোৰৰ হতুৱাই নিয়াই বুঢ়ীক ভাল সুখ দিলে!

শ্ৰীগোলোকচন্দ্ৰ শৰ্ম্মা

---

## স্বৰ্গৰ লক্ষীয়ে ৰুদ্ৰসিংহ স্বৰ্গদেৱক হিন্দুধৰ্ম্ম গ্ৰহণ কৰোতে দিয়া শাও

( নাটকীয় বুৰঞ্জীৰপৰা তৰ্জ্জমা )

"যিদিনা ৰুদ্ৰসিংহ স্বৰ্গদেৱে ন্যায়বাগীশ ভট্টাচাৰ্য্যত শৰণ ললেগৈ পৰি।
স্বৰ্গৰ লক্ষীয়ে সপোনত দেখালে জয়মতীৰ আকৃতি ধৰি॥
শুনা পুত্ৰ মোৰ চেনেহৰ গোটাএটাদেও অকাৰ্য্য কৰিলা ঘোৰ।
নিজৰ ধৰ্ম্ম এৰি পৰক ভজিলা চেনেহৰ পুত্ৰ মোৰ॥
স্বধৰ্ম্ম আদিমূল স্বধৰ্ম্ম জাতিকুল স্বধৰ্ম্ম সবাতকৈ ঘাই।
হেনো হেন স্বধৰ্ম্ম এৰিলা গোটাএটাদেও তোমাৰ মান পাতকী নাই॥
স্বধৰ্ম্ম আদিমূল স্বধৰ্ম্ম জাতিকুল স্বধৰ্ম্ম উদ্ধাৰৰ কচি।
হেনো হেন স্বধৰ্ম্ম এৰিলা গোটাকী স্বৰ্গলৈ যাওঁগৈ গুচি॥
যত ধাল তৰোৱাল বন্দুক ৰৰচিলৈ সবাকে হাতত লৈ।
চৌত্ৰিশ জন দেৱতাৰ বংশক ( লগত ) লৈ স্বৰ্গলৈ গুচি যাওঁ মই॥
ৰংপুৰ নগৰখন চনপুৰ হবগৈ দেৱালৰ খহিব মাটি।
সুবৰ্ণৰ কলচি গুলকি পৰিব অজাতিয়ে ধৰিব চাপি॥
শাল শিঙৰি কৰৈ গজিব অপূৰ্ব্ব ৰংপুৰৰ মাজ।
গড়ৰ গড়খাৱৈ খহি পোত যাব নীচে কাঢ়ি লব ৰাজ॥
ৰজাৰ কৰ বাঢ়িব গুৰুৰ কৰ বাঢ়িব আহোমৰ দুৰ্দ্দশা হব।
অপেশ্বৰীসকলক নিব খৰিভাৰীয়ে কুকুৰে পাহ ভাত খাব॥

বজাই চেপিব শুকৰে চেপিব ঘটা ছন্দশা টান।
ভাল ভাল আহোমৰ টিপনি লবিব হবাব সকলো মান॥"

তেনেক্তে কন্দ্ৰসিংহ স্বৰ্গদেৱে মাতৃজ্ঞান কৰি স্বৰ্গৰ লক্ষীক বন্দনা কৰে :—

"আইজ্ঞিনী বা আমেচাং* কুলৰ জননী আহোম কুলৰ আই।
অবোধ পুত্ৰ হৈ তোমাক পাহৰিলো ক্ষেমিবা সকলো দায়॥"

শ্ৰীপ্ৰকাশচন্দ্ৰ গোঁহাই,
উজানবজাৰ, গুৱাহাটী।

---

# কচ্ছ দেশীয় যোজোনা

(ইংৰাজীৰপৰা)

ধৰা নপৰা যদি চোৰেই নোহোৱা।

•

গাহৰিৰ নিচিনা নাকেৰে কেৰে নেমু টেঙা শুঙিব নোৱাৰে।

•

পাটৰ কাপোৰ-কানি পিন্ধা বান্দৰ চিৰদিন বান্দৰেই।

•

এটা চিপাহীৰে পল্টন নহয়।

•

একেখন বাৰীৰে জাম্‌।

•

এডালি-এডালিকৈ উভালি গোটেই কোঠা ডাট্ৰি উভালিব পাৰিবা।

•

নিজে 'ভাল চাকৰ নহলে ভাল গিৰিহঁতো হব নোৱাৰি।

•

পাত্ৰ খালি হলে মদৰ কথা ভবা মিছা।

•

গাহৰি পোৱালিক যিমানেই ধুৱাই দিয়া লাগে, সি নিতৌ বোকালৈ যাবই।

•

শুকান কাঠৰ লগত মিহলালে তিতা কাঠো জ্বলিব।

•

বেচোতাই এটা চকুৰে কাম চলাব পাৰে ; কিনোতাক এশ চকু লাগে।

•

খালি থৈলা থিৰ হৈ থাকিব নোৱাৰে।

•

মদপী মানুহ গীৰ্জাত থাকিলেও আন মানুহে তেওঁক বেশ্যালয়ত থকা বুলি সদায় ভাবে।

•

বিদ্ৰোহী বন্ধু অজাত শত্ৰু।

•

সুৰৰ বাধা টোকাৰী ভাল নে বেয়া বুজিব পাৰি।

•

আম আন দেশৰ হীৰাবোৰ চিৰদিন আটাইতকৈ সুন্দৰ।

•

* "শুনকচোন আইতা"



শেষ জুইৰপৰা আঁতৰাই থব লাগে।

•

ধন সম্পত্তি সদায় বন্ধু নহয়, কিন্তু বন্ধু সদায় ধন-সম্পত্তিৰ দৰে মূল্যবান।

•

শক্তি আৰু যশস্যাই ধনী মানুহৰ হুকুম মানি চলে।

•

সৌভাগ্য আৰু দুৰ্ভাগ্য একেটা পিৰালিতে থাকে।

•

মানুহৰে সৈতে শান্তিৰে থাকিবা আৰু তোমাৰ পাপৰ লগত দন্দ কৰিবা।

•

যলৈ যাব খোজা যোৱা, কিন্তু য'ত মৰণ আছে তাত মৰিবাই।

•

লাজকুৰীয়া মগনীয়া ভোকত শুচি যায়।

•

কুকুৰ-নেচায়া বাঘৰ লগত সখি পাতিবা কিন্তু তোমাৰ কুঠাৰখন সাজু ৰাখিবা।

•

শঁতিৰে মৌ খাব খুজিলে মৌ-মাখিবোৰ মাৰিবই লাগিব।

•

খাবলৈ একো নাথাকিলে মান-সম্ভ্ৰমেৰে কি হব ?

•

বহুবাৰ বন্ধুত্বত বিশ্বাস নকৰিবা।

•

যাব খোজা কুকুৰক লাঠী দেখুৱালেই যথেষ্ট।

•

ধনীলোকক উপহাৰ দিয়াও যেনে, সাগৰত পানী ঢলাও তেনে।

•

এচামুচ আলকাটৰাই এপিপা মৌ নষ্ট কৰিব।

•

আশ্ৰয় দিয়া গছক যেয়ে সেয়ে ভাল পায়।

•

চয়তানে নিজে একো কৰিব নোৱাৰিলে তিৰোতাক দূতীস্বৰূপে পঠিয়ায়।

•

বাং-কুকুৰৰ মুখ আৰু পুৰোহিতৰ চকুক কেতিয়াও সন্তুষ্ট কৰিব নোৱাৰি।

•

কেঁচুৱাই নাকান্দিলে মাকে তাৰ অভাৱ নুবুজে।

•

জীয়াৰীক বিয়া দিয়াৰ পাছত হব লগা জোঁৱাই বহুত পোৱা যায়।

•

চোৰেও ঈশ্বৰক প্ৰাৰ্থনা কৰে, কিন্তু চয়তানে তাৰ প্ৰাৰ্থনা ধৰি ৰাখে।

•

শূন্যলৈ থুৱালে নিজৰ ডাড়ি অপদস্থ হয়।

•

চৰাইটি সৰু, কিন্তু ঠোঁটটিত যৰ ধাৰ।

•

সাতজনী শুশ্ৰূষাকাৰিণী (নাৰ্চ) থাকিলে কেঁচুৱা কণা হয়।

•

মেকুৰীয়ে কাৰ মঙহ খাইছে তাক নিজে জানে।

•

ক্ষুধাতুৰ মানুহৰ মনত কটিৰ কথাইহে মাথোন ঠাই পায়।

•

কথাৰে নগৰ জয় কৰে।

•

পাপৰ গৱাহী নাই।

•

আলহী শুধিব খুজিলে তেওঁৰ কুকুৰকো খুৱাব লাগিব।

•

কোনো গাই কলী হলেও তাইৰ গাখীৰ বগা।

•

কথা চৰাই নহয়; এবাৰ উৰা মাৰিলে আৰু কেতিয়াও তাক ধৰিব নোৱাৰি।

•

একেটা ষাঁড়ৰ দুবাৰ ছাল বখলিয়াব নোৱাৰা।

•

মামৰে লো আৰু বেজাৰে হৃদয় নষ্ট কৰে।

•

এটা ফিৰিঙটিয়ে মস্তো পুৰি ছাৰখাৰ কৰে।

•

যি চোৰে ওচৰ চুবুৰীয়াক ডকা দিয়ে সিয়েই বেয়া চোৰ।

•

যি চকাই বেয়াকৈ কেৰকেৰায় সিয়েই আটাইতকৈ বেয়া চকা।

•

কপাল ভাল হলে তোমাৰ মতা কুকুৰায়ো কণী পাৰিব।

•

নিজৰ ঘৰৰ চালেদি উকখনি পৰিলে ওচৰ-চুবুৰীয়াৰ ঘৰৰ চাল নাচাবা।

•

নাঙঠ মানুহক এডোখৰ কাপোৰ দিলে সি কাপোৰ ডোখৰ বৰ ডাঠ বুলি কব।

•

দুটা কুকুৰৰ দন্দ্ লাগোঁতে তৃতীয়টোক সাৱধান হবলৈ দিয়া।

•

মৰা মানুহ জীয়াই দিয়া যেনে, মুৰ্খক শিক্ষা দিয়াও তেনে।

•

সঁচা কথাক সোণালী 'কফিন'ৰ ভিতৰত সুমাই থুতি থলে সি 'কফিন্' ভাঙি ওলাব।

•

সোণৰ হাতুৰীয়ে লোৰ 'ছাদ' (ceiling) ভাঙিব।

•

বহুত পকৰাই ঘোৰাকো মাৰি পেলায়।

•

সোণে কথা কলে আটায়ে মনে মনে থাকে।

•

চয়তান বুঢ়া হলে সন্যাসী হয়।

•

আদালতত থকা বিচাৰক পুখুৰীৰ মাছৰ দৰে।

•

বদনাম কয়লাৰ দৰে—ই হাত ক'লা বা ময়লা কৰে।

•

চোৰৰপৰা চুৰ কৰিলে সময় নষ্ট কৰা হয় মাথোন।

•

আঁকোৰ্গোজা ঘৈণীতকৈ মদপী বৈণী বৰং ভাল।

•

কণী সাচিবলৈ যাওঁতে কেতিয়াবা কুকুৰাজনীও হেকৰাব পাৰা।

•

প্ৰেম-কৰোতা আটাই মানুহে বিয়া নকৰে।

•

বন্ধুত্বৰ মাত্ৰা চৰিলে তোমাৰ বন্ধুক কোনো বস্তু ধাৰলৈ দিবা;

•

ধুনীয়া সজাই চৰাইক সুখুৱায়।

•

আমাৰ আত্মা ঈশ্বৰৰ আৰু দেহটো 'জাৰ'ৰ (সম্ৰাটৰ)।

•

মই হাবিত ভালুক আৰু ঘৰত মাহী-আইক লগ পালো।

•

প্ৰত্যেক জাতিৰ নিজৰ জৰ আছে; প্ৰত্যেক পাহাড়ৰ নিজা বাং কুকুৰ আছে।

শ্ৰীমহানন্দ বৰুৱা

---

# দোষী কোন?

[১]

বাৰীৰ পাছফালে আম গছ জোপাত পৰি কুলিটিয়ে ধীৰ ভাবে মাত লগালে,—কুউ—কুউ, সখীয়তীয়ে হৃদয়-ভৰা আবেগেৰে প্ৰীতি সম্ভাষণ জনালে,—সখীঔ সখীঔ। গছে গছে কুঁহি পাত মেলিলে,—মোহনবেশ ধাৰণ কৰিলে; বাটৰ কাণত কেতেকী ফুলিল—বতাহত তাৰ গোন্ধ বৈ গল কেউফালে। মলয় কটকীয়ে বা বনাই কাণ চুৱাই কৈ গল—বাঙলী ৰাণীৰ আগমনৰ কথা। চেঙৰা ডেকাসকলৰ বুকুৰেদি এটি আনন্দৰ সোঁত বৈ গল, তাৰ বোল উঠিল—ধেনিকি ধিন্দো, তাধিতি থিটৌ ঢোলৰ চাপৰত। ঢোলৰ মাতত লহঙী নাচনীহঁতৰ গা নাচি উঠিল ...বাসন্তী দেবীৰ ধীৰ আগমন,—ভুবন মোহন বিতোপন সৌন্দৰ্য্যৰ সমাগম। মধুৰ আজি,—আকাশ মধুৰ, পৱন মধুৰ, সকলো মধুৰ সকলো সুন্দৰ।...

[২]

ৰঙেৰে নাচি, ৰমক-জমক কাচোন কাচি চেনেহী বহাগী বিহু আহিছে, লৰা, ডেকা-বুঢ়া সকলোৰে মন আনন্দত উথল-মাথল। জীয়াৰী বোৱাৰীহঁতে ৰঙা-হালধীয়া আচুৰে এৰেগেত, এমুঠন ফুল দি বিহুৰ গামোচা লগাইছে। বিহুৰ দিনা ওৰেই ডেকাসকলে কপালৰ আগত ফুলটি ওলোমাই নেখেৰিয়াকৈ পাগটি মাৰি বিহু তলিলৈ যাব, সেয়ে আনন্দ, তাতে ৰং বহইচ। আমাৰ লীলাৱতীও বিহু কৈয়েই ব্যস্ত। কেনেকৈ নতুন ধৰণেৰে বাচকবনীয়াকৈ ফুলদি চাৰিজনৰ প্ৰশংসাৰ পাত্ৰী হব পাৰে, কেনেকৈ সখীয়েকহঁতৰ সৈতে গৈ বিহুতলিত নাচিবগৈ পাৰে, তাৰ কাৰণেই মতলীয়া, ব্যাকুল!

লীলাৱতী মাধৱৰ বিখ্যাত সত্যনাথ বৰুৱাৰ জীয়েক। চৰ্কাৰৰ ঘৰত নাম নহলেও সমাজত বিশেষ প্ৰতিপত্তি। তাহানি আহোম ৰজাৰ দিনতো তেওঁৰ ককাক এজন নামজলা বিষয়াই। লীলাৱতীয়ে কিশোৰৰ জপনা পাৰ হৈ যৌৱনৰ দুৱাৰদলিত ভৰি দিয়া এবছৰৰ বেছি হোৱা নাই। বাপেক মাহীমাক আৰু এটি সৰু লৰাৰ বাহিৰে তাইৰ অন্য কেও নাই। মাকে সৰুতে তাইক মাইকী নোহোৱা পোনামাছৰ দৰে হেদানি মেলি ভুকং কৰি সংসাৰৰপৰা হাত সাৰি গুচি গল। সেইদিন ধৰি বেচেৰী মাউৰা, দুৰ্ভগীয়া। মাহীমাকৰ অত্যাচাৰত তাইৰ মুখৰ ভাতে চকুৰ পানীয়ে সমান হৈছিল। কিন্তু বেচেৰী বৰ ধৈৰ্য্যশীলা। মাহীমাকক নিজৰ মাকৰ দৰে সেৱা ভক্তি কৰে। মাহীমাকে হেজাৰ গালি শপনি পাৰিলেও, তাইৰ মানত সেইবোৰ আশীৰ্ব্বাদহে। চেনেহৰ বহাগী বিহু আহিছে, সকলোৰে মন আনন্দত ভৰপুৰ। তাইৰ হলে অন্তৰ ক-ক কৈ পুৰিছে, দহিছে। গীৱত ভাৱনা সবাহ হলে তাই পাৰেমানে কান্দে—তাইৰ সাদৰী মাকলৈ মনত পৰি। সংসাৰত সকলো থাকক, মাতৃ-বিহীন সকলো অসাৰ, শূন্য। কথাতে কয়—মাহীমাকে ধানখেৰৰ জুয়ে সমান।

[৩]

যদুনাথ লীলাহঁতৰ গাঁৱৰে এটা ডেকা। বয়স বিশ বছৰমান হব। দুয়োৰে ঘৰ একেবাৰে ওচৰাওচৰি। যদুৰ ঘৰত কেৱেই নাই; অপাৰ সংসাৰ-সমুদ্ৰত উটি উপঙি ফুৰা অকলশৰীয়া ডেকা এটা মাথোন। সিয়েই লীলাৰ শৈশৱৰ খেলাৰ লগৰীয়া। ডাঙৰ হৈ অহাৰ লগে লগে শৈশৱৰ বন্ধুত্ব ভাব দুয়োৰো ভিতৰত ইমান প্ৰবল হৈ উঠিল যে, কোনেও কাকো নেদেখিলে এখন্তকো থাকিব নোৱাৰা হল। সুখে দুখে দুয়ো দুয়োৰো বন্ধু। যদিও দুয়োৰো ভিতৰত ভালপোৱা অন্তৰৰ অব্যক্ত ভাৱটি ক্ৰমান্বয়ে বেছি হৈ আহিবলৈ ধৰিলে; কিন্তু সমাজৰ কটকটিয়া বান্ধোনত পৰি নিজৰ নিজৰ বাট কোনেও এৰি অবাটে যোৱা নাছিল।

[৪]

লাহে লাহে চ'তৰ দিন কেইটা পাৰ হৈ গল।... বহাগী বিহু। লীলাৱতী উৰুকাৰ দিনা চাৰিদাঁৰ নিশাৰ-

পৰা মাহীমাকৰে সৈতে বিহুৰ কাম বন কৰি ফুৰিছে। মাহীমাকে ঘৰমচা আদি কাম কৰি ফুৰিছে, তাই পিঠা ভাজিছে। কেতিয়াবা আকৌ তায়ে বাহিৰা কাম কৰি ফুৰিছে, মাহীমাকে পিঠাপনা কৰিছে। এইদৰে ৰাতিৰ ভিতৰতে সকলোবোৰ কাম সমাধা কৰিলে। ৰাতিপুৱাল। তাই লৰালৰিকৈ গা পা ধুই গৰু গাই নোৱাবলৈ মাহ হালধি বাটি দিলে। বাপেকে যথাসময়ত গৰু নোৱাই নৈলৈ নি গা ধুৱাই "লাও খা বেঙেনা খা; মোৰ গৰু বৰ বৰ হৈ যা।" এইদৰে লাও বেঙেনা খুৱাই ঘৰলৈ আহিল। ঘৰত গা ধুই বিহুৰ নতুন গামোচা লৈ জা-জলপান খাই গাঁৱত কড়ি খেলিবলৈ গল। লীলাৱতীয়েও ঘৰৰগৰা বকুলী, ৰঙিলী, মুহিলী সখীয়েকহঁতক মাতি আনি জলপান খাই চেং খেলিবলৈ বহিল। যদিও সখীয়েকহঁতৰ সৈতে ধেমালি কৰি আছিল যদুৰ কাৰণে তাইৰ মনটো উৎপিতাই আছিল। সময় বুজি লীলাৱতীয়ে ভাল চকুত লগা গামোচা এখন মাহীমাকে গম নোপোৱাকৈ লুকুৱাই তায়েকৰ হাততে যদুলৈ দি পঠালে। তাৰ পাছত ছেগ বুজি টিপতে অলপমান জা-জলপানো দি আহিলগৈ।

[৫]

আবেলি হল। লীলাই চেং খেলা ভাঙি সখীয়েক-হঁতৰ সৈতে লেহুগুৰিৰ বিহুতলিলৈ গল। বেচেৰা যদুনাথো অলপ ফিটফাট মাৰি, তেল-টেঙা ধঁহি তেলীয়া সাৰেংটি যেন হৈ বিহু চাবলৈ গল। ঢোল, পেঁপা, তাল-টকা বাজিবলৈ ধৰিলে। বিহু নাচ আৰম্ভ হল। ডেকাসকলে কিৰিলি পাৰি ডিঙি ভাঙি ভাঙি গাবলৈ ধৰিলে। যদুনাথে হাঁহি এটা মাৰি লগাই দিলে—

অতি চেনেহৰে মুগাৰে মহুৰা
অতি চেনেহৰে মাকো।
তাতোকৈ চেনেহৰ বঙাগী বিহুটি
নেপাতি কেনেকৈ থাকোঁ॥

ডেকাসকলৰ নামৰ লগে লগে, ছোৱালীহঁতেও ঢোলৰ চেৱে চেৱে হাতত ধৰাধৰি কৰি জেতুকা পিন্ধা ৰঙা হাত দুখনি মেলি মেলি, গা হালি জালি, ককাল ঘুৰাই ঘুৰাই ডেকাসকলৰ মাজত পাকদি নাচিবলৈ ধৰিলে। প্ৰথমতে নাচিবলৈ আৰম্ভ কৰিলে লীলাই আৰু তাইৰ সখীয়েকহঁতে। ডেকাসকলৰ নামৰ পৰালি পৰাত লীলা-ৱতীয়ে লগাই দিলে।—

চত্তে চত্তুৰাই বহাগো পালেহি
দি বাওঁ বত্তৰ পাক।
বিহু থাকেমানে, বিহুকে বিনাৰি
বিহু গলে বিনাবি কাক ?

* * *

এইদৰে বিহু নাচ চলিবলৈ ধৰিলে।

[৬]

লাহে লাহে গধূলি হৈ আহিল। সেইদিনাৰ কাৰণে সিমানতে বিহু-নাচৰ অন্ত কৰিলে। বিহু-নাচ ভগাত সকলো দিহাদিহি গল। লীলাৱতীয়ে সখীয়েকহঁতৰ লগ এৰি দি যদুৰ সৈতে অকলে আন এটা বাটেদি যাবলৈ ধৰিলে। যদুনাথে লীলাক অকলশৰে পাই তাহানিৰে-পৰা হৃদয়ৰ সাঁচতীয়া সকলো কথা কম বুলি লাহে লাহে কবলৈ লাগিল।

"লীলা, এটা কথা মই তোক ভালেমান দিনৰপৰা কম বুলি কব পৰা নাই। তই যদি বেয়া নেপাৱ, তেন্তে কব পাৰো।"

"মোৰনো কিহৰ ভাল বেয়া আছে। আমাৰ মাহ-ৰেও ভাল, খাৰৰেও ভাল। যিহকে কয় সেয়ে ভাল।"

"বাৰু লীলা, তই কচোন, এই সংসাৰত সকলোতকৈ কাক বেছি ভাল পাৱ ?"

"প্ৰথমতে মোৰ আইক, তাৰ পাছত ওপজা ঠাইক।"

"নহয় লীলা, পুৰুষৰ ভিতৰত কাক তই ভাল পাৱ ?

প্ৰশ্ন শুনি লীলাৰ গাল দুখন টিক্‌টিক্ কৰে ৰঙা পৰিল, বুকু কঁপি উঠিল, অলপ পৰ নিতাল মাৰি ডোকা-ডুকি মাতেৰে উত্তৰ দিলে—"কেৱল মাত্ৰ আপোনাক।"

ভয় নকৰিবি লীলা, সঁচাকৈয়ে কচোন তই মোক বিয়া সোমাবিনে ?"

"নিশ্চয় সোমাম। তোমাৰ বাহিৰে মোৰ আৰু কোনো নাই।"



"বাৰু লীলা, এই শুভদিনত মই আজি তোক কি দিম ? তোৰ প্ৰতি মোৰ ভাল পোৱা ভাব কিমান, পৰাহলে বুকু ফালি দেখুৱালোহেঁতেন। মই এই আঙঠি-টোকে তোক মোৰ প্ৰীতি চিনস্বৰূপে দিলোঁ। মনত ৰাখিবি লীলা, জীৱনে মৰণে চিৰসহচৰী তই; তোৰ অবিহনে মোৰ জীৱন অসাৰ। এতিয়া গধূলি হল, বল লীলা ঘৰলৈ যাওঁ।" তিমানতে শেষ কৰি দুয়ো দুফালেদি ঘৰমুৱা হল।

[৭]

লীলাৰ বিয়া দিয়াৰ সময় চাপিলহি। বাপেক সন্তানাপে তাইৰ উপযুক্ত দৰা বাচিবলৈ ধৰিলে। অল-পীয়া মানুহে ছোৱালী খোজাৰ নামেৰে তেওঁৰ কাষকে নেচাপে। যিবা দুই-চাৰিজন প্ৰাৰ্থী আছিল, তেওঁ-লাকতো তেওঁৰ মন নেখাটিল। শেষত ওচৰৰে সক-ভগীয়া গাঁৱৰ হাজৰীকা বংশৰ আনন্দ বুলি এটি লৰাকে বিয়া দিবলৈ স্থিৰ কৰিলে।.........

বিয়াৰ ধুমধাম আয়োজন হল।—বিশেষকৈ সত্য-নাথৰ ঘৰত। গাঁৱৰ ভিতৰত ধনেমানে কেউপিনে নাম-জলা মানুহ। অন্য পিনেও প্ৰথমা কন্যা। লীলাই কিন্তু খবৰ পোৱা নাছিল—বাপেকে যে আনন্দৰ লগত তাইৰ বিয়াৰ আয়োজন কৰিছে। খবৰ পায়েই তাই দুই নাওত দুই ভৰিৰ নিচিনা হল। আনন্দলৈ বিয়া নিদিবলৈ আন মানুহৰ হতুৱাই তাই বহুত কোৱালে, কিন্তু সকলো অসাৰ, ব্যৰ্থ। যদুনাথেও এই কথাৰ খবৰ পাই পানী অনা ঘাটলৈ অকলশৰে তাইক লগ পাবৰ কাৰণে গল। তাতে লীলাক লগ পাই সি কলে, মৰমৰ লীলা, তোৰ দেউতাৰে তোক আনন্দলৈ বিয়া দিবলৈ চেষ্টা কৰিছে, আনকি বিয়াৰো আয়োজন কৰিছে। দেউতাৰৰ ইচ্ছা যিহেতু তাত হকা-বাধা কৰিবৰ তোৰ অধিকাৰ নাই। তেওঁ কাঠৰ মূঢ়াত দিলেও সেয়ে তোৰ পক্ষে ভাল। গতিকে মোৰ কাৰণে চিন্তা-ভাৱনা কৰি-বৰ দৰকাৰ নাই।" লীলাই অলপ খঙেৰে উত্তৰ দিলে, "তুমি ভাবিছানেকি তিৰোতা জাতি ভীৰু, তিৰোতাৰ গাত অলপো জীয়া তেজৰ সঁচ নাই ? জানিবা তিৰো-তাই এতিয়াও নিজৰ প্ৰতিজ্ঞা আখৰে আখৰে পালন কৰিবলৈ পাহৰা নাই, তিৰোতাই এতিয়াও সত্যৰ কাৰণে জীৱন দিবলৈ পাহৰা নাই।.........বিশেষকৈ বিয়া বোলা বস্তুটি লৰা-ছোৱালীৰ ধেমালিৰ পুতলা নহয়। ই শত জীৱনৰ সাধনাৰ ফল। যাক চিৰজীৱনৰ কাৰণে সুখে-দুখে চিৰলগৰীয়া কৰি লোৱা হয়, তাক যাকে তাকে স্বামী বৰণ কৰা উচিত নে কি ? যাৰ লগত মন-প্ৰাণ নিমিলে তেনে এজনক পতিৰূপে লৈ সংসাৰত তপত খোলাত দেইপুৰি চেঙালুটি পাৰি থাকিবৰ আৱ-শ্যক কি ? মই আগেয়ে কৈছো নহয় চিৰদিন পতি-হীনা হৈ থাকিবৰ হলেও তোমাত বাজে আন কাকো বিয়া নকৰাওঁ। তাকো যদি নোৱাৰো তেন্তে এই সংসাৰত জীয়াই থকা মোৰ পক্ষে অসম্ভৱ।"

"বাৰু লীলা, তোৰ ইচ্ছা। যি ভাল দেখ কৰ, মই একো হকাবাধা নকৰো। যদুনাথ ঘৰলৈ আহিল, তায়ো পানী লৈ ঘৰলৈ উলটিল।

[৮]

ক্ৰমান্বয়ে বিয়াৰ দিন ওচৰ পালেহি। লীলাই বিয়াত অসন্মতি প্ৰকাশ কৰিলে। কিন্তু বাপেকে তাত অলপো ভ্ৰূক্ষেপ নকৰিলে।—আজি বিয়া। ঘৰত মানু-হৰ হেন্দোলদোপ হেন্দোলদোপ মিতিৰে কুটুম্বে গঞাই চুবুৰীয়াই ভিতৰ হেচ্‌মাৰি নধৰা কৰিলেহি। কেনিও কতো বিৰ দি সন্ধি পাবলৈ বাট নাই। সকলোপিনে আনন্দৰ চিন। খুলীয়াই খোল, ঢুলীয়াই ঢোল, কালীয়াই কালি বজাইছে। গধূলি হৈ অহাত কন্যা নোৱাবৰ সময় হল। বাপেক, মাহীমাকে নোৱাবলৈ ছোৱালী বিচাৰিলে—ছোৱালী নাই। সকলো প্ৰকাৰে অনুসন্ধান কৰিলে তেওঁ একো সম্ভেদ নেপালে। সকলোৰে ওপৰত এটি বিষাদৰ ছাঁ পৰিল। বিয়াঘৰত হাহাকাৰ লাগিল। সকলোৱে কেউফালে অনুসন্ধান কৰিলে কিন্তু কতো একো শুং-সূত্ৰকে নেপালে। শেষত পানী অনা ঘাটলৈ পানী আনিবলৈ যাওঁতে এজনী মানুহে কাপোৰ এখন ওপঙি থকা দেখা পালে। মানুহক খবৰ দিয়াত বিচাৰ কৰি পালে যে লীলাৱতী মৃত্যু অৱস্থাত। বাপেক

আইমাকে হিয়া ভুকুৱাই কান্দিলে, সখীয়েকইতে, বিয়াঘৰীয়া সকলোৱে হাঁয়ে বিৰৈকৈ কান্দিলে,— কান্দোনৰ ধ্বনিত এটি অস্ফুট সুৰ বতাহত উৰি গৈ কোনোবা এক অজান দেশত মাৰ গলগৈ; প্ৰশ্ন হল দোষী কোন?

শ্ৰীগোলোকচন্দ্ৰ শৰ্ম্মা

---

# "মেঘদূত" আৰু কালিদাস

পণ্ডিতসকলে একমুখে কয়, "মেঘদূত"ৰ বাহিৰে আন কোনো গ্ৰন্থ ৰচনা নকৰা হলেও কালিদাস ভাৰতৰ অদ্বিতীয় কবি বুলি সদায় পূজিত হ'লহেঁতেন।

গ্ৰন্থস্বৰূপে "শকুন্তলা"ই কালিদাসৰ ৰচনাৰ ভিতৰত অৱশ্যে শ্ৰেষ্ঠ। তথাপি বোধকৰোঁ "মেঘদূত"কো ইয়াৰে একেশাৰীতে বহুৱাব পাৰি। অনেক শতিকা জুৰি "মেঘদূত" কবিতা কলাৰ এটি অপূৰ্ব্ব আৰ্হি আছিল, আৰু "শকুন্তলা"ৰ দৰেই ই কবিক যথেষ্ট শ্ৰেষ্ঠত্ব আৰু সন্মান যাচিছিল। এই কাব্যপ্ৰণালী কালিদাসৰ প্ৰতিভাৰ মৌলিকতাৰ অন্যতম চানেকি। পাছত অনেক পিছ শাৰীৰ কবিয়ে ইয়াৰ অনুকৰণ আৰম্ভ কৰিছিল, কিন্তু সেইবোৰৰ কোনোটিয়েই কালৰ গতিত নিটিকিল।

ৰামে হনুমানৰ মুখে বিৰহিনী সীতালৈ নিজ কুশল বাতৰি পঠোৱা কথাৰ "উত্তৰ মেঘ"ৰ এটি শ্লোকত উল্লেখ আছে। এনে কোনো ভাবে কালিদাসৰ 'মেঘদূত' জন্মাত সহায় কৰিব পাৰে হবলা।

ভাৰতৰ পুৰণি মহাকাব্য বুলিলে ৰামায়ণ আৰু মহাভাৰতকে বুজায়। দুইখনি সঁচাকৈয়ে জগতৰে অতি অনুপম পুৰণি গ্ৰন্থ। কিন্তু মহাভাৰত যদি পুৰণিমতে ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ বিষয়ক 'ইতিহাস' বুলি ধৰা হয়, তেন্তে ৰামায়ণেই কাব্যস্বৰূপে সৰ্ব্বপ্ৰথম হৈ দেখা দিয়ে। ৰামায়ণ সঁচাকৈয়ে সাহিত্য আৰু কাব্যজগতৰ অতুলনীয় কহিনুৰ।

মহাকাব্য (এপিক্স) আৰু কাব্য (লীৰিক্স)— ইয়াৰ স্থূল প্ৰভেদ এয়ে, মহাকাব্যত বহিৰ্জ্জগতৰ কাৰ্য্যবিধি আৰু কাব্যত অন্তৰ্জগতৰ অনুভূতি আদি প্ৰকাশ পায়। মহাকবি বাল্মীকীৰ মহাকাব্য ৰামায়ণ সংস্কৃত কাব্য সাহিত্যৰ মস্তকমণি স্বৰূপ। ঠিক খৃষ্টপূৰ্ব্ব দুই-এক শতিকাৰ ভিতৰতে এই কাব্যসাহিত্যৰ বিশেষ অভ্যুদয় হয়। এই কাব্যৰ তুলনাত আন কাব্যবোৰ প্ৰায় ঠিয় হব নোৱাৰে বুলিয়েই সেইবোৰক কৃত্ৰিম বা খণ্ডকাব্য বোলা হয়।

কালিদাসৰ ৰঘুবংশ, কুমাৰসম্ভৱ আদি ৰচনাই কয় জয়তে সংস্কৃত সাহিত্যৰ নানান কৃত্ৰিম কাব্যৰ জন্ম দিয়ে। কিন্তু কালিদাসৰ নাম আৰু তেওঁৰ অমৰ কাব্যবোৰ যিমান প্ৰখ্যাত, তেওঁৰ জীৱনৰ সৰহখিনি কাহিনীয়েই কোনোমতে সেইদৰে সকলোৱে বিদিত নহয়। তেওঁ পোনতে অতি মূৰ্খ আছিল, পাছত কালীৰ বৰত কবিত্ব লাভ কৰি তেওঁ 'কালিদাস' নাম লয়, এই কথা মাত্ৰ সকলোৱে শুনিছে। তেওঁৰ তিৰোতাৰ নাম বিদ্যাৱতী। কালীৰ বৰ লাভ কৰিবলৈ এক প্ৰকাৰে এয়েই নিজ স্বামীক উদগাইছিল বুলি কালিদাসে পাছত যেনো এওঁক গুৰু মানি চলিছিল; তিকতাৰ অন্তৰৰ ভাব নুবুজি আপোন ভাৰ্য্যাৰ দৰে ব্যৱহাৰ নকৰাত বিদ্যাৱতীয়ে বোলে কালিদাসক তিৰোতাৰ হাতত মৰিবলৈ শাপ দিয়ে, আৰু সেইমতেই এজনী বেশ্যাৰ ঘৰত তাইৰ নিজ হাতে কালিদাসে প্ৰাণ এৰে, এনেকুৱা কথাও শুনিবলৈ পোৱা হয়; কিন্তু এই সকলোবোৰ স্বৰূপ কাহিনী বুলি ধৰিব পাৰি নে নোৱাৰি সন্দেহ।



কালিদাস বহুতৰ মতে খৃষ্টপূৰ্ব্ব আৰু আন ভালেমানৰ মতে প্ৰায় ষষ্ঠ খৃষ্টাব্দৰ কবি। এওঁ বিক্ৰমাদিত্যৰ সভাৰ নৱৰত্নৰ ভিতৰৰ এটি আছিল, এইটো সকলোৱে কয়। এই লেখত এওঁ প্ৰায় ৫৮৭ খৃষ্টাব্দৰ। "পূৰ্ব্বমেঘ"ত "দিঙ্‌নাগানাং" বুলি এটি শব্দ আছে, আৰু মল্লিনাথৰ মতে এই শব্দই কালিদাসৰ সমসাময়িক তেওঁৰ এজন বৌদ্ধ প্ৰতিদ্বন্দীলৈ আঙুলিয়াইছে। এইমতে বিক্ৰমাদিত্যৰ সভা প্ৰায় ৫৩০ খৃষ্টাব্দলৈকে আছিল। এনে নানান প্ৰমাণৰপৰা মুঠতে কালিদাসক প্ৰায় ষষ্ঠ শতাব্দীৰ কবি বুলি নিৰ্ব্বিঘ্নে ধৰিব পাৰি।

কালিদাসক বিশেষতে উজ্জয়িনীৰ কালৰে লোক বুলি কব পাৰি। তেওঁৰ বঙ্গদেশত জন্ম বা কালিদাস বুলি কোনো এজন মানুহেই নাছিল এনে মামুলী কল্পনাৰ ঠাই এতিয়া নাই।

"মেঘদূত" কাব্যৰ নায়ক এক যক্ষ। কোনো কোনোৱে কয়, এই যক্ষ কুবেৰৰ ফুল ছিঙি দিয়া মালী আছিল, আৰু এদিন কামত আওহেলা কৰা দোষত যক্ষৰাজে তাক এবছৰলৈ প্ৰিয়া বিৰহৰ অভিশাপ দিয়ে। আন আনৰ মতে, এই যক্ষ কুবেৰৰ ফুলনিৰখীয়া আছিল, আৰু এদিন তাৰ অসাৱধানতা হেতুকে ফুলনিৰ জপনা মেলি থৈ যোৱাত ইন্দ্ৰৰ ঐৰাৱত আহি সেই ফুলনি সোমাই ফুলৰ গছবোৰ ভাঙি ছিঙি তাৰ শোভা হত্যা কৰা দোষত কুবেৰে তাক ৰামগিৰি আশ্ৰমলৈ নিৰ্ব্বাসিত কৰে। কিন্তু আন বহুতে কয়, কুবেৰৰ যেনো নিতৌ হাজাৰ হাজাৰ সোণৰ পদুম ফুলি থকা এখন সৰোবৰ আছিল আৰু এই যক্ষ তাৰে ৰখীয়া আছিল। এই সৰোবৰৰ সোণৰ পদুমেৰেই কুবেৰে নিতে নিতে শিৱক পূজা কৰিছিল; এদিন যক্ষ প্ৰিয়া-সমাগম সুখত মজি থাকোঁতেই সিফালে ঐৰাৱত আহি সকলো পদুম উঘালি পেলাই সৰোবৰ উদং কৰিলে, এই দোষতেই কুবেৰে যক্ষক শাপিছিল।

সেই কথা যি হওক, বিন্ধ্যপৰ্ব্বতৰ দখিনে থকা মধ্য ভাৰতবৰ্ষৰ প্ৰধান নগৰ নাগপুৰৰ অলপ উত্তৰে থকা সৰু ৰামটঙ্কা বা ৰামটেক পৰ্ব্বতেই এই যক্ষ নিৰ্ব্বাসিত হোৱা ৰামগিৰি পৰ্ব্বত বুলি পণ্ডিতসকলে স্থিৰ কৰে। মল্লিনাথৰ মতে, ৰামায়ণত বৰ্ণোৱা চিত্ৰকূট পৰ্ব্বত এই ৰামগিৰিয়েই; তেনেহলে এই পৰ্ব্বত প্ৰয়াগ সঙ্গমৰ মাথোন দহ ক্ৰোশ দখিনত, অৰ্থাৎ বিন্ধ্য পৰ্ব্বতৰ উত্তৰে! কিন্তু এই কাব্যৰ বৰ্ণনা অনুসাৰে এই পৰ্ব্বত বিন্ধ্য আৰু নৰ্ম্মদাৰ দখিনত; গতিকে টীকাকাৰ মল্লিৰ ধাৰণা ভ্ৰমাত্মক বুলি তেওঁৰ পাছৰ পণ্ডিতসকলে স্থিৰ কৰে।

মহাৰাষ্ট্ৰিয় ভাষাত "তেক্" শব্দই পৰ্ব্বত বুজায়। জানকীৰে সৈতে ৰামচন্দ্ৰ আহি এই পৰ্ব্বতত বাস কৰা বাবেই ইয়াৰ এই নাম; "পূৰ্ব্বমেঘ" আৰম্ভণৰ শ্লোকটি এই কথাৰেই বৰ্ণনা। ইয়াতে নিৰ্ব্বাসনৰ প্ৰথম আঠমাহ যক্ষই অতি কষ্টেৰে কটোৱাৰ পাছত আহাৰ মাহৰ প্ৰথম দিনা এছটা কলীয়া মেঘ উঠি আহি এই পৰ্ব্বতত লগা দেখিয়ে যক্ষৰ বিৰহ-বেদনা উক দিয়ে; এই খিনিতেই এই কাব্যৰ জন্ম।

যক্ষপুৰীৰ নাম অলকা। ই হৰগৌৰীৰ ক্ৰীড়াশৈল বা কৈলাসৰ কোলাত। কৈলাস হিমালয়ৰ এক উত্তৰ অংশ, বৰ্ত্তমান নাম কুবেৰ্‌নঙ্‌। ৰামগিৰিৰপৰা এই ঠাই উত্তৰপিনে। কিন্তু যক্ষই মেঘক পোন বাটে নগৈ উজ্জয়িনীয়ে ঘুৰি যাবলৈ কৈছে; কিয়নো ঠিক উত্তৰমুৱা হৈ গলে মেঘ প্ৰয়াগ আৰু অযোধ্যাৰ ওপৰেদি যাব লাগিব, কিন্তু কালিদাসৰ ৰঘুবংশ কাব্যত এই ঠাইবোৰৰ যথাযথ বৰ্ণনা আছে। আনপিনে, উজ্জয়িনী সেই কালত মহা সমৃদ্ধিশালী চহৰ আৰু ভাৰতৰ ৰাজধানী আছিল; আৰু কালিদাস নিজে বিক্ৰমাদিত্যৰ সভাৰ এটি ৰত্নস্বৰূপে ইয়াত বহুকাল কটাইছিল; গতিকে তেওঁ এই ছলত উজ্জয়িনী বৰ্ণনা কৰাৰ লোভ সামৰিব নোৱাৰিলে।

"মেঘদূত"ৰ দুটি ভাগ,—'পূৰ্ব্বমেঘ' আৰু 'উত্তৰমেঘ'। 'পূৰ্ব্বমেঘ'ত যাইকৈ মেঘক যোৱা বাট নিৰ্দ্দেশ কৰাৰ ছলেৰে আৰ্য্যাৱৰ্ত্তৰ প্ৰায় সকলো প্ৰধান নৈ, পৰ্ব্বত, নগৰ, তীৰ্থ-দেৱালয় প্ৰভৃতি, আৰু 'উত্তৰমেঘ'ত অলকা আৰু বিৰহিণী যক্ষৰ চিত্ৰ আদি বৰ্ণনা কৰা হৈছে।

ওপৰে ওপৰে চালে, "পূৰ্ব্বমেঘ"তকৈ "উত্তৰমেঘ" অনেকগুণে সৰস যেন লাগিব পাৰে, কিন্তু আচলতে "পূৰ্ব্বমেঘ"ও নানান চিন্ময় সৌন্দৰ্য্যেৰে পৰিপূৰ্ণ।

প্ৰবাদ আছে, "মেঘদূত" ৰচনা কৰি কালিদাসে হেনো পোনতে এজনী মালিনীক পঢ়ি শুনায়। 'পূৰ্ব্ব-মেঘ' শুনি শুনি আমনি লাগি মালিনী উঠি যাব খুজিলে। কালিদাসে তাইক তেনে অধৈৰ্য্য হোৱা দেখি কলে, 'ৰবা, ৰবা। নাৰিকলটো ওপৰত কেনে টান, কিন্তু ভিতৰত কেনে সোৱাদ! এই কাব্যও সেইদৰে পোনতে টান যেন লাগিছে, কিন্তু ভিতৰত ইয়াৰো সোৱাদ আছে।' এই কথা শুনি মালিনী ৰল, আৰু কাব্যখন আগৰপৰা শুৰিলৈ ভালকৈ কাণ পাতি শুনি পৰম প্ৰীতি পালে আৰু কবিক নথৈ শলাগিলে।

আকৌ কিছুমানে কয়, "পূৰ্ব্বমেঘ" শুনি অধৈৰ্য্য হোৱা দেখি কবিয়ে মালিনীক কৈছিল, 'তুমি তেনে-হলে স্বৰ্গলৈ যাবা কেনেকৈ? স্বৰ্গলৈ উঠিবলৈকো সোণৰ জখলাত ১০৮ খাপ বগাব লাগিব। উত্তৰমেঘ স্বৰ্গ, পূৰ্ব্বমেঘ তাৰ জখলা!

"মেঘদূত" প্ৰেমৰ অনুপম কাব্য, "মেঘদূত"ৰ তুলনা মেঘদূতেই। কাব্য জগতত ই এক অপূৰ্ব্ব সৃষ্টি, এক অভিনৱ নন্দন ৰাজ্যৰ সূচনা! এই ৰাজ্যত "ছয় ঋতু এক কালে বসন্ত উদয়।" (কীৰ্ত্তন)। ইয়াত সদায় ফুলা ফুল গছবোৰত মতলীয়া ভোমোৰাবোৰ জাকিমাৰি উৰিবই লাগিছে; মিতে হাঁহিথকা পদুমণিত হাঁহবোৰ শাৰীপাতি জোনবিৰি ৰচনা কৰি চৰি আছে; ময়ূৰপোহনীয়া মৈৰাবোৰে চালি ধৰি নাচিছে। তাত আন্ধাৰ কত? নিশাৰ জগতখন তাত শীতল জোনাকে সদায় ঢৌৱাই ৰাখে। সেই ৰাজ্যতো চকুপানী আছে, কিন্তু সি কেৱল আনন্দৰহে। তাতো তাপ আছে, কিন্তু সি মদনৰ ফুলশৰৰপৰা ওপজা, আৰু প্ৰিয়জনৰ মিলনত সিও আঁতৰি পলায়। প্ৰেম অভিমানৰ বাহিৰে তাত আৰু কঠুৱা মাত শুনিবলৈ নাই; যৌৱন-বসন্তৰ বাহিৰে তাত আন ঋতুৱে ভুমুকি নামাৰে।

এই কাব্য মন্দাক্ৰান্ত ছন্দত লিখা। এই ছন্দৰ গতি, ভাষা আৰু ভাবৰ প্ৰবাহ মেঘৰ গহীন গমনৰ দৰে। ইয়াৰ ভাবসমূহ অলকাৰ আকাশ ছোৱা ৰামধনু যেন অট্টালিকা শ্ৰেণীৰ দৰেই ওখ আৰু মনোহৰ; ছন্দ মেঘৰ মন্দ্ৰ বা অলকাৰ যক্ষ ডেকাসকলৰ হাতত মুৰজ বাদ্যৰ নিচিনা সঙ্গীতময়; ভাষাৰ সৌন্দৰ্য্যই মেঘৰ বিজুলী বা অলকাৰ অনন্ত যৌৱনা ৰমণীসকলৰ দৰে ঘনাই দেখা দি আমাক বিভোল কৰি তোলে!

মহাবীৰ চৰিত, মালতীমাধৱ, উত্তৰৰাম চৰিত প্ৰভৃতি গ্ৰন্থপ্ৰণেতা কবি ভৱভূতিৰ লগত কালিদাসৰ তুলনা হয়। কবি স্বৰূপে ভৱভূতিৰ প্ৰতিভা আৰু যশ কালিদাসতকৈ হীন নহয়। কালিদাসৰ বৰ্ণনা চমু আৰু তাৰে তেওঁ পঢ়োঁতা জনৰ কল্পনাক নিজে ভাবি উপভোগ কৰিবলৈ যথেষ্ট সুবিধা দিয়ে। ভৱভূতিৰ বৰ্ণনা বহল আৰু তেওঁ প্ৰায়ে অনেক কথা দোহাৰি পঢ়োঁতাৰ মনত তাৰ সাঁচ দকৈ বহুৱায়। মানুহৰ আবেগ কৰুণতা আৰু বীৰত্ব প্ৰকাশত তেওঁ কালি-দাসক চেৰ পেলাব খোজে। কালিদাসৰ ৰচনা বেছি মধুৰ আৰু স্বাভাৱিক; ভৱভূতিৰ অলপ কৃত্ৰিমৰ দৰে আৰু তাত শৌৰ্য্য প্ৰবল আবেগ আৰু পাণ্ডিত্যৰ চিন থাকে। ভৱভূতিয়ে প্ৰকৃতিৰ বেছি জকমকীয়া দৃশ্য আৰু কালিদাসে বেছি সৌন্দৰ্য্যপূৰ্ণ দৃশ্য দেখুৱায়। তেওঁৰ কল্পনা যিমান ওপৰলৈ উঠে, ভৱভূতিৰ কল্পনাই তাতকৈ ওপৰলৈ উঠিবলৈ বাঞ্ছা কৰে। ধৰ্ম্ম বিষয়ত কালিদাস স্বাধীন মতৰ, কিন্তু ভৱভূতিয়ে সকলো শাস্ত্ৰীয় নিয়ম বিধিহে তে পালে। মুঠতে কালিদাসেই ডাঙৰ শিল্পী বুলি বুজিব পাৰি।

ইংৰাজ কবি ৱৰ্ডছৱৰ্থৰ কাৰণে যেনেকৈ প্ৰকৃতিৰ প্ৰতি অণু-পৰমাণু প্ৰাণময়, শ্বেলীৰ কাৰণে সিহঁত সেই-দৰে প্ৰেমৰ বাবে তৃষ্ণিত আৰু আকুল; কিন্তু কালি-দাসৰ দৰে শ্বেলীত প্ৰেমৰ পৰিপূৰ্ণতা বিৰল। শ্বেলীৰ প্ৰেমৰ তৃষ্ণা আৰু আকুলতাৰ ভিতৰত সদায় এটা অশান্তি আৰু অতৃপ্তিৰ ভাব জাগ্ৰত আছে, কিন্তু কালিদাসত সি শান্তি আৰু পৰিতৃপ্তিৰ ৰূপ ধাৰণ



কৰিছে। সঁচাকৈয়ে, "মেঘদূত" কাব্যজগতত এক সুকীয়া শান্তিময় প্ৰেমৰ ৰাজ্য; ইয়াৰ ৰজা আৰু ৰাণী বিৰহী আৰু বিৰহিণী যক্ষ,—দুয়ো সাইলাখ প্ৰেমৰ অৱতাৰ! এওঁলোকৰ বিষয়ে কোৱা অনাবশ্যক। কিন্তু এওঁলোকক এৰিও এই ৰাজ্যৰ প্ৰতি অধিবাসী পৰ্ব্বত, নৈ, মেঘ সকলো প্ৰেমত বিভোৰ; যেন প্ৰেমৰ এটি ৰানপানী আহি সকলোকে সেই অনন্ত প্ৰেম সাগৰৰ ফালে উটুৱাই নিছে, আৰু এনে কেও নাই যি ইয়াৰ ভিতৰত থাকি অচল হৈ ৰব পাৰিছে। তাতোকৈ আচৰিত! চাওঁতে চাওঁতে আমিও নিজেই নজনাকৈ এই প্ৰেমৰ ৰাজ্যত সোমাই পৰো, আৰু ইয়াৰ মাখোন গম পাওঁ যে আমি এই প্ৰেমৰ ধলত উটি উটি সেই অনন্ত প্ৰেম সাগৰৰ ফালে আগুৱাব লাগিছোঁ।

শ্ৰীডিম্বেশ্বৰ নেওগ

---

# ভাৰতৰ উন্নতি

ভাৰতত নানা বৰ্ণৰ নানা জাতিৰ মানুহ বাস কৰে। ইয়াৰ লোক সংখ্যা ৩৫ কোটীৰো ওপৰ। প্ৰাচীন কালত এই দেশক খণ্ড খণ্ড ভাৱে অনেক ৰজাই শাসন কৰিছিল। তেতিয়া দিগ্বিজয় দ্বাৰাই এজন ৰাজ চক্ৰবৰ্ত্তী হৈছিল কিন্তু এতিয়াৰ দৰে একে শাসন প্ৰণালীৰ অধীনত প্ৰজাবিলাক নাছিল। এই দেশত ইৰাণ (আৰ্য্য) তুৰাণ (মঙ্গলীয়া ৰ চীন) দ্ৰাবিড়ী (ইথিয়পিয়ান) নামধাৰী জাতিবিলাকে লীলা কৰি গৈছে। ঘাইকৈ সুমেৰিয়ান বা সোমাৰী জাতিৰ হে গোটেইখন দেশ থকা প্ৰমাণ আভাস পোৱা যায়। বৰ্ত্তমান পঞ্জাবত মহেঞ্জোডাৰো আৰু হৰপ্পা নামে যি দুখন নগৰ মাটি খানোতে ওলাই পৰিছে তাৰপৰা গোটেই ভাৰতবৰ্ষ খনেই ইণ্ড চুমেৰিয়ান জাতি বিভাগত পৰে। ইতিপূৰ্ব্বে য়ুৰোপীয়ানসকলে ভাৰতবৰ্ষৰ সভ্যতা খৃষ্টপূৰ্ব্ব ১৫০০ বছৰ পাতিছিল। এতিয়া মহেঞ্জোডাৰো আৰু হৰপ্পাত বেবিলন, ছিৰিয়াৰ দৰে পূৰ্ব্বকালৰ কিউনি-ফৰম আখৰৰ ফলিবিলাক আৰু জন্তুৰ নক্সাবিলাক ওলোৱাত ভাৰতৰ সভ্যতা খৃঃ পূঃ ৫০০০ বছৰৰ আগৰ বুলিও কব পাৰি। মানৱ জাতিৰ ভিতৰত অতি আগতে দ্ৰাবিড়ী কলাবৰ্ণ মানুবিলাকহে সভ্য আছিল। সিহঁতৰ পৰাহে আন আন জাতিয়ে সভ্যতা শিক্ষা পাইছে বুলি বৰ্ত্তমান ঐতিহাসিকসকলে সাব্যস্ত কৰিছে। ভাৰতবৰ্ষ-খনৰ শিৰ ফুটা জাতি অকল আৰ্য্যবিলাকেই গুৰিত নাছিল আৰু এতিয়াও নাই। গুৰিত কৃষ্ণবৰ্ণ দ্ৰাবিড়ী জাতি হে শিৰ ফুটা ভাৰতত ৰাজত্ব পতা জাতি আছিল। আৰ্য্য-বিলাকে দ্ৰাবিড়ী মানুবিলাকৰে সৈতে যুদ্ধ কৰি আৰু আৰু মিত্ৰতা পাতি লাহে লাহে ভাৰতত ৰাজখোৱা জাতি হৈ পৰিছিল। আৰ্য্যবিলাকে যেনেকৈ দ্ৰাবিড়ী জাতিৰ ভিতৰত সোমাই পৰস্পৰে পৰস্পৰৰ জ্ঞান বুদ্ধি সভ্যতা গ্ৰহণ কৰি এটি অভিনৱ সানমিহলি জাতি হৈ ক্ৰমে পৰিল তেনেকৈ অভিনৱ আৰ্য্য জাতিক সময়ে সময়ে অধিকাৰ কৰি অনেক অনাৰ্য্য জাতি অভিনৱ আৰ্য্য জাতিৰ লগত মিহলি হৈ হিন্দু হৈ পৰিল যে তাৰ ভুল নাই। নিখুত আৰ্য্য তেজ ভাৰতৰ মানুহৰ গাত এতিয়া পোৱা টান। এই ভাৰতবৰ্ষত শক, হুন, তুৰাণ আদি জাতিয়ে ঠায়ে ঠায়ে একো একো খন প্ৰদেশ অধিকাৰ কৰিছিল যদিও তথাপি সেইসকলে নিজা নিজা মাতৃ ভাষা আৰু আসুৰিক স্বভাৱ চৰিত্ৰ পৰিত্যাগ কৰি আৰ্য্য সভ্যতা আৰু ধৰ্ম্ম গ্ৰহণ কৰি একেজাতি হৈ পৰিল। কিন্তু স্বাৰ্থপৰ পুৰোহিত-সকলে এক পৰমেশ্বৰক ভাগ ভাগ কৰি একো একোটি নিজা নিজা দেৱতা থাপনা কৰি সাধাৰণ মূৰ্খ জনপুঞ্জক একো

একো জন গোসাই পুৰোহিতৰ দেৱতা পূজক কৰি ওপৰ তল জাতৰ সৃষ্টি কৰিছিল। তথাপি সময়ে সময়ে অনেক স্বৰ্গীয় শুদ্ধাত্মাই ভাৰতত জন্ম গ্ৰহণ কৰি জাতি ভেদ আৰু অনেক উপদেৱ দেৱী পূজা উঠাই দি সত্যধৰ্ম্ম স্থাপন কৰি সমাজ সংস্কাৰ কৰি গৈছিল পৌৰোহিত্য প্ৰাধান্যৰ কাৰণে ভাৰতত অনেক ধৰ্ম্ম বিপ্লৱ ঘটি যুদ্ধ বিগ্ৰহ হৈছিল। ভগৱান বুদ্ধদেৱ অৱতীৰ্ণ হৈ এই বিশাল ভাৰতবৰ্ষৰপৰা জাতি ভেদ ধৰ্ম্ম ভেদ দুয়োকো উঠাই এক কৰিছিল। কিন্তু ভাৰতত বুদ্ধধৰ্ম্ম টিকিব নোৱাৰিলে যদিও সি আন নামে আন আকাৰে থাকি গল কিন্তু গুৰুবাদ আৰু পৌৰোহিত্য প্ৰথা আকৌ এনে প্ৰবল হৈ উঠিল যে উলটি ঘৰে ঘৰে একো একোটি ধৰ্ম্ম উপধৰ্ম্ম বৃদ্ধি পাই উঠিল। এই বিলাকেই ভাৰতত অসংখ্য সম্প্ৰদায় আৰু জাতিভেদ সৃষ্টি কৰিলে। লেখিব নোৱৰা দেৱ দেৱী আৰু সম্প্ৰদায়, তাৰ লগে লগে জাতৰ সৃষ্টি মানে এনে কথাও অনুমান কৰিব পাৰি যে এই ভাৰতবৰ্ষত একে বৰ্ণ আৰু একে জাতৰ, একে স্বভাৱৰ মানুহ আদিৰেপৰা থকা নাই কাৰণ এই দেশক বাৰে বাৰে অনেক দৈত্য-দানৱে অধিকাৰ কৰি আৰ্য্য জাতিৰ লগত মিলিও বেলেগ বেলেগ জাতিৰূপে ৰৈ গল, আৰু চতুৰ আৰ্য্যসকলৰ শৰণীয়া হৈ একে হিন্দু নাম পালে। কিন্তু মুছলমান আৰু খৃষ্টান ইংৰাজে যেতিয়াৰপৰা ভাৰত অধিকাৰ কৰি ৰাজত্ব পাতিব ধৰিলে তেতিয়াৰপৰা কথা লৰ হৈ পৰিল কাৰণ পূৰ্ব্বে যিবিলাক বিজয়ী বিদেশী অনাৰ্য্য জাতিয়ে ভাৰত অধিকাৰ গাৰ বলেৰে কৰিছিলহি সেই সকলৰ ওপ জ্ঞান সাহিত্য নথকা হেতুকে আৰ্য্য জাতিৰ সাহিত্য গ্ৰহণ কৰি অনাৰ্য্য গুছি ক্ৰমে আৰ্য্য হৈ পৰিল। আৰ্য্য শব্দৰ আচল মানে ভদ্ৰ আৰু সভ্য। ইতিহাসে প্ৰমাণ কৰে যি জাতিৰ ওপ সাহিত্য সেই জাতিক গা বলৰ কাৰণে আন অসভ্য জাতিয়ে অধিকাৰ কৰিলেও জ্ঞান বলেৰে বলী জাতিৰ ওচৰত ধৰ্ম্ম, জ্ঞান-বুদ্ধি শিক্ষা কৰিবলৈ তাক গুৰু মানি তলতীয়া হবলৈ বাধ্য হয়, যেনে ৰোমানবিলাকে যদিও শেহত গ্ৰীচ দেশ অধিকাৰ কৰিছিল তথাপি গ্ৰীচৰ তলতীয়াহে হৈ পৰিল। ৰোমৰ ৰাজত্ব লোপ হৈ যদিও গোটেই য়ুৰোপ ভাগি ছিগি একো একো খনি স্বকীয়া ৰাজ্য হৈ পৰিল তথাপি ৰোমৰ পোপেইহে ধৰ্ম্ম শাসনৰ দ্বাৰাই গোটেই য়ুৰোপ অধিকাৰ কৰিছিল কাৰণ ৰোমৰ গ্ৰীক ভাষাৰপৰা চহকী হোৱা লাটিন ভাষা-পূৰ্ণ আৰু ওখ জ্ঞানৰ সাহিত্য আছিল। মুছলমান আৰু ইংৰাজৰ ওপ জ্ঞানৰ সাহিত্য থকা হেতুকে ভাৰতৰ সংস্কৃত সাহিত্যৰ তলতীয়া নহল। এই দিনত ধৰ্ম্মেই ভাৰতবৰ্ষত খেলি মেলি লগালে। নানা ধৰ্ম্মে অসংখ্য পুৰোহিত বা স্বাৰ্থপৰ নেতা সৃষ্টি কৰি অনৈক্য আনিলে। এই মূল কথাই ভাৰতৰ মানুহক চিৰকাললৈ পৰাধীন কৰি তুলিলে। আগতে দেখুৱাই আহিছোঁ যে মুছলমান আৰু য়ুৰোপীয় খৃষ্টানৰ নিজা নিজা ওখ সাহিত্য থকাৰ কাৰণে হিন্দুৰ জাপত আগেয়ে অনাৰ্য্য সকল সোমোৱাৰ দৰে নোসোমাল। ভাৰতক (সিন্ধুদেশ) মুছলমানে, হিন্দু নাম দিলে, ইংৰাজে ইণ্ডিয়া নাম দিলে।

কিন্তু বাস্তৱতে চাবলৈ গলে জ্ঞানৰ বলেৰে বলী জাতি এটি কালৰ গতিত পৰাধীন হলেও তাৰ স্বকীয়া অস্তিত্ব গুচা টান। ভাৰতত আকৌ জ্ঞান বিস্তাৰ হৈ স্বাধীনতালৈ আকাঙ্ক্ষা বাঢ়িছে। এতিয়া একতা সুমুৱাব পাৰিলেই ভাৰত সজীৱ হৈ উঠি পূৰ্ব্বৰ বিক্ৰম দেখুৱাব পাৰিব বুলি আমাৰ সম্পূৰ্ণ বিশ্বাস। গোটেই হিন্দু জাতিটি যদি একেশ্বৰবাদী একধৰ্ম্মী নহয় তেনে আমাৰ "একতা" কথাটি কল্পনা মাথোন। ইয়াকে বুজি চলিব পাৰিলেই ভাৰতৰ উন্নতি অনিবাৰ্য্য।

শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য

---

## ওৰণী তলত

কোন গাম্ভীৰ্য্যৰপৰা সৰি শত শৰ
কৰিলেহি ৰাক মোৰ তনু জৰ্জ্জৰিত ?—
আকউ উলটি চাই দেখোঁ বিপৰীত,
নহয় গাম্ভীৰ্য্য ই যে বিজয়ী পাৰ্থৰ ;
মেঘৰ মাজেদি আহি গুৰনি জোনাই
কৰিছে অজস্ৰ শৰ মোত বৰিষণ,
বিজুলী লহৰ তাতে ঘনে দৰিশন
দেখা পাওঁ চকামকা—ওলায় নোলায় !!

আও বিধি ! কিনো ভুল লাগিল আকউ !
জোনত হাঁহে এনে বিজুলী জেউতি,
শীতল চন্দ্ৰৰ জানো ইমান পোৰণি ?—
নহয় কিৰণ-শৰ, কটাক্ষৰ মউ ;
নহয় চন্দ্ৰমা, মোৰ আদৰৰ সেউতী,
ডাৱৰ নহয়, সেয়া প্ৰিয়াৰ ওৰণী।

শ্ৰীডিম্বেশ্বৰ নেওগ

---

## ৺মণিৰাম দেৱানৰ গীত আৰু সংক্ষিপ্ত জীৱনী

৺মণিৰাম বৰুৱা চাৰিংৰজাৰ দেৱান আছিল। তেওঁৰ সাতজন পুতেক আৰু দুগৰাকী কন্যা আছিল। কালত তেওঁৰ ছজন পুতেক ঢুকায়। তেওঁৰ মৰণৰ শেষলৈকে জীয়াই থাকে বম বৰুৱা। তেওঁৰ কন্যা দুগৰাকীৰ, এগৰাকীৰ নাম কম্বি আৰু আন গৰাকীৰ নাম কুমলি। তেওঁৰ ধন-সম্পত্তি অপাৰ আছিল। চাৰিওফালে জয়-জয় ময়-ময় অৱস্থা আছিল। কাৰণ, সেই সময়ত চাৰিঙৰ ৰজা নাবালক আছিল। গতিকে ৺মণিৰাম দেৱানেই সৰ্ব্বতোভাৱে ৰজাৰ কাম চলাইছিল। তেওঁ বৰ দূৰদৰ্শী আৰু বীৰবাহু পুৰুষ আছিল। সেই সময়ত ১৮৫৭ খ্ৰীষ্টাব্দত ডিব্ৰুগড়ত থকা বৃটিশ ৰেজিমেণ্টৰ চিপাহীবিলাকে ছাহাবাদৰপৰা কিবা বাতৰি পাই খঙত জ্বলি উঠে আৰু চাৰিং ৰজাৰ লগত যোগ হৈ পুনৰ অসমলৈ মান আনিবৰ কাৰণে ষড়যন্ত্ৰ কৰে। ৺মণিৰাম বৰুৱা তেতিয়া কলিকতাত আছিল। ইংৰাজে চিপাহীবিলাকৰ এই ষড়যন্ত্ৰৰ কথা জানিব পাৰি চাৰিং ৰজাক ততালিকে বন্দী কৰিলে আৰু আনপিনে ৺মণিৰামকো কলিকতাত আটক কৰা হল। কাৰণ ৺মণিৰাম দেৱানে অসমলৈ আকৌ মান আনিবলৈ চাৰিং ৰজালৈ তলে তলে কিছুমান গুপ্ত পত্ৰ দিছিল। চাৰিং ৰজাৰ ঘৰ খোৰোক কৰাত ৺মণিৰামৰ এই গুপ্ত পত্ৰবিলাক ওলাই পৰে। গতিকে, এই অপৰাধত ৺মণিৰামক কলিকতাৰ পৰা ধৰি আনি যোৰহাটত ১৮৫৭ খ্ৰীষ্টাব্দত তেওঁৰ সৈতে পুতেক পিয়ালিৰে সৈতে ফাঁচি দিয়া হয়। কাৰণ, পিয়ালিয়েও বাপেকৰ ষড়যন্ত্ৰত যোগ দিছিল। ইংৰাজ চিপাহীয়ে ৺মণিৰামক ধৰাৰ আগতে, তেওঁ কিছুমান লগৰীয়া আৰু গভুৰা ? গণকৰে সৈতে মানদেশৰ ফালে খোজ লৈছিল। বাটত যাওঁতে তেওঁ কেইবাখনো পৰ্ব্বতীয়া নৈ পাৰ হৈছিল। এনেতে বৃটিশৰ চিপাহীয়ে তেওঁৰ পিছে পিছে গৈ তেওঁক ধৰি আনে। প্ৰবাদ আছে যেনো ৺মণিৰাম দেৱানৰ তৰি-তলুৱাত আখৰ লিখা আছিল। নৈ পাৰহওঁতে বালিত তেওঁৰ খোজৰ চিন ৰৈ যায়। বৃটিশৰ চিপাহীবিলাকে তাকে দেখি খেদি গৈ তেওঁক ধৰা পেলায়। এই কথা কিমান

যুক্তিসঙ্গত তাক কব নোৱাৰো। কিন্তু তেওঁ যে, মান আনিবলৈ গৈছিল এই কথা সঁচা আৰু তাক অনেক যুক্তিৰে প্ৰমাণ দিব পাৰি। বদনৰ দৰে, ৺মণিৰাম দেৱানে স্বদেশক বা নিজৰ ককাই-ভাই বংশ পৰিয়াল সিলাকক ধ্বংস কৰিবৰ কাৰণে মান আনিবলৈ নগৈছিল; গৈছিল কেৱল, মান ৰজাৰ লগত মিত্ৰতা পাতি অনেক সৈন্য-সামন্ত আনি অসমৰপৰা ইংৰাজবোৰক খেদাবৰ কাৰণে। তলত দিয়া গীত কেই ফাকিয়েই তাৰ প্ৰমাণ দিব—

উজাই ওলালে　　মণিৰাম দেৱানে
ভটীয়াই মাৰিলে হাঁচি ;
মণিৰাম যাবৰে　　নহল চাৰিদিনে
দিলে যোৰহাটত ফাঁচি।
টেকেলি পৰিলে　　নাদত ঐ মণিৰাম
টেকেলি পৰিলে নাদত ;
গণক গভুৰা　　বাগি বি সাৰিলে
মণিৰাম পৰিলে ফান্দত।
আজি কিয়েবাৰে　　শুকুৰ ঐ মণিৰাম
আজি কিয়েবাৰে শুকুৰ ;
মণিৰাম দেৱানৰ　　অমঙল মিলিছে
উঠিল ৰবে ঘৰত কুকুৰ।
আজি কিয়েবাৰে　　শনি ঐ মণিৰাম
আজি কিয়েবাৰে শনি ;
মণিৰাম দেৱানৰ　　অমঙল মিলিছে
কপৌৰে পাৰিছে কণী।
ৰৰাকৈ ধানৰে　　নৰা ঐ মণিৰাম
ৰৰাকৈ ধানৰে নৰা ;
মণিৰাম দেৱানৰ　　অমঙল মিলিছে
ওলাল নেজলগা তৰা।
বাৰীতে বগৰী　　লাগিল ঐ মণিৰাম
বাৰীতে বগৰী লাগিল ;
মণিৰাম মৰিবৰ　　নহল চাৰি দিনে
টেকচি থাজনা লাগিল।
একালে বহিছে　　হেন্দুৰে কলিতা
একালে বহিছে আহোম ;
তাৰে মাজতে　　মণিৰাম বহিছে
ককালত আভোলা সোণ।
বাৰীতে সুকৰি　　এদা ঐ মণিৰাম
বাৰীতে সুকচি এদা ;
সাতোটা গেৰাজৰ　　চিপাহী আহিছে
দিছে মণিৰামক খেদা।
ৰীতি খেলাৰবে　　চিঠি ঐ মণিৰাম
ৰীতি খেলাৰবে চিঠি ;
গেলেকি গেৰাজৰ　　চিপাহী আহিছে
দিছে মণিৰামক চিঠি।
উজাই গৈছিলে　　মণিৰাম দেৱানে
বাটত কিনি খালে আথৈ ;
থৰকৈ যোৰাগৈ　　বমৰ মাকক কোৱাগৈ
মূৰত নলগাব কাকৈ।
সোণৰ থোৰাথোৰাত　　থালি ঐ মণিৰাম
ৰূপৰ থোৰাথোৰাত থালি ;
উজানি বাজলৈ　　ওলাওঁতে মণিৰাম
ডিঙিত চিপে জৰী ললি।
ভাটীলৈ ভটিয়াই　　মণিৰাম ওলালে
বাটত কিনি খালে জৰা ;
থৰকৈ যোৰাগৈ　　বমৰ মাকক কোৱাগৈ
কোচতো নলব লৰা।
ভাটীলৈ ভটিয়াই　　মণিৰাম ওলালে
বাটত মাৰি খালে এন্দুৰ ;
থৰকৈ যোৰাগৈ　　বমৰ মাকক কোৱাগৈ
কঁপালত নলব সেন্দুৰ।

•　　•　　•

মণিৰাম মৰিলি　　ভালকো কৰিলি
পোৱালী মাৰিলি কিয় ?
সেইনো কথা শুনি　　ৰংপুৰ আমোলাৰ
আকাশে উৰি গল জীৱ।

ওপৰোক্ত কথা আৰু গীতখিনি ৮০।৯০ বয়সীয়া কেবা-গৰাকী বুঢ়া আৰু বুঢ়ীৰ মুখত শুনিছেলো। আৰু সেই মতেই ইয়াত লিপিবদ্ধ কৰা হল। তেওঁসকলাকে ৺মণিৰাম দেৱানৰ জীৱন কাহিনী মোক ভালেখিনি কৈছিল।

সঁচাকৈয়ে, ৺মণিৰাম দেৱানৰ জীৱন-কাহিনী শুনিলে আমাৰ চকু পানী ওলায়। যেতিয়া গাঁৱলীয়া নিৰক্ষৰ বিহুৱা ডেকাই নৈয়ে-পৰ্ব্বতে, পথাৰে-সমাৰে, ককণ সুৰত ৺মণিৰাম দেৱানৰ গীতবিলাক গায়, তেতিয়া বাটৰ বাটকৰা সকলোৰে এখন্তেক ৰ লাগি চকুলো টোকে আৰু বিষাদৰ একোটি 'আই ঐ দেহি!' হুমুনিয়া কাঢ়ি গুচি যায়।

শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকন।

---



# সগুণ—নিৰ্গুণ উপাসনা

মৃগনাভ হৰিণৰ যেতিয়া হৃদয় কস্তুৰি ফুলি উঠে, তেতিয়া সি তাৰ গোন্ধত আমোদিত আৰু আকুল হৈ পৰে, আৰু বন-বনান্ত পৰ্ব্বত-প্ৰান্তৰ সেই প্ৰাণ-বিনোদক বস্তুৰ অন্বেষণত ঘূৰি ফুৰে; কিন্তু সি বুজি নাপায় যে সেই আৰাধ্য ধন বনত নহয় মনত হে,—

'বাঁশী বাজে! সখি, বনো মাঝে কি মনো মাঝে?'

ঠিক সেইদৰে মানুহৰ হিয়াত যি ফুল ফুলি আমোলমোলায় তাৰ স্বৰূপ বাহিৰত নাই, বাহিৰত মাথো সেই ফুলৰ ছাঁ পৰে। তথাপি সেই ছাঁই থাই বস্তুৰ অস্তিত্ব সূচাই দিয়ে। সেইদেখি মানুহ প্ৰাণ পোনতে কি বিষয়ৰ দ্বাৰা আকৃষ্ট হয়, যি মানুহৰ মন জয়ে জয়ে বিমোহিত কৰে, সেয়ে হৈছে সৌন্দৰ্য্য, সেয়ে ৰূপ, সেয়ে গুণ। এই সৌন্দৰ্য্য পূজাই আৰ্য্য-সকলৰ সূৰ্য্য, উষা আদি দেৱতাক উপাসনা, এই-খিনিতেই ধৰ্ম্মৰ পাতনি,—অৰ্থাৎ সগুণ উপাসনাতেই ধৰ্ম্মৰ আৰম্ভ। এয়ে বৈদিক যুগ। আৰ্য্যসকলে প্ৰকৃতৰ সৌন্দৰ্য্যশালী, শক্তিশালী যত স্থূল বস্তু দেখিলে সকলোকে পূজা কৰিলে; নেদেখা বস্তুৰ কথা তেতিয়া তেওঁলোকৰ মনলৈ নাহিল।

এই যুগ লাহে লাহে যাবলৈ ধৰিলে—তেতিয়া আৰ্য্যসকলৰ মনলৈ আহিল যে এই যে সৌন্দৰ্য্যশালী, এই যে শক্তিশালী প্ৰকৃতিৰ সম্পদবোৰ তাত কৰ সৌন্দৰ্য্যৰ ছিটিকনি পৰিছে? যিমানে ভাবিলে, সিমানে তেওঁ-লোকৰ মনে নতুন মোহৰ মদিৰা পিলে। তেতিয়া তেওঁলোকৰ চিন্তা আৰু কল্পনা দেখা ৰাজ্যৰপৰা নেদেখা ৰাজ্যলৈ যাবলৈ ধৰিলে; তেওঁলোকে "আকাশত পাতি কাণ, শুনিলে সুশুনা গান।" তেওঁলোকৰ তেতিয়া সকলো স্থূল বস্তুৰপৰা মন এক সূক্ষ্মাতিসূক্ষ্ম "অবাঙ্মনসগোচৰঃ" কাৰণ বস্তুৱে আকৰ্ষণ কৰিলে। সেয়ে উপনিষদৰ 'ব্ৰহ্ম"। ইয়াতে নিৰ্গুণ উপাসনাৰ পাতনি।

সম্প্ৰতি হিন্দুৰ উপাসনা পদ্ধতিত এই দুই প্ৰণালীৰে প্ৰাধান্য আছে। কিন্তু প্ৰচলনত সগুণ উপাসনাৰ প্ৰতিপত্তি যিদৰে সৰহ, আদৰ্শত সেইদৰে নিৰ্গুণ উপা-সনাৰ মহত্ব অধিক। গীতাৰ ঈশ্বৰবাদত সগুণ আৰু নিৰ্গুণ দুই প্ৰকাৰৰে উপাসনাৰ ৰীতি দেখা যায়। মুঠ কথা, ভক্তৰ ভগৱান সদায় সগুণ. তাৰ পাছত ভক্তিপন্থাত আগুৱাই যেতিয়া উপাস্য, উপাসনা আৰু উপাসক এক হব পাৰে, তেতিয়াহে নিৰ্গুণৰ উপলব্ধি কৰিব পাৰি।

শ্ৰীডিম্বেশ্বৰ নেওগ

---

# সিংহদ্বাৰৰ সিংহমূৰ্ত্তি আবিষ্কাৰ

পুৰণি ৰংপুৰৰপৰা ২॥ মাইলমান পূবে মেচাগড়ৰ সোঁমাজত প্ৰতাপসিংহ স্বৰ্গদেৱে এখন পকী দুৱাৰ সজাইছিল। এই দুৱাৰেদি সোমাইহে মানুহে ৰাজ নগৰ বা কাৰেং পাইছিল। এই দুৱাৰৰ ওপৰত দুটা সিংহৰ সদৃশ শিলৰ মূৰ্ত্তি বহুৱাই থোৱা হৈছিল। পিছে, কালত সকলো দুৱাৰ ভাগি ছিগি সিংহৰ মূৰ্ত্তি দুটা মাটিত পোত খাই গল। আজি বেছি দিন হোৱা নাই, সেই অঞ্চলৰ ৰাইজে গড়টো সেই অংশ ভালকৈ আবিষ্কাৰ কৰোঁতে তাত শিলৰ সিংহমূৰ্ত্তি দুটা ওলাই পৰে। মূৰ্ত্তি দুটা চাবলৈ ভালেখিনি ঠাইৰ মানুহ আহিছিল। ত'ৰে এটা মূৰ্ত্তি কিবা কাৰণত ভাগে। আনটো ভালহৈ আছে। এ'টা ডাঙৰ শিল কাটি মূৰ্ত্তিটো তৈয়াৰ কৰিছিল। শিলছটা দীঘলে প্ৰায় ৩ হাতমান আৰু বহলে ১॥ হাতমান হব। মূৰ্ত্তিটো দেখিবলৈ বৰ ধুনীয়া। হিৰণ্যকশিপুক বধ কৰিবলৈ ঈশ্বৰে যি নৰসিংহ মূৰ্ত্তি ধৰিছিল, ঠিক তাক চালেই মূৰ্ত্তিটো চাব নেলাগে। ইয়াত কিন্তু আঁঠুকঢ়া ভাগত দিছে, আৰু হাত দুখন দুটা আঁঠুৰ ওপৰত ভেজা দি থোৱা হৈছে। হাত দুখনত খনে দুডাল দুডাল মুঠ চাৰি ডাল শিলৰ ফুল-বছা বালা পিন্ধোৱা আছে। তাৰ ওপৰত খনিকৰে এনে ভাবে সোণ খটাইছে যে, আজিও ইমান দিন মাটিত সোমাই থকাতো অলপ অলপ সোণৰ দৰে জিলিকি আছে। ডিঙিটো তিনিধাৰ সোণোৱালী মালা এধাৰ সৰু; কোনোমতেহে ডিঙিটো বেঢ়ি আছে। এধাৰ অলপ তাতোকৈ দীঘল; আৰু আন ধাৰ দ্বিতীয় ধাৰতকৈ দীঘল। এই মালাধাৰ গৈ পেটৰ নাইৰ ওপৰত পৰিছেগৈ। মূৰ্ত্তিটোৰ বুকুখন অলপ বহল। ককালটো অলপ চিঁয়া। হাত দুখন ঠিক বান্দৰৰ দৰে। দাঁত কেচলা এনেভাবে ওলাই আছে যে, পোন প্ৰথমে সৰু লৰাই দেখিলে ভয়কে খাব। খনিকৰ জনে এনে ভাবে মূৰ্ত্তিটো শিলত কাটিছে যে, তাৰ কোনো অংশকে কোনেও বেয়া বুলি কব নোৱাৰে। তাত অলপো খুঁত নাই। যি ভাবে থাকিব লাগে সেই ভাবেই ৰাখিছে। এতিয়া মূৰ্ত্তিটো এজন সোণাৰীয়ে নি ঘৰত বৰ যতনেৰে ৰাখিছে। মূৰ্ত্তিটোৰ মাটি বালি গুচাই, ধুই পখালি দিলত দেখিবলৈ আৰু ধুনীয়া হৈছে।

এনে সুন্দৰ মূৰ্ত্তি আদি পাহৰণিৰ গৰ্ভত বা মাটিয়ে বালিয়ে কত সোমাই আছে তাক কোনে কব! ভালেটিহে অসমীয়া কবিয়ে বেজাৰত গাইছে—

"কোৰা পাহৰণি তোমাৰ পেটত
কতনো ৰাখিছা বুৰঞ্জী সুমাই;
চিন্তিলে এবাৰ মৰো পুৰিদেই
কত জাতি কীৰ্ত্তি খালা গিলি হায়!"

সঁচাকৈয়ে অতি সকৰুণ! অসমৰ ঠায়ে ঠায়ে, বিশেষকৈ যত আহোম ৰজাই বা ৰাজবংশৰ পৰিয়ালে বাস কৰিছিল, সেই ঠাইবোৰত কিমান মূৰ্ত্তি, তামৰ ফলি আদি মাটিৰ তলত লুপ্ত হৈছে, তাক ভাবিলে সঁচাকৈয়ে বেজাৰ আহে। যি জাতিয়ে, যি ৰজাই, সাতশ বছৰ একেলেঠাৰিয়ে অখণ্ড প্ৰতাপেৰে ৰাজ্য চলাইছিল, আজি সেই ৰজা, সেই জাতিৰ বিষয়ে বৰ্ত্তমান আমি তেনেই অজ্ঞ। অলপ-অচৰপ জনাটো কোনো কথা নহয়। সেই দিনৰ ৰজাই কৰি থৈ যোৱা নানা দ'ল-দেৱালয়, পুখুৰী আদি ধ্যানমগ্ন যোগীৰ দৰে লুৰ্ক্ষ লুঠুং হৈ পৰি আছে। যি ৰংঘৰ, কাৰেংঘৰ, ৰজা মন্ত্ৰী আৰু দাস দাসী আদিৰ হাঁহি খিকিন্দালিত উৰি যাওঁ, উৰি যাওঁ হৈছিল, আৰু যি দ'ল দেৱালয়বিলাকত দিনে-ৰাতি অসংখ্য পূজাৰিয়ে শঙ্খ ঘণ্টা, ৰৰতাল-কাঁহ, ঢোল-মৃদঙ্গ আদি বজাই ঈশ্বৰ-উপাসনা কৰিছিল, আজি সেই অতীতৰ আনন্দ ভুৱন নাই; মাত্ৰ, তাৰ পৰিবৰ্ত্তে আছে নিৰ্জ্জনতা, গম্ভীৰতা আৰু পথিকৰ চকুলো কঢ়া সেই বিষাদৰ একোটি চাৱন! এয়ে কালৰ কুটিলা গতি! "তেহি নো দিৱসা গতাঃ?" আজি সেই দিন কত? প্ৰতিধ্বনিয়েও সুধিছে—"কত?"

শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকন



---

# ৰৰবকৰাৰ ভাবৰ বুৰ্বুৰণি

আজি পুৱাৰেপৰা ৰৰবকৰাৰ মনত বৰকৈ বুৰ্বুৰণি উঠিছে; কিয় কব নোৱাৰোঁ। শাস্ত্ৰত লেখিছে—

"ব্ৰহ্মায়ে প্ৰাৰ্থিলা দেখি পৃথিবীৰ ত্ৰাস।
হৈলা হৰি দৈবকীৰ উদৰত বাস॥"

ৰৰবকৰাৰ মানত ব্ৰহ্মাতকৈও ডাঙৰ ৰৰবকৰানীয়ে কাৰো ত্ৰাস দেখি ৰৰবকৰাক প্ৰাৰ্থনা কৰি সৰ্ব্বদুখহাৰী হৰিৰ অভাৱত, কালি ৰাতি কোনো অজীৰ্ণ-পাতকী পপীয়া অখাস্তক ৰৰবকৰাৰ উদৰত বাস লবলৈ দিয়াটো ৰৰবকৰাৰ মনত নপৰে দেখোন। তেন্তে এনে হল কিয়? তোমালোকে কব পাৰা যদি কোৱা; নোৱাৰা যদি মনে মনে থাকা। বুৰ্বুৰণিয়ে লোকৰ কোৱাকুইলৈ অপেক্ষা নাৰাখে। সি সতকাই দমি যাবৰ পদাৰ্থও নহয়।

বুৰ্বুৰণি আকৰ মাজত এটা ৰবমুৰীয়া দেখা গল। যাক তোমা-আমাৰ নিচিনা এবুৰি আদবুৰিয়ে মাৰ যা বুলিলেও মাৰ নাযায়; আঁতৰ যা বুলিলেও আঁতৰি নাযায়। এতেকে Fact is fact, আৰু বুৰ্বুৰণি বুৰ্বুৰণিয়েই। কোনোবাই প্ৰশ্ন কৰিব পাৰে যে ৰৰবকৰা ডাঙৰীয়াৰে সৈতে ৰৰবকৰানীৰ কিজানি অলপ খকা-খুন্দাই লাগিছিল, যাৰ ফলত এই ভব্যগব্য গাৱাল বৰ্বুৰণিৰ জন্ম। উত্তৰত কবলৈ বাধ্য যে সেইবোৰ একো নহয়। তাহানি কাকতত পঢ়িছিলোঁ, ৰজা খিতাপ পোৱা বৰ্দ্ধমানৰ ডেকা জমিদাৰে তেওঁৰ দৰবাৰ সভাত উঠি বক্তৃতা দিওঁতে কৈছিল হেনো, যে "My relation with the British Raj is cordial." অৰ্থাৎ বৃটিশ সাম্ৰাজ্যৰে সৈতে মোৰ সম্বন্ধ হৃদ্য। বৃটিশ গবৰ্ণমেণ্টৰ অৱশ্যে বৰ্দ্ধমান ally অৰ্থাৎ সন্ধিসূত্ৰেৰে বান্ধখোৱা মিত্ৰৰাজ্য নহয়। কিন্তু মিত্ৰৰাজ শক্তিৰে সৈতে অৰ্থাৎ ৰৰবকৰানীৰে সৈতে ৰৰবকৰাৰ সম্পৰ্ক সঁচাকৈয়ে cordial, অৰ্থাৎ সুখকৰ আৰু সহায়ক। মুঠতে দুইৰো ভিতৰত উভয়া মুঠেই নাই। তেন্তে? তেন্তে ফেন্তে কি? বৰ্বুৰণি তো বুৰ্বুৰণিয়েই বুলি কৈ আহিছোঁ। সি ৰৰবকৰাৰ দৰে স্বাধীনতা হীন নহয়; তাৰ মন গলেই সি উঠিল। ভাঠকৈ কোৱা উচিত যে মিত্ৰৰাজশক্তিৰে সৈতে ৰৰবকৰাৰ মনোমালিন্যতো দূৰৰ কথা, ঘনিষ্ঠতাহে। মিত্ৰশক্তিৰ অনুগ্ৰহতে ৰৰবকৰাই গাধুবলৈ যাওঁতে তিয়নী, চুৰিয়াখন পাইছে; গাধুই উঠি তেওঁ দেখিছে যে গামোছাখনো মিত্ৰশক্তিৰ হাততে, আৰু ওপৰঞ্চি ৰঙা পাটৰ চুৰিয়াখনো কান্ধতে; ভাত খাই উঠাৰ পিছত মুহদিখনো বঁটাতে; হুপৰীয়া চিল্-মিল্‌কৈ শুবলৈ যাওঁতে গাৰুটো আৰু এবিয়াৰ চেলেংখনো যথাস্থানতে; শুই উঠি হামি মাৰ নোযাওঁতেই চাহবাটী আৰু তাৰ সঙ্গী জলপানটোও আগতে;—তথাপি তুমি কবলৈ সাহ কৰিবানে যে ৰৰবকৰা আৰু মিত্ৰশক্তিৰ মাজত মনোমালিন্য?

কাৰণটো বাহিৰত নহয়, ৰৰবকৰাৰ মনৰ ভিতৰতহে; আৰু সি "বেতাল পঞ্চবিংশতি"ৰ বেতালতকৈও আওবেতাল। কওঁ শুনা! বুৰ্বুৰণিয়ে মোক প্ৰশ্ন কৰিছে:—মানুহ জীয়াই থকাটো ভাল নে, মৰাটো ভাল?

প্ৰশ্নটো মহা আহুকালৰ নহল নে? জীৱন-মৰণৰ ওপৰত এনে প্ৰশ্ন! জুলুকীটো হাতত লৈ, ঘৰৰ কাষৰ বিলৰপৰা দুটা পুঠীমাছ বা খালৈভাঙী মাছ ধৰি অনাৰ

নিচিনাটো ই নহয়, যে সুধিলেই তাৰ উত্তৰ থিয়ৈ থিয়ৈ দিব পাৰি। মোৰ বুবুৰণিটো জানিবা মোৰেই হল সেই বুলি সি মোক কাষতে পাই এনে প্ৰশ্ন কৰিব পাৰনে? সি মোক ভাবে কি? মই তাৰ বহতীয়া নহয় যে মন গলেই সি তাল বেতাল যিহকে পায় তাকে মোক সুধিব, আৰু মই দেউতা, হজুৰ, খোদাবন্দ বুলি তাক তাৰ উত্তৰ দিব লাগিব।

যি হওক, মোৰ পাঠকসকলে যদি মন যায়, প্ৰশ্নটোৰ উত্তৰ দিব পাৰে; মোৰ পক্ষে কিন্তু ই বিষম সমস্যা। মই হলে কেতিয়াবা কেতিয়াবা ভাবোঁ, যে মৰাই ভাল। আকৌ একো একোবাৰ ভাবোঁ জীয়াই থকাই ভাল। কাৰণবোৰৰ কিছুমান কৈ দিও শুনা।

যেতিয়া দেখোঁ, যে ওৰে দিনটো কামকৰি খাটিখুটি আহিছোঁ, অথচ লগুৱাই ধপাত এচিলিমকে সজাই দিয়া নাই; ঘৰৰ ঘৈণীয়ে কি কাৰণত কব নোৱাৰোঁ, মুখখন ওন্দোলাই ওফোন্দাই বহি আছে; পুৱা ডাড়ি খুৰাবলৈ তপত পানী দিওঁতে লগুৱাই পলম কৰিছে; চাহৰ মেজত থকা এধা সিজা কণীত আলুকৰ গুড়ি আৰু লোণ পৰা নাই; এশত চাৰি টকা আঠ অনা দি কিনা চেলেউত জুই ধৰাবলৈ জিয়াচলিৰ আদাখিনি খৰচ হৈছে, তথাপি সি ভালকৈ জ্বলা নাই, টানোতে টানোতে মুখ বিষাইছে; কুকুৰটোৱে বিনা কাৰণত ভৌ ভৌ কৰি সি যে কাজুৱা সেইটো প্ৰচাৰ কৰিছে; আগত মেকুৰীৰ সমাগম নাই, অথচ শালিকীজনীয়ে চেকচেকাই কাণৰ কণামাকৰী সৰাইছে; লগুৱা লগুৱানীয়ে নিজৰ দোষ ঢাকিবলৈ গিৰিহঁতনীৰে সৈতে মিছাতে উত্তৰা উত্তৰি কৰিছে; গুৱালটোৱে বেয়াকৈ বন্ধা পঘাডাল ছিঙি গৰু পোৱালিটোৱে ৰাতিয়েই গাইজনীৰ গাখীৰ খাই সাং কৰি থৈছে; মেটোৰণীজনীয়ে কামত আওহেলা কৰি ঘৰৰ চাৰিউকালে জাবৰ দমাই থৈ, নেপেলাই, পদূলি মুখত কাৰবাৰে সৈতে চুপতি মাৰি আছে; শাকনিত গৰু ছাগলিয়ে জেওৰা চকোৱা ভাঙি সোমাই শাক-পাচলি খাই তহিলং কৰিছে; ফুলনিত ভাল গোলাপফুল জোপাত পোকে ধৰি তাক মাৰিব লগীয়া কৰিছে; ঘৰৰ ভিতৰত থকা কাপোৰৰ জপা আৰু পেৰাত থকা ভাল ভাল কানি-কাপোৰবোৰ উয়ে খাই নষ্ট কৰিছে; মিথ্যা মাতেৰে ধাৰ দি তিতা মাতেৰে ৰাছিল কৰিবলৈ অহা পাওনাদাৰে ধাৰ সাধিছে; ধৰুৱাই দিব লগীয়া ধন নিদি মৰিয়াৰ দৰে টাংবাং কৰিছে; উঠনাকৈ বস্তু খাবলৈ দিয়া কেঞ্চাই হাতত "খাতাবহি" লৈ চৰাঘৰৰ চকিত বহি গপ্ গপ্‌কৈ কথাকৈ উঠনাকৈ বস্তু অনাজনক অপমান কৰিছে; সময় অসময় সুবিধা অসুবিধা একোলৈকে ভ্ৰূক্ষেপ নকৰি মৌজা-দাৰে বাকী পৰা খাজনাৰ নিমিত্তে টানকৈ তাগাদা কৰিছে; ইন্‌কম্ টেক্সৰ নটিছ, মিউনিছিপেলিটিৰ নটিছ ইয়াৰ নটিছ তাৰ নটীছে জুমুৰি দি ধৰিছে; তাৰ উপৰি মহে কাণৰ কাষত কোন্‌কোনাই ফুৰিছে; চকিত বহি থাকোতে উৰহে চুৰিয়া ভেদি কুটুৰ কুটুৰ কামুৰিছে; আমগছৰ তলত ফুৰোতে আমৰলি পৰুৱা এটাই কেনেবাকৈ পট্‌লুঙৰ ভিতৰত সোমাই যতে ততে কামুৰি ফুৰিছে; লৰি থকা দাঁতৰ বিষে অস্থিৰ কৰি পেলাইছে; টেঙা এচকল খাওঁতেই দাঁত টেঙাই গৈছে; ৰেলত আহোঁতে চকুত কয়লাৰ গুৰি পৰি চকুটো খচখচাই ৰঙা পৰিছে, তথাপি খচখচনি মৰা নাই; ইফালে দেহৰো অৱস্থা ভাল নহয়, কাৰণ কোষ্ঠশুদ্ধি আজি তিনি দিন হোৱা নাই; এইবোৰৰ উপৰি ডাকৰ চিঠিয়ে পোৱাৰ আনন্দত ব্যাঘাত জন্মাই তাৰ উত্তৰ দিব লগীয়াত পেলাইছে ঘৈণীয়ে ভাত ৰান্ধিবলৈ গৈ গেৰেহা খৰিৰ ধোঁৱাত চকু ৰঙা কৰি পানী টুকি ওলাই আহিছে; মুখখন ভাল কৰিবলৈ বুলি লোকে দিয়া তামোল এখন খোৱাত তাত থকা চুণে জিভা ডাকি পেলাইছে; ঘৰত চাউল নাই, মেৰতলিত পইচা নাই, লৰা-ছোৱালীযে ভোকত কলমলাই ফুৰিছে; লোকৰ লৰাক গাখীৰ খোৱা দেখি দ্ৰোণাচাৰ্য্যৰ পুতেকেও গাখীৰ খাবলৈ বেচ ধৰি কান্দিছে; আচাৰ্য্যানীয়ে আদৰীয়া আচাৰ্য্যৰ মুৰৰ পকা চুলি আদৰ কৰি দিনৌ যিমান তুলিছে, পিছদিনা দুগুণ পকি তোলাবলৈ প্ৰস্তুত হৈ আছে; এবছৰৰ আগতে সিবেলি জাৰকালি কৰোৱা ছাগলোমৰ ফটুৱাটো এইবেলি আচাৰ্য্যই পিন্ধিবলৈ গৈ দেখে যে গাত নোখোৱা হৈছে;



স্বৰাজ পাব বুলি বাট চাই থাকোতে কোটোৱালৰ লাঠিৰ কোব খাই স্বৰাজিষ্টৰ মূৰ ফাটিছে; বুঢ়ৰামে ৰাতি তিনি চাকি তেল পুৰি ইমান পৰিশ্ৰম কৰি লিখা কবিতাটো "পোহৰী" কাকতৰ সম্পাদকে নপঢ়ি বা চেলেং পেটেংকৈ পঢ়িয়েই ফটা কাকতৰ পাচীত পেলাইছে; জীয়াই থাকোতে আজ্জেঁান খাম, মৰিলে পিণ্ড পাম বুলি ইমান দুখকৈ তোলা লৰাটো কালি নিৰুদ্দেশ হৈছে; যাওঁতে আওহতীয়া ঠাইত মটৰ গাড়ীখনৰ "টায়াৰ টিউব" ফাটি আৰোহীক আহুকালত পেলাইছে ইত্যাদি ইত্যাদিবোৰ যেতিয়া আৰু হৈছে, তেতিয়া ঠিক ভাবোঁ যে মানুহ মৰি যোৱাই ভাল। মৰি গলে সকলো লেঠাৰ হাত সৰা যায়। মৰে যি, সাৰে সি।

আকৌ যেতিয়া দেখোঁ;—হাতলৈ মুঠিয়ে মুঠিয়ে ধন আহিছে; ভঁৰালত গহীধান আৰু গুটি ধানেৰে ভঁৰাল ভৰি পৰিছে; শাকনিত শাক-পাচলি, ফুলনিত ফুল, আৰু ফলৰ বাগিচাত মো'ক চা মোক চা কৰিছে লৰাই ছুৱালীয়ে ঘৰখন জয়জয় ময়ময়; গা নীৰোগী; দিনৌ মাছ ভাত মঙহ পৰমান্নৰে ভোজন চলিছে; বোৱাৰী জীয়ৰী একো একোজনী জানিবা ৰুক্মিণী সুভদ্ৰাহে; লগুৱা লিগিৰীয়ে প্ৰাণ দি ঘৰৰ কাম কৰিছে; বাৰীৰ ভিতৰৰ পুখুৰীত বৰশী পেলালেই, পুঠী, কাৱৈ, শিঙৰা, কান্ধুলী টপ্‌টপকৈ উঠিছে, আৰু সেইবোৰ আনি ৰান্ধনীৰ আগত পেলাই দিয়া মাত্ৰকতে তেও ভাজি তপতে তপতে খাবলৈ দিছে; ঘামকালি খাল-ডোং সিচি ধৰি আনি দিয়া গৰৈ মাছৰ টিলা কেইটা ততালিকে তেখেতে পুৰি তাত বগৰিগুৰি আৰু গুকান খৰিচা সানি পইতা ভাতেৰে সৈতে আদৰ কৰি খাবলৈ দি ওচৰতে থিয় হৈ বিচনী লৈ বিচিছে; ডাঙৰীয়াৰ মঙ্গলৰ অৰ্থে গোপিনী সৰাহ পাতি ডাঙৰী-য়ানীয়ে আঠু কাঢ়ি সেৱা কৰি আশীৰ্ব্বাদ লৈছে; বাহিৰৰ মানুহৰ আগৰ তৰপে ডাঙৰীয়াক দেউতা বুলি সেৱা আৰু আজিৰ তৰপে হজুৰ বুলি "চালাম" কৰিছে; জিয়াৰ বৰ ছাহাব ছোট ছাহাবে ৰায় বাহাদুৰ ফায়-বাহাদুৰ এনে কিবা এটা বুলি সমন্ধ ধৰি সন্মান কৰিছে; ঘৈণীয়ে মুখখন এপাচিমান কৰি নোফোন্দাই হাঁহি-মুখেৰে কথা কৈছে, অধিকন্তু মূৰৰ পকা চুলি তুলি আৰু পিঠিৰ ঘামচি মাৰি দিছে, আৰু আঠুৱাৰ ভিতৰৰ দীঘল বক্তৃতা স্থগিত ৰাখি, "অ মোৰ দেহ লাও!" "অ মোৰ প্ৰাণ!" এনে জাতৰ কথা কৈ আদৰ কৰিছে; আৰু কেনেবাকৈ কোনোবা সুৰুঙাইদি আঠু-ৱাৰ ভিতৰত সোমাই কানৰ কাষত কোন্‌কোনোৱা মহটোক চাকি এটা আনি বিচাৰি মাৰি দি গিৰিয়েকৰ সন্তোষ, নিদ্ৰা আৰু নাসিকা গৰ্জ্জনৰ ত্ৰিবেণী সঙ্গম ঘটাই দিছে; আৰু যেতিয়া ভাৰতবাসীয়ে স্বৰাজ পাই Heavenborn Service অৰপৰা আৰম্ভ কৰি ডিপুটি-লৈকে নোদোকা দৰ্ম্মহা আৰু "বাৰ-হাত-জালৰ-তেৰ-হাত-ফটা, ভাল মাৰিলি বাপৰ বেটা"ৰ শ্ৰেণীৰ টি, এ, অৰ্থাৎ "ট্ৰেভেলিং এলায়েঞ্চ" অৰ্থাৎ মফস্বলত ভোজ খোৱা আৰু মৃগয়াদি চৰকাৰী কাম কৰি ফুৰাৰ "ভাট্টা"ক সবংশে নিৰ্ব্বংশ সাধন কৰিছে; এশ টকা ৰাজহৰ ভিতৰৰ তিনিকুৰি টকা ৰণুৱা-বন্দুৱা বিভাগৰ নিমিত্তে, আৰু কুৰি টকা ঘামকালি পৰ্ব্বতবাস আৰু বিদেশীয়ে ধৰ্ম্ম প্ৰচাৰৰ নিচিনা এশ এটা লাগতিয়াল কামত খৰচ কৰিব নোৱৰা হৈছে; বেআইনী আইন কৰি তাক মনাবলৈ কোটোৱালৰ টাঙোনৰ আৱশ্যক গুচিছে; ৰামক মহম্মদৰ বিৰুদ্ধে আৰু মহম্মদক ৰামৰ বিৰুদ্ধে ফেটাই দিয়া কাৰ্য্যবোৰৰ অন্ত পৰিছে; বতৰ আৰু স্থান ভেদত হোৱা বৰ্ণ বৈষম্যৰ নিমিত্তে এক বৰণীয়াই আন বৰণীয়াৰ ওপৰত টিংখপ মৰাটোৰ ওৰ পৰিছে; আৰু এনেবিধৰ ইত্যাদি ইত্যাদিবোৰ যেতিয়া সংস্থাপিত হৈছে, তেতিয়া ভাবোঁ আৰু ভাবিম,—নমৰাই ভাল। কাৰণ মৰি কোনো "ফয়দা" নাই।

বাইজে কি বোলে, সেইটো জানিলেই বৰবৰুৱাই সেই মতেই মৰা জীয়াৰ গাঁঠিটো মুকলি কৰি দি তাৰ ভিতৰস্থ বস্তুকেৰা তেওঁৰ বুবুৰণিক দান কৰিবলৈ প্ৰতি-শ্ৰুতি দিলে।

ক্ৰমশঃ

# শঙ্কৰদেৱ

আঁউসীয়ে ঢাকি ধৰা আন্ধাৰি অসম
পোহৰালা পূৰ্ণতেজে শঙ্কৰ-ভাস্কৰ ;
গঢ়িলা সমাজ-নীতি,—ধৰ্ম্ম-শিক্ষা দীক্ষা
মুমূৰ্ষু পুত্ৰক দানি ধাৰা অমৃতৰ।
মুহূৰ্ত্তে পেলালা ব্যাপি গোটেই জগত
অহিংসা পৰম ধৰ্ম্ম—সত্য-সনাতন ;
বান্ধিলা ধৰ্ম্মৰ ভেঁটি, সাহিত্য-ৰসেৰে
নানা গ্ৰন্থ যুক্তিপূৰ্ণ—দশম-কীৰ্ত্তন

সৰগৰপৰা আনি অমৃতৰ নই
বোৱালা ই জগতত হৰি-নাম-ৰসে ;
উঠিব মৃত্যুৰপৰা, সঞ্জীৱনী পাই—
লাখ লাখ নৰ-নাৰী পূৰ্ণ তত্ত্ব যশে।
ঈশ্বৰৰ অংশ লই জন্মিলা ধৰাত ;
লোৱাঁদেৱ ! দুখীয়াৰ ক্ষুদ্ৰ প্ৰণিপাত।

শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকন

---

# মোৰ মাতৃমুখ দৰ্শন

( ৪ )

অক্টোবৰ মাহৰ ১৫ তাৰিখে ডিবুকগড় এৰি শিৱসাগৰলৈ যাবলৈ ওলালোঁ। বাহন মটৰগাড়ী। ৰথখন আমাৰ জোঁৱাই শ্ৰীমান ৰোহিণী কুমাৰ বৰুৱা বোপাৰ, আৰু সাৰথিও তেৱেঁই। যাত্ৰী—মই, মোৰ সহধৰ্ম্মিনী, মোৰ ছোৱালী দুজনী আৰু শ্ৰীমান যতীন্দ্ৰ নাথ দুৱৰা,—যাৰ কবিতাৰ তলত নামৰ ক্ষুদ্ৰ তাঙৰণ ছপা হৈ ওলায়—যদু। যদু কবি এদিনৰ আগতে ভটংকৰে ডিবুকত ওলাইছিলগৈ, সম্ভৱতঃ চুম্বকৰ টানত আৰু সেই চুম্বকডোখৰো সম্ভৱতঃ ময়েই। নহয় যদি, তেওঁ কওক, মই মোৰ দাবি এৰি দিম। যদিও আমাৰ ডিবুকগৰ বাস অধ্যায়ৰ "কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে"ৰ সময়ত যদু উপস্থিত হৈছিলগৈ, তথাপি ভগা সৰাহত ওলোৱা তেওঁকো আমি সন্তোষৰ মলা চক বিলোৱাত ক্ৰুটি কৰা নাছিলোঁ। আমাৰ শিৱসাগৰ মুখীয়া যাত্ৰাত তেওঁকো লগত লোৱা গল ; কাৰণ তেওঁৰো তো ওভোতনি সেই ফাললৈকে। আমাৰ মটৰ গাড়ীত তেওঁলৈ ঠাই নাছিল বুলিলেই হয়। কিন্তু ঠাই নহলে কি হব, তেওঁক তো নিবই লাগিব। মজিয়াত ঠাই নাথাকিলে লাগতিয়াল বস্তুক বাৰৰ হাঁকোটাত আৰি থোৱা হয়। তেনেকুৱা কিবা এটা দিহা কৰি যদুক আমাৰ লগত লোৱা গল। দীঘলীয়া বাটত কবি এজন লগত থাকিলে বাটৰ শ্ৰম কমে বুলি মোৰ বিশ্বাস। তোমাৰ গা বাইজাই কৰিলে, কবিৰ কাব্যৰ পুঙৰপৰা এটা উহ্ ওলালেই সি তোমাৰ গাৰ বাইজাই গুচাই দিব। বাটত যাওঁতে যাওঁতে তোমাকো যদি কেনেবাকৈ কবিতাই পায়, একো কথা নাই, কবি হাতে-চুকি পোৱাতে আছে, তুমি কবিতাৰ সকস্থা ফোৰোহনি এটা নিৰ্ভয়ে মাৰি দিব পাৰা, তোমাৰ ফোৰোহনিয়ে কবিৰপৰা ততোধিক সুস্ৰাৱা ফোৰোহনিৰে উজাৰ থুৱাই দিব। কোনে কব পাৰে কাৰ কেতিয়া কেনে অৱস্থা ঘটে ?—যদি বাটত তোমাৰ কবিতাৰ হামি উঠিল ; ভয় কি ? কবি লগতে আছে। তেওঁ বসন্ত, মলয়া আৰু কুলি এই তিনটি পুৰাতন কাব্যৰ উপাদানক তিনি টিলিকি মাৰি মাতি



দি তোমাক পতি কৰিবলৈ লগাই দিব। হামিৰ পিছত যদি কেনেবাকৈ হেকটি আহিল, তথাপি ভয় নাই, তেওঁ তেওঁৰ চোলাৰ মোনাত থকা চন্দ্ৰামৃতৰ বৰি এটি তোমাৰ মুখত পেলাই দি সেই হেকটি তেতিয়াই বন্ধ কৰি দিব ; কোনো অনুপানৰে আৱশ্যক নহব। ধৰঁা, যাওঁতে বাটৰ কাষৰ মুকলি ধানৰ পথাৰত যদি কোনো solitary reaper-অক অৰ্থাৎ কঁকাল হৈ হাতত কাচি লৈ অকলশৰীয়াকৈ ধান দাই থকা কোনো থোলোকা দাৱনীক কবিয়ে তাইৰ লোদোৰ পোদোৰ হাতেৰে কপালৰ ঘাম মচি থকা দেখে, আৰু সেই দাৱনী যদি একাদশী দ্বাদশী ত্ৰয়োদশী চতুৰ্দ্দশীৰপৰা পূৰ্ণিমাৰ ভিতৰতে হয়, আৰু পূৰ্ণিমাই বা কিয় ?—কৃষ্ণপক্ষৰ অমাবস্যা পৰ্য্যন্তও হয় ; তেন্তে কবিয়ে তেতিয়াই কবিতাৰ সোৱণশিৰী সৃষ্টি কৰি তাৰ পানীক সোণৰ ৰেণুৰে ৰঞ্জিত কৰি তাৰ বালি ধুই সোণ উলিয়াই দিব। "ওমৰ তীৰ্থ"ৰ যদু কবিৰ পৰা যদিও এনেবোৰ উপসৰ্গৰ আশঙ্কা কম, তথাপি তেনেবোৰ অসংযত কথাই মোৰ অসংযত মনত খেলাইছিল। মনৰ বাঘজৰীডাল ঢিলা হলেই যে এনে অসংযত চেকুৰ মোৰ মনে মেলে, এইটো সদায় মই দেখি আহিছোঁ। এতেকে এনে কথাত উচ্‌পিচালে নচলে। যি হওক, কবিৰ সঙ্গ আমাৰ যাত্ৰাৰ পক্ষে শুভ বুলি ধৰি মই গাড়াত উঠিলোঁ। কবিক অন্তৰ্গত কৰি মটৰ গাড়ীখনে মোৰ দৰেই কিবা ভাবিছিল নে কি কব নোৱাৰোঁ ; আৰু ভাবিছিল যদিও জোখতকৈ নিশ্চয় অলপ বেছিকৈ ভাবিছিল। ফলত আমাৰ থকা ঘৰৰপৰা এপলমান গৈয়েই গাড়ীখনে দুৰ্ভাৱনাৰ অতিশয্যত গোট খোৱা তপত ভাপবোৰ তাৰ চকৰি এটাৰ "ৰবৰ টায়াৰ" এটাই সো-সোকৰে উলিয়াই দিলে। আমি বিমোৰত পৰিলোঁ। শ্ৰীমান ৰোহিণী কুমাৰ বোপাৰ তাল সদায় ঠিক থাকে,—কি গানত, কি কামত। আমাৰ তাল কাটি গৈছিল যদিও, তেওঁৰ নাকাটিল। তেওঁ লৰালৰিকৈ গৈ কিছুমান বেলিৰ মূৰত চকৰিটোত নতুন টায়াৰ এটা লগাই আনি গাড়ীক পুনৰায় গতি প্ৰদান কৰি পুনৰ যাত্ৰা সুৰসুৰীয়া কৰি পেলালে। কথাতে কয়, এবাৰ সাপে খালে কেচুলৈকো ভয় হয় ; এইবাৰ মই সাৱধান হলো, যাতে কবিতাৰ 'ষ্টিম" অৰ্থাৎ ভাপ মোৰ মনত জোখতকৈ বেছি গোট নাখায়। কিন্তু সমস্যা উপস্থিত হল, আমাৰ কবিজনৰ কবিতাৰ ভাৱৰ ভাপত ভেটা দিয়া যায় কেনেকৈ ? তেওঁক খোলাখুলিকৈ কলে কিজানি তেওঁ বেয়াকে পায়। কবিৰ মন কুসুম কোমল মোৰ ধাৰণা, আন ভাপৰ কথাকে নালাগে, কবিৰ মনক তপত ভাতৰ ধোৱাঁয়েই খায়। হাক বচনৰ বিষম ভাপে সেই মনক কোবালে সি যে জয় পৰি যাব তাত বিচিত্ৰ কি ? অলপ-অচৰপ hypnotism অৰ্থাৎ সম্মোহন বিদ্যা মোৰ জনা আছিল। will power অৰ্থাৎ ইচ্ছা-শক্তিকো অলপ-অচৰপ চলাবলৈ শিকিছিলো। তাৰে আশ্ৰয় ললো। কবিয়ে গমকে নোপোৱাকৈ মই তেওঁৰ চকুলৈ পোন্দোৱাকৈ চাবলৈ ধৰিলো।- মনে মনে মোৰ ইচ্ছা শক্তিয়ে আদেশ দিবলৈ ধৰিলে, "কবিতা নাহিবি ! কবিতা তই দগাবাজ ! তই চোৰ ! তই ডকাইট ! দগাবাজ চোৰ ডকাইটৰ ঠাই পোতাশালহে ; আমি উঠি যোৱা ভজ কোম্পানি বিনিৰ্ম্মিত মটৰ গাড়ী নহয়। আমাৰ মৰমৰ কবিৰ কোমল হিয়াত সম্প্ৰতি তই উদ্ভগালি নকৰিবি। মোৰ দৰৱ ফাপিলে। আমাৰ দুইবো মনত কবিতাৰ সোত বন্ধ হল' কবিতাক বনবাস দি গাড়ীৰ গতিৰ লগতে মোৰ মনৰ গতিকো লগলগাই দিলো৷ মোৰ মনক কলো forward march ! আগবাঢ় ! চটৰ্‌বটৰ নকৰিবি ! মন সুৰসুৰ কৰে গাড়ীৰ চকৰিৰ লগেভাগে ঘূৰিবলৈ ধৰিলে। গড়ীও শিৱসাগৰ মুৱা ; মোৰ মনো শিৱসাগৰ মুৱা হল। ভাবিবলৈ ধৰিলো :—আজি মই শিৱসাগৰলৈ যাব লাগিছো। মোৰ মৰমৰ সেই ৰংপুৰ শিৱসাগৰ যি শিৱসাগৰতে মই ডাঙৰ দীঘল হৈছিলো। আৰু দুঘণ্টামানৰ মূৰতে মই সেই শিৱসাগৰ পামগৈ। হে মোৰ শিৱসাগৰ ! কতকাল মই তোমাক দেখা নাই। আজিকালি তোমাক দেখিবলৈ কেনে হৈছে

চাগে। তোমাৰ প্ৰত্যেক ডোখৰ ঠাই মোৰ চিনাকী। তোমাৰ গাৰ ওপৰত গজা প্ৰতিডাল গছগছনি মোৰ সৰুকালত বুকুৰ বান্ধ আছিল তুমি জানা। নিৰ্ম্মল চপচপীয়া পানীৰে মহিমামণ্ডিত বিশাল হৰ পুখুৰীটো তুমি নিশ্চয় আজিও বুকুত লৈ শান্তি লভিছা। সোণৰ কলচীৰে জলমলীয়া শিৱ দলটো, আৰু তাৰ দুকাষে বিষ্ণুদল আৰু দেবীদল দুটাই আজিও তোমাৰ মূৰত তিৰবিৰাই নিশ্চয় আছে। তোমাৰ কোলাত বহল বৰ দলৰ পথাৰখনৰ ওপৰত থকা নানা বৰণীয়া পকা ধানৰ ওপৰত আজিও বতাহে ঢৌৰাই যায়নে? গা শাঁতকৈ বৈ যোৱা বশিষ্ঠী গঙ্গা দিখৌৰ খবৰ কি? নিশ্চয় দিখৌৱে আগৰদৰেই বৈ থাকি শিৱসাগৰীয়াৰ আয়ু-শ্ৰী বৃদ্ধি কৰিব লাগিছে। আহা সেই দিখৌ! যি দিখৌত সততে নাছুৰি সাতুৰি মই অপাৰ আনন্দ লাভ কৰিছিলো। আজিও মোৰ মনত আছে, বাৰিষা দুই পাৰ উপচি যোৱা দিখৌত কেনেকৈ মই সাতুৰি ইপাৰ-সিপাৰ হৈছিলো। তেতিয়া দিখৌৰ ঘাটৰ ঘাটৈ আছিল বঙাই। বঙাই ডাঙৰ দীঘল মানুহটো। তাৰ বৰণটোও বগা। মই তাক মাতিছিলো বঙাই ৰাজখোৱা বুলি। সেইদৰে সমন্ধ ধৰি মতাৰ উদ্দেশ্যটো মাখোন ঘাটৈৰ মনত সন্তোষ দি পইচা নিদিয়াকৈ তাৰ পাৰনাৱত উঠি দিখৌৰ মাজ পায়েই মই নাৱৰপৰা জাপ মাৰি দি পানীত পৰি সাতুৰি সিপাৰত উঠিছিলো গৈ। একো একো দিন আনন্দৰ উদ্বেগত somersault অৰ্থাৎ ওলোটা খৰ মাৰি নাৱৰপৰা পানীত পৰি সাতুৰি নৈ পাৰ হৈছিলো। এটা কথা মোৰ আজিলৈকে মনত আছে,—এদিন আবেলি মই দিখৌৰ সিপাৰৰপৰা পাৰনাৱত উঠি ইপাৰলৈ আহি আছোঁ। মোৰ লগত মোৰ ভাগিন "বন্ধ" (শ্ৰীমান পদ্মনাথ ফুকন) আছিল। এনেতে ইপাৰে বন্ধৰ দেউতাক মুক্তানাথ ফুকন ডাঙৰীয়া ভিনিহিদেৱক দেখিলো। ভয়ত আমাৰ মূৰৰ আগে জীৱ গল। তেওঁ আমি দুনাকৈ কাৰবাক কলে,—"সোঁৱা চোৱা মোৰ বৰ পুত্ৰ আৰু বেজবৰুৱাৰ —ত্ৰ!" প বৰ্গৰ পঞ্চম বৰ্ণটো হে তেওঁ ব্যৱহাৰ কৰিছিল। মই আৰু কি কৰিম, লাহতে টোটোৱা পৰিলোঁ। নিশ্চয় বন্ধই সেই দিনা দেউতাকৰ হাতত মাৰ খাইছিল।

সেইদিনা আমি সিপাৰলৈ কিয় গৈছিলো, কাৰণটো কওঁ;—

দিখৌৰ সিপাৰে শ্ৰীযুত শশধৰ বৰকাকতী উকিলৰ ঘৰ। তেওঁৰ বাৰীখন তামোলপাণ আৰু বগৰিৰে ভৰা। উকিলৰ পুতেক ত্ৰিণয়ন বৰকাকতীৰে সৈতে স্কুলত মই একে শ্ৰেণীতে পঢ়িছিলো, গতিকে তেওঁ মোৰ বন্ধু। তেওঁলোকৰ বাৰীত পকা বগৰি খাবলৈ আমি গৈছিলো। বগৰি খাই যেনেকৈ মোৰ পেট ভৰিছিল, ভিনিহিদেৱৰ সেই গা বেজবেজাই যোৱা মাতষাৰ খাইও মোৰ ততোধিক হৈছিল। মই মনতে সঙ্কল্প কৰিলো, যে মই আকৌ সেইদৰে বগৰি খাবলৈ যামেই, কিন্তু আৰু কাকো লগত লৈ নাযাওঁ।

হে শিৱসাগৰ! তোমাৰ ভিতৰতে সম্ভ্ৰান্ত অসমীয়া ডাঙৰীয়াসকলৰ গমগমীয়া বাসস্থান আছিল। আজি আকৌ মই সেইবোৰ দেখিম গৈ, নহয় নে? সেই ডাঙৰীয়াসকলৰ অনেকে কিজানি আজিও শিৱসাগৰ অলঙ্কৃত কৰি ৰাখিছে। সিংহ যেন পুৰুষ, মোৰ পিতৃদেৱতা দীননাথ বেজবৰুৱা তো আজি শিৱসাগৰত নাই। হায়! তেওঁৰ চৰণত মূৰ থৈ সেৱা কৰি তেওঁৰ আশীৰ্ব্বাদ লবলৈ আৰু ক'ত পাম? দীননাথ বেজবৰুৱা দেউতাৰ শাস্ত্ৰজ্ঞান, ধৰ্ম্মনিষ্ঠা, কৰ্ম্মকুশলতা আৰু ৰাইজৰ সাধাৰণ কাৰ্য্যত উৎসাহে সেই কালত শিৱসাগৰক অসমৰ ভিতৰত শ্ৰেষ্ঠ আসনৰ অধিকাৰী কৰি থৈছিল। শিৱসাগৰৰ সমাজ-বান্ধোনৰ জৰীডালৰ জোৰাটো কেনেকৈ দেউতাই নিজৰ হাতৰ ভিতৰত দৃঢ় কৰি শিৱসাগৰৰ সামাজিক জীৱন সুশৃঙ্খল কৰি ৰাখিছিল। মাননীয় চিৰস্তাদাৰ ইন্দীবৰ বৰুৱা আৰু তেওঁৰ সুযোগ্য ভায়েক সকল—দামোদৰ দৰুৱা, শশীধৰ বৰুৱা, বজ্ৰধৰ বৰুৱা আজিও শিৱসাগৰত আছেনে? সেইকালত শিৱসাগৰৰ দৈৱজ্ঞ ব্ৰাহ্মণসকলৰ ভিতৰত প্ৰধান পুৰুষ কৃষ্ণপ্ৰাণ শৰ্ম্মা চাং কাকতী, হৰকান্ত শৰ্ম্মা নাজিৰ আৰু গোপীনাথ শৰ্ম্মা প্ৰভৃতিক দেখিবলৈ পাম নে? বেজবৰুৱাৰ



বংশৰ, সুপণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ ভায়েক তুলসীৰাম বৰুৱা পণ্ডিত, সোমেশ্বৰ বৰুৱা আৰু ভায়েক মহেশ্বৰ বৰুৱা আছে নে? মহাত্মাৰ দেশ-নেতা শ্ৰীযুত কুলধৰ চলিহা, ৺প্ৰেমধৰ চলিহা আৰু শ্ৰীযুত পদ্মধৰ চলিহাৰ পিতৃদেৱতা নিৰ্ভীক দেশহিতৈষী তেজস্বী পুৰুষ কণীধৰ চলিহাক, আৰু ফুকন নগৰ নিবাসী সভা শুৱনি বুদ্ধিমান নেতা গঙ্গা গোবিন্দ ফুকন আৰু তেওঁৰ অন্তৰঙ্গ বন্ধু বৈদ্য-বিদ্যাবিশাৰদ মোৰ জ্যেষ্ঠ ভ্ৰাতা ব্ৰজনাথ বেজবৰুৱাক শিৱসাগৰত দেখিবলৈ পাম নে? দিখৌৰ পাৰৰ ঘৰত ৰমেন্দ্ৰৰ ঘৰৰ শিলাকুট মৌজাদাৰ ইন্দ্ৰেশ্বৰ ৰাজখোৱা আৰু তেওঁৰ ভায়েক কমলচন্দ্ৰ আৰু সেই শাৰীৰে ঘৰত গঙ্গাধৰ শৰ্ম্মা উকিল, মিষ্টভাষী শ্যামসুন্দৰ দুৱৰা ডাঙৰীয়া আৰু সেই কালত ইংৰাজী ভাষাভিজ্ঞ বুলি প্ৰখ্যাত পৰমানন্দ ভৰালী ডাঙৰীয়া আজিও আছেনে? বেৰিষ্টৰ তাৰাপ্ৰসাদ চলিহা আৰু দেশসেৱক যাদৱপ্ৰসাদ চলিহাৰ পিতৃ দেৱতা—তেতিয়াৰ দিনত উঠি অহা ডেকা উকিল সুযোগ্য কালীপ্ৰসাদ চলিহা ডাঙৰীয়াক দেখিবলৈ পামগৈ নে? শ্ৰদ্ধাস্পদ দুৰ্গাপ্ৰসাদ বৰুৱা আৰু ৰমাকান্ত নাজিৰ সেই মই দেখি অহা ঘৰতে আজিও আছে নে? সুবিখ্যাত ছকাৰী বিষয়া শ্ৰীযুত ৰাধানাথ ফুকনৰ পিতৃদেৱতা ডাঙৰীয়া কৃপানাথ ফুকন আৰু ভায়েক যদুনাথ ফুকন সেই আমাৰ ঘৰৰ ওচৰৰ বাৰীখনৰ ঘৰতে আছে নে? বুৰঞ্জীবিদ্ কাশীনাথ তামুলী ফুকনৰ পুতেক মুক্তানাথ ফুকন ভিনিহিদেৱৰ ঘৰো আমাৰ ঘৰৰ ওচৰতে আছিল। এতিয়াও সেই ঘৰ সেই দৰেই আছে নে? বৰ ভিনিহি বিদ্যাধৰ বৰুৱা, মহা পণ্ডিত উৰ্ব্বীধৰ শিৱসাগৰীয়া বৰুৱাৰ পুতেক কীৰ্ত্তিধৰ বৰুৱা, আৰু আমাৰ ভাগিন সোমধৰ বৰুৱাৰ ঘৰ আগৰ ঠাইতে আছে নে? বৰ ভিনিহি বিদ্যাধৰ বৰুৱাৰ ঘৰত এজোপা ডাঙৰ বহুত গছ আছিল। কত দিন তেওঁলোকৰ ঘৰলৈ গৈ মই বহুত খাইছিলো আৰু তেওঁলোকৰ বাৰীৰ পিছফালে থকা পকা মিৰিকা টেঙা চুৰ কৰি খাইছিলো। তেতিয়াৰ দিনত ৰাহী গাৰে মই পানী এটোপাকে নাখাইছিলো। সেইদেখি পুৱা যিদিনা মই মিৰিকা টেঙা চুৰ কৰিছিলো, টেঙাবোৰ চুৰিয়াৰ কোচত লৈ বাজিৰে বাজিৰে গৈ দিখৌত জোৰোৱা মাৰি গা ধুই হে তাক মুখত দিছিলো।

গহীন গম্ভীৰ দুৰ্গেশ্বৰ শৰ্ম্মা চিৰস্তাদাৰ আৰু তেওঁৰ ভায়েক টেপু মাষ্টৰলৈকো (লোকনাথ শৰ্ম্মা) মনত পৰিছে। দুৰ্গেশ্বৰ চিৰস্তাদাৰক মোৰ দেউতাই বৰ ভাল পাইছিল। গধূলি প্ৰায় দিনৌ দেউতা তেওঁৰ ঘৰৰ ফালে ফুৰিবলৈ গৈছিল। তেওঁৰ পুতেক দ্বাৰকেশ্বৰ শৰ্ম্মা বেছ বুদ্ধিমান ল'ৰা আছিল। কলিকতাত একেটা "মেছ"তে আমি আছিলোঁহক। বেচেৰা অকালত কালৰ গৰাহত পৰিল। দ্বাৰকেশ্বৰৰ মাক মোৰ মোমাইৰ জীয়েক আছিল।

দুৰ্গেশ্বৰ চিৰস্তাদাৰৰ কথাতে এই খিনিতে আৰু এটা ঘটনা মোৰ মনত পৰিল। এবাৰ মই ডিচাংমুখৰ ঘাটত কলিকতালৈ যোৱা জাহাজ ধৰি কলিকতালৈ যাবলৈ আহিছিলো। লগতে মোৰ ককাইদেও এজন আহিছিল। ডিচাংমুখৰ 'ফ্লুটিং ডাকবঙলা''তে আমি জাহাজলৈ বাট চাই তাতে আমাৰ আহাৰ কাৰ্য্য সমাপন কৰিলোঁহক। ককাইদেউজনে আগ গুৰি নাভাবি, ডাকবঙলাৰ খানচামাৰ ওপৰত খং কৰি তাৰ বিৰুদ্ধে 'ভিজিটৰ্চ বুক''ত অৰ্থাৎ যাত্ৰীসকলৰ মতামত লেখি থবলৈ থকা কিতাপত লেখিলে,—Rice bad অৰ্থাৎ ভাত বেয়া। সেইষাৰ লেখি তেওঁ সম্পূৰ্ণৰূপে তলত নিজৰ নামটোও চহি কৰিলে। ককাইদেৱে তাত কি লেখিছিল মই দেখাই নাছিলো। জাহাজ আহিলত মই জাহাজত উঠি কলিকতালৈ গলো, আৰু তেওঁ ঘৰলৈ গল। ইয়াৰ কিছুমান দিনৰ পিছত হেনো চিৰস্তদাৰ দুৰ্গেশ্বৰ শৰ্ম্মা এবাৰ ডিচাংমুখলৈ আহোঁতে সেই কিতাপখনত সেই লেখা দেখিবলৈ পালে, আৰু শিৱসাগৰলৈ উভতি গৈ সেই কথা লৈ মহা গোলমাল লগাই দিলে। মই কলিকতাত থাকোতে সেই খবৰ পাই নথৈ হাহিছিলো। ককাইদেৱে কি সন্তোষজনক উত্তৰ দি সেই আহকালৰ হাত সাৰিছিল, মই অৱশ্যে কব নোৱাৰো। ঠিক এই শাৰীৰে এটা ঘটনা মই শিৱসাগৰত থাকো-

তেই হৈছিল। শিৱসাগৰত ঢাকাৰ মুছলমান বেপাৰীৰ কেইবাখনো দোকান আছিল। এখন দোকানৰ বেপাৰী-টোৰ নাম আছিল ইমু। আমাৰ শিৱসাগৰৰ ব্ৰাহ্মণ ডেকা এজনে বোধকৰো লোভ সামৰিব নোৱাৰি এদিন ইমুৰ দোকানৰপৰা এটিন বিস্কুট কিনি আনিলে। তেওঁ যদি তাৰ দাম নগদ দিলেহেঁতেন, তেন্তে কাৰো সাধ্য নাছিল সেই কাৰ্য্য জানিবলৈ। কিন্তু তেওঁ উঠ-নাৰ বহিত বিস্কুট বুলি লেখি দি চহি কৰি গুচি আহিল। পৰিল কাৰবাৰ চকুত সেইটো। আৰু বগুৰা যায় কলৈ? সেই কথালৈ নগৰ গোটেইখন তোলপাৰ লাগিল। ডেকাজনক, সমাজৰ শুৰিয়ালসকলে চেপি ধৰিলত, তেওঁ কলে, "বিস্কুট" লেখা নাছিল, "জিনকোট" লেখিছিল; কাৰণ তেওঁ সেই দোকানৰপৰা জিন কাপোৰৰ কোট অৰ্থাৎ চোলা এটাহে আনিছিল যিটো তেওঁ দিনো পিন্ধি ফুৰিছে, বিস্কুট তেওঁ কিয় কিনিবলৈ যাব, যিটো বস্তু হাতেৰেই নোছোৱে।

টেপু মাষ্টৰ নামতহে টেপু. কিন্তু দেখিবলৈ বৰ ডাইৰ মানুহ; আৰু আমি স্কুলীয়া লৰাৰ মনত তেওঁ দ্বিতীয় টিপু চুলতান আছিল। তেওঁৰ ভয়ত আমি স্কুলত কঁপি থাকো। তেওঁৰ হাতত খোৱা কোব কেইটা মোৰ আজিও মনত আছে, আৰু আজিও মোৰ হাতৰ তলুৱাখন ফৰফৰাইছে যেন লাগে, অৱশ্যে যদিও মই আনবোৰ লৰাতকৈ কম মাৰ খাইছিলো। ত্ৰিলোচন নাজিৰ আৰু ভায়েক পৰমা. আৰু নাজিৰৰ পুতেক সংদেৱ পণ্ডিতে আজিও শিৱসাগৰৰ আমেলোপটীত শৰাধ, শান্তিকৰম, তিলহোম প্ৰভৃতি বামুনীয়া পুৰোহিতালি কাৰ্য্যবোৰ কৰি ফুৰেনে? নাজিৰ সেইবোৰ কাৰ্য্যত বৰ পটু আৰু বিধি ব্যৱস্থাত বৰ পণ্ডিত আছিল। কিন্তু লোকলৈ বিধি বিধান দিয়াতহে পণ্ডিতসকলক পটু হোৱা দেখা যায়, কিন্তু নিজৰ বেলিকা সেইবোৰ প্ৰায় নামানি চলাহে তেওঁলোকৰ গঢ়গতি। নাজীৰে লোভ কৰি কৰবাৰপৰা খোৱা দান লৈ, আৰু ঘনে ঘনে সোণ দান লৈ জগৰত পৰা কতবাৰ দেখিছিলো। "বগা তাৰা" আৰু "কলাতাৰা"ৰে বা খবৰ কি? বগাতাৰা বিখ্যাত ক্ষেত্ৰকেশ্বৰ পণ্ডিতৰ পুতেক আৰু বেছ বুদ্ধিবান ডেকা আছিল! যাক কলাতাৰা বুলিছো, তেওঁ তামুলী ফুকনৰ ঘৰৰ কমলানাথ ফুকন ডাঙৰীয়াৰ পুতেক। তেওঁৰ বৰণ নিশ্চয় কলা নাছিল; কিন্তু বগা তাৰাৰ বৰণটো বৰ বগা হোৱাৰ নিমিত্তে তেওঁ বিজনিত কলা নাম পাইছিল। ধক্ ধক্ কৰে বগা সুবিখ্যাত দাদাভাই নৌৰজীয়ে বিলাতত বগা ইংৰাজৰ তুলনাত লৰ্ড চেলচবেৰিৰ মুখৰপৰা Black man অৰ্থাৎ কলা মানুহ নাম পোৱাৰ দৰে আমাৰ দুই নগৰৰ তাৰাই তেনে নাম পাইছিল।

প্ৰিয়ৰাম দত্ত জীয়াই আছে নে? মোৰ মনত পৰে, তেওঁৰ ঘৰ আমাৰ স্কুলৰ ওচৰতে আছিল। ডাঙৰীয়া লক্ষ্মীনাথ কাকতীয়ে কলিকতাত পঢ়ি গৈ, প্ৰথমতে আমাৰ স্কুলত ছৰ্ভে মাষ্টৰ হয়; তাৰ পিছতহে ছবডিপুটি আৰু ই-এ-চি। তেও প্ৰথমতে শ্ৰীযুত প্ৰিয়ৰাম দত্তৰ ঘৰত আছিলগৈ।

ৰামবাবু আৰু বিষ্ণুবাবুৰ ঘৰো আমাৰ স্কুলৰ ওচৰতে আছিল। অসমত অনেক দিন বাস কৰি আধ-খিনি অসমীয়া হৈ যোৱা বঙালী ভদ্ৰলোক। ৰামবাবুৰ বিলাতী মদৰ দোকান আছিল। বিষ্ণুবাবু কাছাৰীত অফিচ্ চুপাৰিণ্টেণ্ডেণ্ট। ভায়েক ককায়েক দুয়ো বৰ গাৱাল আছিল; আৰু সেই বিষয়ত দুইৰো ভিতৰত, এজনে বোলে মোক চা, আন জনে বোলে মোক চা, বিধৰ। ৰামবাবুৰ পুতেক এজনে মোৰে সৈতে একে শ্ৰেণীতে পঢ়িছিল। বিষ্ণুবাবুৰো পুতেক এজন আছিল, তেওঁৰো গা-গাৱিৰ বিষয়ত বাপেকতকৈ হয় চৰা, নহয় বাপেকৰ সমান, নহয় অলপ নাম্‌নাচ্। ঠাকুৰ দাস ঘোষ আৰু তেওঁৰ পুতেক গোপালবাবু মাষ্টৰ, গিৰীশ, ৰাজেন্দ্ৰও প্ৰায় একেবাৰেই অসমীয়া হৈ যোৱা বঙালী। ঠাকুৰদাসবাবুৱে আবেলি আমাৰ ঘৰত দেউতাই শ্ৰীমদ্ভাগৱত ব্যাখ্যা কৰা, আন আন শ্ৰোতাসকলেৰে সৈতে বহি শুনিছিল গৈ। পুতেক গোপালবাবুৱে পুৱা গৈ দেউতাৰ কাষত নিদান, ভাবপ্ৰকাশ ইত্যাদি আয়ুৰ্ব্বেদ শাস্ত্ৰ পঢ়িছিল গৈ। এটা কথাৰ নিমিত্তে কিছুমান দিনৰ পিছত



গোপালবাবুৰ পাঠত ব্যাঘাত ঘটিছিল। সাধাৰণ ব্ৰাহ্ম সমাজৰ প্ৰচাৰক পণ্ডিত ৰামকুমাৰ বিদ্যাৰত্ন নামেৰে বঙালী এজনে আসামত ব্ৰাহ্মধৰ্ম্ম প্ৰচাৰ কৰি ফুৰিছিল। শিৱ-সাগৰত তেওঁ গোটাচেৰেক বক্তৃতা দিছিল, আৰু গোপালবাবুৰ ঘৰত ব্ৰাহ্মধৰ্ম্মৰ পদ্ধতি অনুসাৰে ব্ৰহ্মোপাসনা কৰিছিল। তেওঁৰ বক্তৃতা শুনি শিৱসাগৰৰ ডেকাসকলৰ ভিতৰত বৰকৈ চাঞ্চল্য উপস্থিত হৈছিল, আৰু কোনো কোনো ডেকাই ব্ৰহ্মোপাসনাত যোগ দিছিল। মোৰ দেউতা আৰু পণ্ডিত তুলসীৰাম বৰুৱা প্ৰভৃতিয়ে বাধা দি ডেকাসকলক পুনৰায় ৰাক্‌ষোনৰ ভিতৰলৈ আনিছিল। তুলসী বৰুৱা পণ্ডিতে প্ৰতিবাদস্বৰূপে ব্ৰাহ্মধৰ্ম্মৰ বিৰুদ্ধে আমাৰ স্কুল ঘৰত বক্তৃতা পঢ়া, আৰু ৰামকুমাৰ বাবুৱে সেই সভাত উঠি কাণৰ কণা মাকৰি সৰি যোৱা চিয়ঁৰেৰে তাৰ প্ৰতিবাদ কৰা আজিও মোৰ মনত আছে। (আগলৈ)

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

---

# বেহিছাপী অসমীয়া

*( A Serious Thesis on Indian Economics )*

(১) এটা প্ৰশ্নৰ উত্তৰ—

ভালেমান ভদ্ৰলোক আৰু ডেকা লৰাবোৰে প্ৰায়েই শোধে যে শ্ৰীযুক্ত মনায়ে কিয় বিপ্ৰ লেখে নামডালৰ শেহত? শৰ্ম্মা নেলেখে কিয়? মোৰ কৈফিয়ৎ—মনায়ে গাৰ জোৰেৰে একো কাম নকৰে। মনাই খাটী অসমীয়া, নৈষ্ঠিক হিন্দু, শাস্ত্ৰৰ কথাৰপৰা চুলি এডালমানো আঁতৰি নাথাকে। আমাৰ শাস্ত্ৰৰ মতে বামুণৰ পো উপজিয়েই বামুণ নহয়। শূদিৰ হৈ থাকে। লগুণ গছ কান্ধত ললেই হয় দ্বিজ অৰ্থাৎ দুবাৰ ওপজা হয়। তাৰ পিছত বেদ পঢ়িলে লাহেকৈ বিপ্ৰ হয়। তাৰ পিছত আকৌ ঈশ্বৰ ভগৱন্ত বস্তু ফেৰাক জানিলেই পিতাতে ব্ৰাহ্মণ হৈ পৰে। গতিকে ব্ৰাহ্মণ বা বামুণৰ চাৰিটা থাপ আছে যদিও অসমীয়া ভাষাত বামুণ শবদে কেউটাকে সামৰি লৈ চলি অহাত বিস্তৰ বেমেজালি হৈছে। মানুহবোৰৰ কানসাৰ এই বিষয়ে নাই বুলিয়েই মনৰৱে কেতিয়াও ব্ৰাহ্মণ নেলেখে। দহে ভুল কৰিছে বুলিয়েই মনায়ে জনা শুনা মানুহটো হৈ ভুল কৰিব কিয়। কেতিয়াও নকৰে। উপজি-য়েই মনাই হল শূদিৰ, লগুণ দিয়দিৰ দিনাৰে পৰা হল দ্বিজ আৰু এতিয়া বেদৰ শ্লোক পঢ়ি অৰ্থ সমজিতে বিপ্ৰ হৈছে। বামুণ বা ব্ৰাহ্মণ তেওঁ এতিয়াও হোৱা নাই কাৰণ ভগৱন্ত বস্তুক এতিয়াও চিনিব জানিব পৰা নাই। এনে-স্থলত মনাইক কোনোবাই ব্ৰাহ্মণ বা শৰ্ম্মা লেখিবলৈ টানি ধৰিলেও মনায়ে অসৎ কাম কৰি পাতকী কদাপি নহয়, বেছ বুজিবা।

(২) থোচিচৰ পাতনি—

অসমীয়া মানুহবোৰ দিনকদিনে বেহিছাপী হৈ টোকোনা হৈ যাব লাগিছে দেখি মনাইৰ সঁচাসচিকৈ ভয়ানক বেজাৰ লাগিছে, বুকুত শোকে খুন্দিয়া খুন্দি লগাইছে, দেশী ভাইৰ দুখত, পয়-মালত। তাতে নিজৰ ভুলত বেহিছাপী, হৈ ভোগা দুখত মনৰৰৰ আমঠু আগমঙহ তেনেই বিবৰ্ণ হল, হিয়াখন প্ৰায় চিৰাচিৰ হয় হয় হৈছে। দেহি ঐ! মোৰ দেশৰ ভাইহঁতৰ নিজ দোষত এনুৱা দোৰ্গোৰ বিলাই বিপত্তি। এই কাৰণেই মনায়ে সকলো দেশৰ অৰ্থ শাস্ত্ৰৰ (Economics) কিতাপবোৰ গভীৰ ভাবে ভাবি চিন্তি বাৰকৈ পঢ়িছে, আসামৰ সকলোবোৰ 'কন্দিচন" (অৱস্থা) "ইষ্টাদি" কৰি টোকোনা

হোৱাৰ কাৰণবোৰ ঠাৱৰাই অসমীয়া ৰাইজক হুচ্ দিবৰ মানসেৰে এই পেচিচ্ খন ৰচি অসমীয়া ৰাইজৰ হাতত দান দিছে। ৰাইজৰ তেওঁ একেৰা উপকাৰ হওক এই ভাবি।

(৩) অসমীয়া টোকোনা হোৱাৰ কাৰণ আৰু নিবাৰণৰ উপায়বোৰ—

দকৈ গমি চালে দেখা যায় যে অসমীয়া মানুহবোৰ ক্ৰুটনিৰ কোবতে দিনে দিনে টোকোনা হৈ যাব লাগিছে। ঘৰত নাই কণ, বৰ সবাহলৈ মন! সিহঁতে আঁঠুৰ নিচেই ওপৰতে চুৰীয়া যে পিন্ধেই, একোটাহত খোৰো যাবে। অপব্যয় নহয়নে? কিয়? খৰা পটলুং কিছুমান বজাৰৰ-পৰা গড়ৰ চাল যেন ডাঠ কাপোৰ কিনি আনি সিয়াই ললেই ছোন হয়। ভালেমান দিন টিকিব। এলাপেছা কাঁইটেও ভাত পিং বহৱাই চিৰাচিৰ কৰিব নোৱাৰে। বাঁহ কাটিবলৈ বাঁহনিলৈ বাওঁতে বাঁহৰ কেওত লাগি ফটাৰো ভয় সমূলি নাথাকে। কলামাহৰ তলি, সৰিয়হ তলি, কুঁহিয়াৰ তলি ইত্যাদি তলিৰ কোটোহা বাঁহৰ নেৰৰ কাইট-বৃন্দয়ো ডাঠ খৰা পটলুঙৰ ওপৰত প্ৰভাৱ বিস্তাৰিব নোৱাৰে। ইয়াকে নকৰি খনে খনে চুৰীয়া ফালি খনে খনে কিনি ধন ভাঙি ভাঙি ক্ৰমাৎ দুখীয়া হৈ যাব লাগিছে। এনেকে চলিলে আৰু অসমীয়া মানুহ তিষ্ঠি থাকিব কেই কাল? আকৌ চোৱা—পথাৰৰপৰা আহি দিনো চুৰীয়া টিয়াই গা ধুবলে সিহঁতৰ বেনো জাতেই নোৱোৱাত পৰে। নিতৌ তিয়ালে আৰু চুৰীয়াই দিন যায় কেনেকৈ কোৱাচোন। কৰা বোলে হাল বাওঁতে বোকা লাগে। বজাৰৰপৰা কাপোৰত মৰা বুৰুজ এটা কিনি আনিলেই লেঠা ছিগে। পথাৰৰ পৰা আহি চুৰীয়াখন ৰদাই বুৰুজ কৰি পেলালেই দেখোন হয়। আৰু চোৱা খেতিয়কবিলাকে হালোৱা বেনিয়ন বুলি এবিধ গেঞ্জি পিন্ধে. পিন্ধি পথাৰত হাল বায়গৈ। চৌকলীয়া ৰ'দত বেলি ডুপৰলৈকে বেনিয়ন খৰি গৈ শীঘ্ৰে ফিচিকি ফাটি পয়চা কেটা পানীত পেলায়। কিয়? দুদা গাৰে হাল বালে ক্ষতি কি? উদং গাৰে হাল বালে ৰ'দত পিঠিৰ চাল খৰে খৰিব; দই যাবনে কিবা? লোকচান ভৱিষ্যতো একো নাই। দেখিছা মুৰ্খামি। এই পাকত অসমীয়া জন সাধাৰণৰ ভোজনলৈ মন কৰাহক। ভোক মাৰিবলৈ তাইঁতে ধানবোৰ জকাই জকাই সিজাই শুকাই বানি কাৰি উহোৱা বা উখুৱা চাউল কৰি খায়। ওৰেদিনটো কাম বন কৰি ক্ৰুৰা মানুহৰ, হালবোৱা, ধানদোৱা ভুইৰোৱা, ভাৰ কঢ়িৱা মুনিহৰ পেটৰ বহনিকুৰাই এবাৰ সিজোৱা এগাল ধানৰ চাউলৰ ভাত বৰ কাঁহিৰে একাহি চকুৰ পচাৰতে দংশি পেলায়। পাক মাৰি আহিলেই আকৌ ভোক লাগে। লাগিলেই আৰু এপটলা দিয়ে বজাই। এনেকৈ দিনটোত পাকে পতি ভাত তাৰ উপৰি গুৰি-কৰাই, সান্দহ, পিঠাগুৰি, কোমল চাউল পেটত ঠাহি থাকিলে নোক নোক কৰে, টোকোনা নহৈ হব কি? চহকী হবলৈ হলে ভোক থক হুৱাহ পেটৰ বহ্নিকুৰাৰ কোব কমাবই লাগিব। সেয়েহে দেখোন 'যেতেক আৰ্জ্জন তেতেক ভোজন'ৰ কথাকে নকওঁ 'অল্প আৰ্জ্জন বিস্তৰ ভোজন'ত বৈছেগৈ। এবাৰ সিজোৱা ধানৰ চাউলৰ ভাতে গাৰ খুব বহুতে নথজুৱাৰ বেতিয়া ধান গাল কমপক্ষেও দুই তিনিবাৰ সিজাই ললে চাউল-টোইত বৰ বৰ একোটা হব আৰু সেয়ে হলে আগেয়ে যদি তিনি পোৱা সুমাইছিল এতিয়া দেড় পোৱাই কাম দিব। বাহি হোৱা খিনি বেচি খাজনা শোধাবা। ভাতত পালায়েই নহয়, লোণ খোৱাত পায় কোনে? সিহে লোণৰ জোৱা কি চাবা। লোণ আজিকালিৰ আয়ুৰ্ব্বেদ মতে আৰু তাহানি চৰক আদি বেজবৰুৱাৰ মতেও শৰীৰৰ দোৰ্ষোৰ অহিতকাৰী, তাতে আকৌ দৰো কম নহয়। লোণৰ সলনি মোৰ মতে হলে



ধান খেৰ পোৰা চাইৰ, কাঠ খৰি, বাহ খৰিৰ চাইৰ খাৰ কৰি খালেই ভাল হয়। "কল খাৰৰ কথা দেখোন নকলে?" ওঁতো বঢ়িয়া কথা, কল খাৰ খাবলৈ লগাই দিয়াইক কলৰ বংশ নিষ্পত্তিকৈ নিৰ্ম্মূল হওক। কল খাবলৈ নাপাই লৰাবোৰ মৰক? "বুৰা গছবোৰ!" শুনা বুৰা গছবোৰ চিৰি দিয়া, গাৰঁৰ সকামে-নিকামে বিয়াই সবাহে ভোজে শৰাধে পটুৱা পাবা কৰ? আৰু চোৱা ইকনমিকেল অৰ্থাৎ হিছাপী মানে ধনৰ হিছাপীয়েই নহয় সময়ৰো বুজ পালা? কল খাৰত খাটনিও বেজাই, সময়ৰো সাংঘাতিক অপব্যয়। কল গছ বগৰাওক, ছেও দিয়ক, চিৰক, ৰদত মেলক, পোৰক, টেকেলিত ভৰাওক, নাৰিকলৰ কোৰো-কাৰ তলি ফুটাই তলত বাটি পাতি খাৰণি সৰাওক। বোপাই ঔ! বেজাই খাটনি, বৰ হেংগাম, সময়ৰ অপব্যয়, দেখিলা। ধান খেৰৰ খাৰণিত খাটনি যথাসম্ভৱ কম। ধান উহোৱাওতে মুঠাই মুঠাই ধান খেৰ পোৰা হয়েই, মাজ চোতা-লত চাই দম খাই থাকেই, তাকে ঘৰৰ যৈণীয়ে, মুনিহ হাল মেলি গা তিয়াই ভাতৰ পাতত বহোঁতে লচপচকৈ ওলাই গৈ এখামোচা আনি পানীত গুলি গামোছা নতুবা বিহাৰ আচলেৰে চেকি বাটিত যতনাই দিওঁতে খৰচৰ পিনে বোলা সময়ৰ পিন বোলা "কেতনা" বেহাই হল। লোণ নাখাই ৰাহি হোৱা পয়চা খাজনালৈ গলেই লেঠা মৰি থাকিল।

তিৰোতাৰ পিন্ধন:—তিৰোতাবোৰৰ যিহে একোখন মেখেলা! দীঘলে কমকৈও দুহাত, বহলে ধৰা তাৰ অৰ্দ্ধেক। ইমান একোখন কাপোৰ ককালৰপৰা সৰু গাঁথিলৈকে পিন্ধা মানে আৰু টোকোনা হোৱাহে। মেখেলাবোৰ চুটী কৰিলে দেখোঁ দাম বহুত কমে। আঁঠুৰ ওপৰতেই পিন্ধিলা যেনিবা। হানিতো হল কি? পচিমৰ বিলাত, আমেৰিকা আদি বেজাই চহকী দেশ-বোৰৰ তিৰোতাবিলাকেও চোঁ খৰা মেখেলা পিন্ধি পৃথিৱীখন পিট পিটাব লাগিছে। "দেউতা সিহঁত দেখোঁ, ধনীৰ দেশৰ তথাপি খৰামেখেলা বোৰ পিন্ধে বা কিয়?" তুমি গৰু-ৰাম অধামুৰ্খ। গোটা গৰু!! কাঠৰ মূঢ়া!!! কটা এতেপৰেনো মই বলকিছোঁ কি? বোলো সিহঁতৰ ধনলৈ কি নাম বোলেনে মমতা আছে, মৰম আছে, সিহঁত হিছাপী। দীঘল দীঘল মেখেলা একোখন গোৰোৱা লেটিৱাই পিন্ধি মুনিহক ধাৰেৰে টেটু-লৈকে পোত খুৱাব নেকি হাড়ক পানী কৰি গিৰিয়েকে ঘটা পয়ছাবোৰ নাহকত ভাঙি? সেয়েহে মই কওঁ মেমনীহঁতে বোলো গিৰিয়েকৰ বৰ দুখ বুজে, পতিয়ায়। আমাৰ দেশৰ এইকেজনীহে আৰু গৈয়েকহঁতৰ নেলুত কামোৰ মৰা তুমি মোক সিদিনা সুধিছিলা নহয় হৰিভকত! "আপুনি বিয়া কৰোৱা নাই কিয় এতেদিনে?" এইখন কুচ্চালি, গৈয়েকৰ দুখৰ প্ৰধানমানো নপতিৱা তিৰোতা একনী বিয়া কৰি আনি মোৰ ঘৰখন নীহতল কৰি-বলৈ দিছা এতিয়াও দিবানে বোলোঁ? "কেতিয়াও নিদিওঁ দেউতা।" এৰা তোমাৰ মতিগতি বাকৰ পিনে আহিছে। তুমি বুজি চাই কথাবোৰ টং কৰিছা। মই নকৈছোঁ তোমালোকে দিনদিয়েক চতুৰ কৰা। মোৰ কথাবোৰৰ মোল বাইজে বুজিব কোৱাছোন বাৰু মোৰ এইবোৰ deep economic thinking অৰপৰা ওপজা কথা হয়নে নহয়? 'নিশ্চয় ডাঙৰীয়া, নিশ্চয়। ওমৰ খৈয়াম মৰিল তাহানিয়েই, এতিয়াহে তেওঁ আদৰ পাইছে!"

ৰবা কি বিষয়ে কৈছিলো! অ মনত পৰিছে দীঘল মেখেলাৰ বিষয়ে। দেখিলা চহকী চহকী মেমনীবোৰৰ পিন্ধিবলৈ ভাল হল খৰামেখেলা আৰু এই খাবলৈ নোপোৱা টুকুনীহঁতৰ পিন্ধিবলৈ বেয়া হল। ছাহাববোৰৰ কমাই খৰাহীয়ে খৰাহীয়ে হোৱাতো খৰাপটলুং পিন্ধে আৰু সেই ধনী

ছাহাবইঁতৰ মেমনীবোৰে খৰামেখেলা পিন্ধে। আমাৰ এই টোপোনা কেটা আৰু টুকুনী কেন্সনীৰ হে দীঘল নাককেটা চুটী হয়। খৰামেখেলা পিন্ধিবলৈ ধৰি পয়ছা বাঢ়ি কৰি খাজনালৈ থলেই হেংগামৰ হাত সাৰা, কি বোলা ?

শইষা :—শিমলু তুলাৰ লেপ আৰু কথাত আৰকালি আমাৰ মানুহৰ ধনৰ ভগন লেখত নলগীয়া। তুলাত ধন ভাঙি মৰ যে অবুজইঁত সস্তীয়া মলমল কিনি আনি ধানখেৰ বোৰ মিহি কৈ কুটি লেপ কৰি নলয় কিয় ? চাওঁতো পাৰি ল খেৰ, নতুবা খেৰৰ তুলিকেই কৰ। তলে ওপৰে ধান খেৰৰ গপগপীয়া লেপ লৈ শুই থাক ফক্তি মাৰি। গপগপাই থাকিব। জাৰ কাষ-লৈকে চাপিব নোৱাৰে নহয়।

বিয়া :—আৰু চোৱা আগৰ মানুহবোৰ কেনে হিছাপী আছিল। খৰচৰ হাত সাৰিবলৈ ছোৱালী পলুৱাই আনিছিল, এতিয়া সেইবোৰ অসইভালি হলহি শুনা। ডাঙৰীয়া লৈ পৰি একেচিপে, জোৰোণ, বৰ বিয়া, সক বিয়া, ধৰম বিয়া, কৰম বিয়া, শান্তি, পাছ বিয়া পাতি ধন ভাঙিবলৈ ধৰিলে। আগৰ নিয়ম এৰি এইবোৰ ধৰি নিজে নিজে টোকোনা হোৱা নাইনে ? আগেয়ে মনে পিতে মিলিলেই লৈ আহিছিল আৰু ব্যয়ৰ ঘৰত আছিল শূইন। আজিকালি আগৰ বঢ়িয়া নিয়ম এৰি এইবোৰ মানুহে এনেদৰে বেহিছাপীকৈ চলি মাথোন খাজনা বেছি হল, ছৰকাৰে খালে, ৰথাজ লাগে ইত্যাদিবোৰ চিঞৰ বাখৰ লগাই হুলস্থুল কৰিছে। ভোৰ্ভোৰাইছে, খাজানা দিব নোৱাৰোঁ বুলি ওজৰ কৰিছে। হেৰ অবুজইঁত, বেহিছাপী-ইঁত মই কোৱা মতে চলছোন ধনে আটেনে নাটে। এতিয়াৰ নিয়মে নালাগে ইয়াতকৈও চাৰ নিয়মে খাজানা দিও ধন অপৰ্যাপ্ত অলেখ সাঁচিব পাৰিবি। খালি ছৰকাৰক দোষিবি, ইৰাৰ ইটো আপত্তি, সিৰাৰ সিটো। এইবাৰ বানপানীয়ে মাৰিলে, সিৰাৰ কাকতি ফৰিঙে খালে এই বুলি গৱৰ্ণমেণ্টক জ্বলা কলা কৰিছ। বিলাতী ছৰকাৰ বুলিহে ইমান অতপালি কৰিছ নেকি ? নিজৰ ৰজা হোৱা হেতেনো জানো খাজনা নোশোধাই থাকিব পাৰিলিহেঁতেন ? জানি শুনি মোৰ দিহা মতে চলাইক বাইজ, নিশ্চয় দোপত দোপে উন্নতি হৈ গৈ থাকিব। মোৰ দিহা মতে চলি যোৱাইক চাবা দহ বছৰৰ ভিতৰতে অসমীয়া মানুহ লেখত লব লগীয়া চহকী হব, ঘৰেপতি একোখনকৈ অন্ততঃ খাট হব। আনকি বেপাৰী গোলাৰ লোৰ চন্দুকো কিনিব লগাত পৰিব। যদি নহয় মনবৰৰ নামে লাগিলে আন নকও কুকুৰকে পুহিবা। ইতি,

দেউতা শ্ৰীযুক্ত মনাই বিপ্ৰ ডাঙৰীয়া

অৰ্থশাস্ত্ৰী, হিছাপতীৰ্থ ইত্যাদি ভালেমান।

—:০:—

## কথাৰ শক্তি

(এডমাণ্ড্ বাৰ্ক)

জগতক আহুকাল কৰা
আছে যত বিলাই বিপত্তি,
কথাৰপৰাই মাথোঁ জানা
সেই সকলোৰে উৎপত্তি।

২৩।৫।২৩ শ্ৰীমহানন্দ বৰুৱা

## ধৰ্ম্ম আৰু যুক্তি

(ৱাছিংটন)

যুক্তিৰ সম্পৰ্কে ধৰ্ম্ম দৰকাৰী যেনে,
ধৰ্ম্মৰ সম্পৰ্কে যুক্তি দৰকাৰী তেনে।

৩১।৫।২৩ শ্ৰীমহানন্দ বৰুৱা

# জয়মতী উৎসৱ গুৱাহাটী

## সভাপতিৰ অভিভাষণ

আজি চ'ত মাহৰ শুক্লা একাদশী—সতী জয়মতীৰ তিথি। আজি জয়সাগৰৰ জয়দৌলৰ ওচৰত শিৱসাগৰ আৰু তাৰ কাষৰৰ অনেক মুনিহ আৰু তিৰোতা গোট খাই সতীৰ হস্তে পূজা-তৰ্পণাদি উছৰ্গা কৰি উৎসৱ পাতিছে। আপোনালোকে আজি সেই পুণ্য তিথিত মহিলা সমিতিৰপৰা উৎসৱ পাতিছে। এই সভাত মোক আপোনালোকে সভাপতি পতাৰ নিমিত্তে আপোনালোকৰ শলাগ লৈছোঁ। মহিলা সমিতিৰপৰা মোক সভাপতি পাতিবৰ প্ৰস্তাৱ কৰোঁতে মই নব্যতন্ত্ৰৰ ভদ্ৰলোক একনক সভাপতি পাতিবৰ বাবে আপোনালোকক অনুৰোধ কৰিছিলোঁ। মই প্ৰাচীনতন্ত্ৰৰ মানুহ, মোৰপৰা আপোনালোকে পুৰণি কথাহে শুনিব-লৈ পাব। তিৰোতাৰ সতীধৰ্ম্ম আৰু কৰ্ত্তব্য কৰ্ম্মৰ মই যি আহি দাঙি ধৰিম সেইটো আপোনালোকৰ কিমান প্ৰীতিকৰ হব, কব নোৱাৰোঁ।

ষোড়শ শতিকাৰ শেহ ভাগৰপৰা সপ্তদশ শতিকাৰ প্ৰাৰম্ভলৈকে আহোম ৰাজ্যৰ ভিতৰত এটা ভয়ঙ্কৰ বিপ্লৱ হৈছিল। ইং ১৬৭০ সনত আহোমৰ চক্ৰধ্বজ সিংহ (আহোম মতে চুপুংমুঙ) স্বৰ্গী হোৱাৰ পাছৰেপৰা ১১ বছৰৰ ভিতৰত আহোমৰ সিংহাসনত ছজনা ৰজা বহে, তাৰে চাৰিজনে মন্ত্ৰীসকলৰ কোপ দৃষ্টিত পৰি অকালতে প্ৰাণ হেৰুৱায়, এজন ধিক্কাৰ বেজাৰতে আত্মঘাতী হয়, এজনহে স্বাভাৱিকৰূপে মৰে। এওঁলোকৰ পাছত ১৬০১ শকত চুলিকফা ৰজা হয়। এওঁ নিচেই লৰামতীয়া মানুহ আছিল দেখি এওঁক সকলোৱে লৰা ৰজা বুলি মাতিছিল। এওঁ সিংহাসনত বহিয়েই আগৰ ৰজাসকলৰ দৰে প্ৰাণ হেৰুৱাব লাগে বুলি ভয়ত ৰাজ-সিংহাসন আকাঙ্ক্ষা কৰা কোঁৱৰ-সকলৰ অঙ্গ-ক্ষত কৰি দিবৰ ফিকিৰ পাতিলে। আহোমৰ নিয়মমতে ৰাজ পৰিয়ালৰ কোঁৱৰ অঙ্গ-ক্ষতাদিৰ নিমিত্তে ৰাজপদৰ অযোগ্য হয়, লৰা ৰজাই ইয়াকে ভাবি গুপ্তচৰ পঠিয়াই কেইবাজনো কোঁৱৰৰ অঙ্গ ক্ষত কৰালে, বহুত ৰাজ-কোঁৱৰক অন্যায়ৰূপে বধো কৰালে।

যি কেইটা ফৈদৰপৰা আহোমৰ ৰজা হব পাৰে, তাৰ ভিতৰত তুঙ্খুঙীয়া ফৈদ প্ৰধান। লৰা ৰজাই আন আন ৰাজ-পৰিয়ালৰ কোঁৱৰ-বিলাকক মাৰি আৰু কিছুমানৰ নাক-কাণ কাটি, চকু কাঢ়ি অঙ্গ ক্ষত কৰাইও শান্তি নেপালে। তুঙ্খুঙীয়া ফৈদৰ গোবৰ ৰজাৰ পুত্ৰ লাঙ্গি গদাপাণি (গদাধৰ) নামে প্ৰখ্যাত এজনা বৰ বাহুবলী কোঁৱৰ আছিল। লৰা ৰজাই এই গদাপাণিক ধৰিবৰ নিমিত্তে মানুহ পাচি দিলে। গদাপাণি কোঁৱৰক ধৰিবলৈ মানুহ পঠোৱাৰ আগেয়ে কোঁৱৰে বিয়া কৰাইছিল। বৰগোহাই ফৈদৰ জয়মতীয়েই এওঁৰ প্ৰধান মহিষী আছিল। তেওঁক বিচাৰ কৰি ধৰিবৰ আজ্ঞা হোৱাত বৰ ভয় খাই পলাই গৈ তেওঁ ভাৰ্য্যা সহিতে অটব্য অৰণ্যত এটি সৰু ঘৰ গছৰ পাতেৰে সাজি কাল যাপন কৰি আছিল। এদিন ৰাতি গদাপাণি কোঁৱৰ তেওঁৰ মহিষীৰে সহিতে পাতৰ ঘৰতে আছিল, ইতিমধ্যে মহিষী কোনো কাৰণত বাহিৰলৈ অহাত চাৰিওফালে মানুহে বেঢ়ি অহা যেন অনুমান কৰি আপোন পতি কোঁৱৰক কলে। তেওঁ প্ৰথমতে বিশ্বাস নকৰি কলে—এই অৰণ্যলৈ কোন আহিব আৰু আমি ইয়াত আছোঁ বুলি বা কেনেকৈ জানিব ? মহিষীয়ে কলে—বুজিব নোৱাৰি, কোনো চৰৰ দ্বাৰা জানিব পাৰে। এই দৰে কথা পাতি থাকোঁতেই মানুহৰ গম পালে। দুয়োজন বেগেতে বাহিৰলৈ ওলাই নিশ্চয়কৈ জানিলে যে চাৰিও ফালৰপৰা মানুহে বেঢ়ি আহিছে। কোঁৱৰে কলে, হয় আমাক ধৰিবৰ কাৰণেই আহিছে। আহা দুয়ো পলাওঁ। মহিষীয়ে কলে, মোৰে সৈতে গলে আপুনি ধৰা পৰিব। মই ইয়াতে থাকোঁ, মোৰ যি গতি হয় হব ; মই যদি মৰোঁ, কি মোক কোনোবাই মাৰে, আপুনি আৰু দহজনী তিৰোতা বিয়া কৰাব পাৰিব। গদাপাণি কোঁৱৰ সম্মত নহৈ দুয়ো একে লগে যাবৰ হে মন কৰিছিল। কুঁৱৰীয়ে অগত্যা বধ দি নিজে যকগৈ বুলি আগ বাঢ়ি পঠাই ঘৰৰ ভিতৰত

সোমাল। ধৰিবলৈ অহা লোকসকলে চাৰিও ফালৰপৰা বেৰি আছি ঘৰ সোমাল। গদাপাণিক ঘৰত নেপাই, তেওঁ পলোৱাৰ বাতৰি লৰা ৰজাক জনালেগৈ। তেওঁ গদাপাণিক ধৰিবৰ একো উপায় নেদেখি তেওঁৰ ভাৰ্য্যা জয়মতী কুঁৱৰীক ধৰি আনিবলৈকে সেনা পাচিলে। সেনাসকলে ৰাজাজ্ঞা মতে জয়মতী কুঁৱৰীক ধৰি আনিলেগৈ। জয়মতী লৰা ৰজাৰ ওচৰ পাওঁতেই ৰজাই সুধিলে, "গিৰিয়েৰ কলৈ গল ক ?" জয়মতীয়ে ৰজাৰ প্ৰশ্নৰ একো উত্তৰ নিদিলে। কেইবা বাৰো সুধিলে, জয়মতীয়ে এবাৰো নামাতিলে। পিছে লৰা ৰজাই জয়মতীক কুকুৰাচোৰা চাওডাঙৰ হাতত সঁপি দি কলে, "যেনেকৈ পাৰ, দণ্ড কৰিয়েই বা আন কোনো উপায়েৰেই হক এইৰ মুখৰপৰা গদাপাণিৰ বাতৰি উলিয়া।" চাওডাঙে জয়মতীক নি বৰ্ত্তমান জয়সাগৰ পুখুৰী যত আছে তাতে বান্ধি ধৰি নানা শাস্তি কৰি গদাপাণিৰ বাতৰি সোধে। জয়মতীয়ে নীৰৱে সকলো যন্ত্ৰণা সহি থাকিল, তথাপি নিজৰ স্বামীৰ কথা এবাৰো নকলে। এদিন দুদিনকৈ ছয়-সাত দিন সেই ঠাইতে চাওডাঙে জয়মতীক মিছাতে শাস্তি কৰি আছে। জয়মতীয়ে গদাপাণিৰ কথা নকলে। লাহে লাহে এই কথা নগা পৰ্ব্বতত পলাই থকা গদাপাণিৰ কাণত পৰিলগৈ। তেওঁ নগাৰ বেশ ধৰি জয়মতীক চাবলৈ আহি জয়মতীক লৰা ৰজাৰ সেনাৰ হাতত নানাবিধ যন্ত্ৰণা আৰু লাঞ্ছনা ভুঞ্জা দেখিলে। এসময়ত চল চাই তেওঁ জয়মতীৰ ওচৰ চাপি, চিনাকি নিদি কলে—"হেৰ মাগুহজনী, তই কেলৈ যন্ত্ৰণা ভুঞ্জি মৰিছ, গিৰিয়েৰৰ কথা কৈ নিদিয় কিয়।" জয়মতীয়ে একো উত্তৰ নিদিলে। উত্তৰ নেপাই ছদ্মবেশধাৰী গদাধৰ কোঁৱৰ আঁতৰি গল। আঁতৰৰপৰা দেখিলে ৰজাৰ সেনাই আকৌ জয়মতীক শাস্তি কৰিবলৈ ধৰিলেহি। নিজৰ প্ৰাণৰ ভয়ত কোঁৱৰে একো মাত লগাব নোৱাৰে, মাত মাতিলেই চিনি পাই ৰজাৰ সেনাই তেওঁক ধৰি নিব। চাওডাং আৰু সেনাবিলাক আঁতৰি যোৱাত, গদাধৰে আকৌ ওচৰ চাপি আগৰ দৰে জয়মতীক সুধিলে গৈ, এই বাৰো একো উত্তৰ নাপালে। জয়মতীয়ে এইবাৰ কোঁৱৰক চিনি পালে। ভাবিলে, যাৰ নিমিত্তে ইমান যন্ত্ৰণা ভোগ কৰিছে আৰু নিজৰ জীৱনকো উছৰ্গা কৰিছে, তেওঁ নিজেই ধৰা দি সকলো ভ্ৰষ্ট কৰে। কোঁৱৰে তৃতীয় বাৰ জয়মতীৰ কাষ চাপি সুধিলেগৈ—"মাগুহজনী, তই কেলৈ ইমান যন্ত্ৰণা সহিছ, গিৰিয়েৰৰ কথা কৈ ৰক্ষা পৰ।" কুঁৱৰীয়ে এই বাৰ কৃত্ৰিম ক্ৰোধ দেখুৱাই উত্তৰ কৰিলে—"মোৰ গৃহস্থৰ কথা মই নকওঁ, ইবিলাকৰ কি হৈছে ? ইবিলাকক কোনে ইয়ালৈ মাতিছে ? গুচি বা নাযায় কিয় ?" ছদ্মবেশী গদাধৰে তিনিবাৰ দেখা দিছেহি, যদি কেনেবাকৈ ৰজাৰ টেকেলাই গম পায় তেনেহলে সকলো যন্ত্ৰণা বৃথাই যাব; এই ভাবি জয়মতীয়ে "গুচি বা নাযায় কিয় ?" বুলি গদাপাণিক কলে। জয়মতীৰ কথা শুনি গদাপাণিয়ে চন্দ্ৰ সূৰ্য্যক সাক্ষী কৰি কলে—'মই তিনি বাৰ দেখা দি মোৰ কথা কৈ ৰক্ষা পৰিবলৈ কওঁহি; তেও এওঁ নুশুনিলে। এতিয়া মোৰ গাত একো অপৰাধ নাই।"

স্বৰ্গীয় হৰকান্ত বৰুৱা সদৰামিনে তেওঁৰ আসাম বুৰঞ্জীত লেখিছে—'পৰম্পৰ লোকৰ মুখে শ্ৰুত আছে যে, নেজাল কোৰ তপত কৰি গাভৰুৰ পিঠিৰ ওপৰত ধৰাত ভক্ ভক্ কৰি উতলে। গাভৰুৱে চিৎকাৰ কৰে। কোঁৱৰে ঐ চিৎকাৰ শুনি অলপ অলপ ক্ৰন্দন কৰে। গাভৰুৱে অনুমানে জানি শাস্তি কৰোতেই চিৎকাৰ কৰি বোলে, কোন পুৰুষ স্ত্ৰীৰ লগত মৰে ? অসুৰ হ, কলৈ গল নাজানো।"

চাওডাঙে ১৫।১৬ দিন জয়মতীক অশেষ ৰকমে শাস্তি দিও গদাপাণিৰ কথা একোকে উলিয়াব নোৱাৰিলে। শেহত স্বামীৰ চৰণ চিন্তি জয়মতী সেই পাপাত্মাপূৰ্ণ ঘৃণনীয় সঙ্গ পৰিত্যাগ কৰি, নশ্বৰ দেহ এৰি চিৰস্মৰণীয় কীৰ্ত্তি ৰাখি, আহোমসকলৰ নাম পৱিত্ৰ কৰি, পৃথিৱীত নাৰীসকলক পতিপ্ৰাণতাৰ উদাহৰণ দেখুৱাই, বৈকুণ্ঠধামলৈ গৈ দময়ন্তী, সীতা, সাবিত্ৰীৰ শাৰীত স্থান অধিকাৰ কৰিলে। জয়মতীৰ দুটা লৰা আছিল; এই লৰা দুটাৰ জ্যেষ্ঠটিয়েই আহোম ৰজাসকলৰ গৌৰৱ স্বৰ্গদেৱ ৰুদ্ৰসিংহ। ৰুদ্ৰসিংহই ৰজা হৈ, তেওঁৰ মাতৃক লৰাৰজাৰ সেনাবিলাকে যি ঠাইত



দণ্ড কৰি কৰি বধিলে, সেই ঠাই ডোখৰৰ ঘটনা চিৰস্মৰণীয় কৰিবৰ মনেৰে সেই ঠাই ডোখৰ মাজ কৰি জয়মতী কুঁৱৰীৰ নামে "জয়সাগৰ" নাম দি পুখুৰী এটা খনালে। আজিও শিৱসাগৰ জিলাত এই জয়সাগৰ পুখুৰী আৰু দৌলে জয়মতী কুঁৱৰীৰ সতীত্বৰ পৰিচয় দি আছে।

(এই বৃত্তান্ত ৰায় ছাহেব পদ্মনাথ গোহাঁই বৰুৱাৰ সাহিত্য সংগ্ৰহ আৰু স্বৰ্গীয় হৰকান্ত বৰুৱা সদৰামিনৰ আসাম বুৰঞ্জীৰপৰা গ্ৰহণ কৰা হল)

ভানুনন্দন কবি বিৰচিত জয়মতী উপাখ্যানত আছে জয়মতী কুঁৱৰী ৰাজ পুৰীলৈ দোলাত উঠি গৈছিল, তেতিয়া তেওঁ গৰ্ভৱতী আছিল।

এহিমতে নিজবাস ভৱন ছাৰিয়া
গৈলা জয়া ৰাজপুৰী দোলাত চৰিয়া।
সেহিকালে কুঁৱৰী আছিলা গৰ্ভৱতী,
নিৰ্দ্দয় ৰাজাৰ হাতে তাৰ হেন গতি।

লৰাৰজাৰ আদেশ এইদৰে বৰ্ণনা কৰিছে—

ক্ৰোধে লৰা-নৰপতি ডাকি চাওডাঙৰ পতি—
তাক এই বিহিলা আদেশ—
লৈয়া ই গৰ্ব্বিণী নাৰী দণ্ডি দণ্ডাটিকা পৰি
যাতনা ভুঞ্জাবি সাৰশেষ।
যমদূত সম হৈবি দিনত চমতা দিবি,
ৰাত্ৰিমানে চোৰাত আঘাত।
জেৰেঙা পথাৰে নিয়া লোহাৰ শিকলি দিয়া,
ৰ ক্ষিবিহি কঙ্কালে খুটাত।
কৈত তাৰ স্বামী নিধি নিতেক থাকিবি সুধি,
না কহিলে ভুঞ্জাবি যাতনা
সঙ্গে লৈয়া কটোৱাল হৈবি কালান্তক কাল,
প্ৰহৰী ৰাখিবি ৰাত্ৰি দিনা।
কুঁৱৰী আছিলা ধ্যানে পাইলা সাৰ ই বচনে,
তবধ মানিলা সৰ্ব্বজনে।
সবাৰে জানিলা পুন, "দেখা নাই নাৰী হেন,
ৰাজ আজ্ঞা নামানে কি বুলি ?
কিহেতু নোবোলে তাই যেহি সেহি কোনো ঠাই
যাইব তথা ৰাজচৰ চলি।
স্বামীৰ মঙ্গলে সতী সতত দিয়ানে ৰতী
না কহিব অসত্য বচন,
জয়মতী হেন নাৰী নাহি ত্ৰিভুবন জুৰি
বোলে কবি শ্ৰীভানুনন্দন।



আসামৰ আদৰ্শ সতী, আহোম কুলৰ গৌৰৱ জয়মতী কুঁৱৰীয়ে অমানুষিক ভীষণ অত্যাচাৰ সহিও অসাধাৰণ পতিপৰায়ণতাৰ পৰিচয় দি গৈছে। জয়মতী এটি উজ্জ্বল ৰত্ন। এনে দৃষ্টান্ত ইতিহাসত বিৰল হলেও হিন্দুৰ দেশত এই চৰিত্ৰ বুজিবলৈ টান নহয়। আমাৰ দেশত সতীয়ে পতিৰ নিন্দা শুনি প্ৰাণ পৰিত্যাগ কৰিছিল। ঋষিবিলাকে এই পুণ্যভূমি ভাৰতত সতীধৰ্ম স্থাপনা কৰিছিল, তাৰ বলত ভাৰতৰ দাম্পত্য জীৱনে পৃথিৱীত সৰ্ব্বশ্ৰেষ্ঠ স্থান অধিকাৰ কৰি আছে। সতী আৰু লক্ষ্মীৰ কোনো ভেদ নাই। শৰীৰ, মন, প্ৰাণৰ দ্বাৰাই পতিক দেৱতাজ্ঞানে সেৱা কৰাৰ নাম পাতিব্ৰত্য ধৰ্ম্ম। যি তিৰোতাই দেহ, মন, সম্পূৰ্ণভাৱে পতিত অৰ্পণ কৰে তেৱেঁ হিন্দুৰ দেশৰ সতী।

শ্ৰীভগৱান ৰামচন্দ্ৰই সীতা সতীৰ স্বভাৱ এইদৰে বৰ্ণনা কৰিছে—

কাৰ্য্যেষু মন্ত্ৰী কৰণেষু দাসী
ধৰ্ম্মেষু পত্নী ক্ষময়া ধৰিত্ৰী।
স্নেহেষু মাতা ইত্যাদি—

সীতাই মন্ত্ৰীৰ নিচিনা সৎ পৰামৰ্শ দিয়ে, কৰ্ত্তব্য কাৰ্য্যত দাসীৰ দৰে সেৱা কৰে, ধৰ্ম্মকাৰ্য্যত সহধৰ্ম্মিণী, বসুন্ধৰাৰ দৰে ক্ষমাশীলা, মাতাৰ নিচিনা স্নেহশীলা। হিন্দুৰ শিক্ষা, তিৰোতা পতিৰ অৰ্দ্ধ দেহ আৰু ধৰ্ম্মকাৰ্য্যৰ সহায়।

সৃষ্টিৰ নিমিত্তে পৰমাত্মাই নিজ দেহক দুভাগ কৰি অৰ্দ্ধভাগে পুৰুষ আৰু অৰ্দ্ধভাগে নাৰী হৈছে। প্ৰত্যেক তিৰোতাই মহা প্ৰকৃতিৰ অংশ।

অৰ্দ্ধং ভাৰ্য্যা মনুষ্যস্য ভাৰ্য্যা শ্ৰেষ্ঠতমঃ সখা।
ভাৰ্য্যাবন্তো ক্ৰিয়াবন্তো ভাৰ্য্যাবন্তঃ শ্ৰিয়ান্বিতাঃ॥

তিৰোতা পুৰুষৰ অৰ্দ্ধাঙ্গিনী আৰু পৰম মিত্ৰৰূপিণী। জগতত ভাৰ্য্যাবান্ পুৰুষ ক্ৰিয়াবন্ত আৰু শ্ৰীমন্ত হয়। হিন্দু ধৰ্ম্মৰ ইয়ে মূল সূত্ৰ। এই কথাকে বেদ আদি কৰি সকলো শাস্ত্ৰতে বৰ্ণনা কৰিছে। বেদে কৈছে—

অৰ্দ্ধো হবা আত্মনো যাবজ্জায়াং ন বিন্দতি
অথ জায়াম্ বিন্দতি পূৰ্ণো বাব তদা ভবতি॥

যেতিয়ালৈকে জায়া গ্ৰহণ নকৰে তেতি-

বাটলৈকে অৰ্দ্ধ মনুষ্য থাকে। পত্নী গ্ৰহণ কৰিলেহে পূৰ্ণ মনুষ্য হয়। বেদৰ এই আজ্ঞা স্মৃতি শাস্ত্ৰত ঋষিবিলাকে নানা ৰকমে বহলাই কৈছে—হিন্দুৰ ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ এই চতুৰ্ব্বৰ্গ তিৰোতাৰপৰাহে লাভ হয়। তেওঁ পতিৰ অৰ্দ্ধ শৰীৰ আৰু স্বামীৰ সৎকাৰ্য্যৰ আধাৰ ফল পায়। এই কথাকে শাস্ত্ৰে চিএৰি কৈছে—

ধৰ্ম্মাৰ্থকামমোক্ষাণাং দাৰা সংপ্ৰাপ্তিহেতবঃ।
শৰীৰাৰ্দ্ধং স্মৃতা জায়া পুণ্যাপুণ্যা ফলে সমা॥

কিন্তু শাস্ত্ৰই নাৰীজাতিৰ স্বতন্ত্ৰ অধিকাৰ দিয়া নাই। বালিকা, যুৱতী, বৃদ্ধা কোনো কালতে তিৰোতাক স্বাধীন হৈ কাৰ্য্য কৰিবলৈ দিয়া নাই। সংসাৰৰ সুখ আৰু শৃঙ্খলা ৰাখিবলৈ হলে হিন্দুৰ এই উদ্দেশ্য অৱহেলা কৰিব নোৱাৰি।

মহাৰাণী ভাৰতেশ্বৰী ভিক্টোৰিয়াই সম্ৰাজ্ঞী হৈও কৈছিল—

"Without the authority which belongs to the husband, there cannot be true comfort or happiness in domestic life."

স্বামীৰ সম্পূৰ্ণ অধীন নহলে গৃহস্থৰ আচল সুখ আৰু শান্তি আহিব নোৱাৰে। মহাৰাণীয়ে ঘৰৰ আৰু ৰাজ্যৰ সকলো কাম স্বামীৰ সম্মতি লৈহে কৰিছিল। তেওঁৰ স্বামী ইংলণ্ডৰ ৰজা নাছিল, তেওঁহে সম্ৰাজ্ঞী আছিল, তথাপি তেওঁ স্বামীৰ কথা মতেহে কাম চলাইছিল। হিন্দু শাস্ত্ৰ মতে যেনেকৈ তিৰোতা পুৰুষৰ অনুগত থাকিবৰ বিধান তেনেকৈ তিৰোতাৰ মান সম্ভ্ৰম ৰক্ষা কৰাৰ বাবে পুৰুষৰ প্ৰতিও শাসন বাক্য আছে।

স্ত্ৰিয়ো দেবাঃ স্ত্ৰিয়ঃ পুণ্যাঃ স্ত্ৰিয় এব বিভূষণং।
স্ত্ৰীদ্বেষো নৈবকৰ্ত্তব্যস্তাসুনিন্দাং প্ৰহাৰকং॥

তিৰোতা দেৱতা, পবিত্ৰ আৰু সমাজৰ অলঙ্কাৰ। স্ত্ৰীক দ্বেষ, নিন্দা আৰু প্ৰহাৰ কৰা অকৰ্ত্তব্য।

সমাজে মতা-তিৰোতাৰ সম্বন্ধ নিৰ্ণয় কৰি তেওঁলোকৰ কাৰ্য্যক্ষেত্ৰ ভিন ভিন ৰকমে বৰ্ণনা কৰিছে। স্ত্ৰী পুৰুষৰ কাৰ্য্য-ক্ষেত্ৰৰ বিষয়ে ইমান দিন ভাৰতত একো বেলেগ ধাৰণা নাছিল।

তিৰোতাৰ কাৰ্য্যক্ষেত্ৰ গৃহ, এই নিমিত্তে তেওঁলোক গৃহিণী। ভাৰতৰ গৃহ সংসাৰ ইমান দিন সুশৃঙ্খলামতে চলি আহিছিল, এতিয়া পাশ্চাত্য জগতত যিবিলাক বিপৰ্য্যয় ঘটিছে তাৰ ঢৌ ভাৰত পাইছেহি।

Woman and Society by Meyrick Booth B. Sc., Ph. D. নামেৰে কিতাপৰ ৬৬ পৃঃ এই সমস্যাৰ উল্লেখ আছে—

We must get back to the eternal truth that men and women are complementary opposites. Polarity is a law running through the universe, and it is the polarity of sex alone which enables civilisation to attain to its most harmonious development. Seek to do away with this fundamental distinction and duality of nature and function, and we sink into confusion. The complexities of modern life have not essentially altered the fact that man's primary function is to create food and wealth for the community, while woman's function is to bear and rear the children of the community. Our modern doctrinaires have done their best to confuse the distinction. What is the result ? Millions of men without work and millions of women without children.

এইটো চিৰ সত্য যে পুৰুষ আৰু তিৰোতা ভিন ভিন কামৰ দ্বাৰা পৰস্পৰৰ সহায়। জগতৰ এয়ে নিয়ম। ভিন ভিন বিৰুদ্ধ শক্তিৰ দ্বাৰা জগত যেনেকৈ চলিছে তেনেকৈ স্ত্ৰী-পুৰুষৰ বিৰুদ্ধ শক্তিৰ দ্বাৰা সভ্যতা সুকলমে গঢ়ি উঠে। এই মৌলিক নীতি আৰু প্ৰকৃতিৰ দ্বৈত ভাব নষ্ট কৰিলে আমি বিশৃঙ্খলাতহে পৰিম। বৰ্ত্তমান সামাজিক জীৱনত এই মূল কথাৰ অন্যথা কৰিব পৰা নাই যে পুৰুষৰ কাৰ্য্য হৈছে দেশৰ আহাৰ আৰু ধন বৃদ্ধি



কৰা আৰু তিৰোতাৰ প্ৰধান কৰ্ত্তব্য হৈছে সন্তান ধাৰণ আৰু পোষণ কৰা। বৰ্ত্তমান সমাজ-সংস্কাৰকে এই ভেদ ভাঙিবৰ চেষ্টাৰ ফল কি হৈছে? লক্ষ লক্ষ মতা মানুহৰ কাম নাই আৰু লক্ষ লক্ষ তিৰোতাৰ সন্তান নাই।

ইয়াৰ ফলত হৈছে ইং ১৯৩০ সনত ইংলণ্ড আৰু ৱেলছত ১৯ লক্ষ তিৰোতা অবিবাহিতা আছে। চাৰ ৰবাৰ্ট ব্লেয়াৰ লণ্ডন কাউণ্টি কাউন্সিলৰ শিক্ষা বিভাগৰ পূৰ্ব্বৰ প্ৰধান কৰ্ম্মচাৰীয়ে কৈছে যে সেই দেশত বছৰে প্ৰাথমিক শিক্ষা শ্ৰেণীত এক লক্ষ লৰা কমিছে।

এইদৰে সৃষ্টিৰ নিয়ম আৰু শৃঙ্খলা ভাঙি দিয়াত নানা প্ৰকাৰৰ জটিল প্ৰশ্ন উঠিছে। ফৰাচী আৰু ইটালী প্ৰভৃতি দেশত অবিবাহিত ডেকাৰ ওপৰত চৰকাৰৰপৰা কৰ লগাবৰ আৱশ্যক হৈছে। বৰ্ত্তমান শিক্ষা-প্ৰণালী ইয়াৰ নিমিত্তে দায়ী।

"কন্যাপ্যেবং পালনীয়া শিক্ষানীয়াহতিযত্নতঃ।"

ছোৱালীক যে শিক্ষা দিব লাগে এই বিষয়ত দুইমত নাই। প্ৰশ্ন হৈছে কি ৰকম শিক্ষা আৰু শিক্ষাৰ উদ্দেশ্য কি?

হাৰ্ব্বাৰ্ট স্পেন্সাৰে তেওঁৰ শিক্ষা নামে কিতাপত ( Education by Herbert Spencer ) লিখিছে—বৰ্ত্তমান শিক্ষাৰ ফলত বালিকাবিলাকৰ দুৰ্ব্বলতা, ফূৰ্ত্তিৰ অভাব আৰু স্বাস্থ্য হানি দেখা যায়। আজিকালিৰ শিক্ষা-প্ৰণালীৰ পেষণযন্ত্ৰত এশৰ ভিতৰত ১৯ জনী তিৰোতাই কুজা হৈ যাবলৈ ধৰিছে। পাশ্চাত্য দেশত শিক্ষিতা ৰমণীবিলাকৰ মাতৃ হবৰ উপযোগী যন্ত্ৰবিলাক বিকৃত আৰু লোপ পাবলৈ ধৰিছে।

ডুবোয়া বুলি এজন ফৰাচী পণ্ডিতে বহুদিনৰ আগেয়ে লেখিছিল "In education and manners, Hindu shines far above the Europeans. Without a knowledge of alphabet the Hindu females are dutiful daughters, faithful wives, tender mothers and intelligent house-wives ; such is the result of our observation."

হিন্দুবিলাকৰ শিক্ষা-প্ৰণালী পাশ্চাত্য জাতিতকৈ অনেক উন্নত। তেওঁলোকে লেখা-পঢ়া নেজানে কিন্তু ছোৱালীবিলাক কৰ্ত্তব্য-পৰায়ণা, তিৰোতাবিলাক পতিপৰায়ণা, মাকবিলাক অতি কোমল স্বভাৱৰ আৰু গৃহিণীবিলাক বুদ্ধিমতী, গৃহকাৰ্য্যত সুদক্ষা।

লেডি কেথাৰিণ ষ্টুৱাৰ্ট নামে এজন পাশ্চাত্য দেশৰ বিদুষী মহিলাই এখন সভাত কৈছিল— আমি যি শিক্ষা চলাইছো তাৰ ফলত ভাল সৈন্য আৰু নাবিক হব পাৰে কিন্তু ভাল স্বামী আৰু স্ত্ৰী হোৱা নাই—আমি যে সদায় বিবাহ-বিচ্ছেদৰ কথা শুনিছো তাৰ কাৰণ কি?



সভাপতি—ৰায় বাহাদুৰ কালীচৰণ সেন

**যি শিক্ষাই নিজৰ জীৱনৰ কৰ্ত্তব্য কাৰ্য্য কৰিবলৈ পাৰ্গত কৰে সেয়েহে আচল শিক্ষা।**

১৯২৩।৮ মাৰ্চ্চত লণ্ডন চহৰত স্ত্ৰীলোকৰ উচ্চ শিক্ষাৰ বাবে অক্সফোৰ্ডত ৪টা কলেজ স্থাপন কৰাৰ বাবে লৰ্ড মেয়ৰে যি সভা পাতিছিল তাতে ডিন ইঙ্গে কৈছিল যে—উচ্চ শিক্ষাৰপৰা স্ত্ৰীজাতিৰ বিয়া বন্ধ হবলৈ ধৰিছে কাৰণ অক্সফোৰ্ডৰ পাছ হোৱা ১২৬০৭ জনী ছোৱালীৰ ভিতৰত ৬৫৭ জনী ছোৱালীৰ মাথোন বিয়া হৈছে।

৫৪৭০/অ:

ডাক্তৰ চাভাসীয়ে তেওঁৰ Advice to a Wife নামে কিতাপত লেখিছে—

'বৰ দুখৰ কথা বৰ্ত্তমানত আমাৰ ছোৱালীবিলাকে গৃহ-ধৰ্ম্ম আৰু মাতৃধৰ্ম্ম পালন কৰাৰ

কোনো শিক্ষা নাপায়। বৰ্ত্তমানত পাশ্চাত্য দেশৰ ছোৱালীবিলাকৰ শিক্ষা-প্ৰণালী অতি দূষণীয় ( rotten to the core )। পাশ্চাত্য ৰমণীবিলাকে নিজ হাতে ৰান্ধিব নাজানে, এই নিমিত্তে তেওঁলোকৰ পতি-পুত্ৰৰ স্বাস্থ্য-হানি ঘটিছে। তেওঁলোকে নিজ হাতে ৰান্ধিলে বিলাতৰ অৰ্দ্ধেক পৰিয়ালৰ অশান্তি আৰু অজীৰ্ণ পীড়া দূৰ হলহেতেন।'

আমি উচ্চ শিক্ষা নাম দি এই নষ্ট শিক্ষাৰ অনুকৰণ কৰিছো। আদি সমাজৰ ব্ৰাহ্ম শ্ৰীযুত ক্ষিতীন্দ্ৰনাথ ঠাকুৰে তেওঁৰ আৰ্য্যৰমণীৰ শিক্ষা ও স্বাধীনতা নামে কিতাপত লেখিছে— (মই তেওঁৰ ভাষাৰে উদ্ধৃত কৰিলো)

"এই শিক্ষা প্ৰণালীর ফলে আমাদের দেশে "পাস" রোগ নামক একটী দুঃসাধ্য রোগ বিলাত হইতে আমদানী হইয়া দেশের বল ও তেজের মূলে কুঠারাঘাত করিতেছে। এই পাস রোগের অত্যাচারে ছাত্রীদিগের দেহ-মন জীর্ণ-শীর্ণ হইয়া যাইতেছে। * * অনিষ্ট যাহা হইবার হইয়া গিয়াছে এখন ধৰ্ম্মসহায় হইয়া ঋষিবাক্য অনুসরণ করিয়া ইহার প্ৰতীকারের চেষ্টা করিতে হইবে। আমরা বহুদিন যাবৎ লক্ষ্য করিয়া আসিতেছি যে বিদ্যালয়ে শিক্ষিতা রমণীগণের অধিকাংশই সরল ভাবে দণ্ডায়মান হইতে পারে না। * * আমি ভাবিতাম যে কেবল আমাদের বাঙ্গালী স্ত্ৰীবিদ্যালয়েরেই বুঝি এই ফল ফলিয়াছে। এখন দেখিতেছি তাহা নহে প্ৰতিদ্বন্দ্বিতামূলক স্ত্ৰীশিক্ষার ইহাই সাৰ্ব্ব-ভৌমিক ফল। হাৰ্বাৰ্ট স্পেন্সর তাঁহার শিক্ষা পুস্তকে পাশ্চাত্য স্ত্ৰীবিদ্যালয়ের এইরূপ শিক্ষা প্ৰণালীর কথা উল্লেখ করিয়া তাহার ফল বলিতেছেন 'দুৰ্ব্বলতা, পাণ্ডুবৰ্ণ, স্ফূৰ্ত্তির অভাব এবং সাধারণতঃ অস্বাস্থ্য।" তিনি আরও বলেন যে বৎসর দুই বিদ্যালয়ে থাকিলেই এই সুন্দর শিক্ষা প্ৰণালীর পেষণ যন্ত্ৰে পড়িয়া শতকরা একশত জন কুব্জ হইয়া পড়ে ইহা প্ৰত্যক্ষ দেখা গিয়াছে।"

স্ত্ৰী-পুৰুষৰ নিমিত্তে একেৰকম শিক্ষা-প্ৰণালী হব নোৱাৰে। পাশ্চাত্য দেশত ইয়াৰ বিষময় ফল ভোগ কৰিছে। পুৰুষক সম্পূৰ্ণ পুৰুষ আৰু নাৰীক সম্পূৰ্ণ নাৰী কৰিবলৈ শিক্ষাৰ লক্ষ্য হব লাগে। এনে স্ত্ৰী-শিক্ষা প্ৰবৰ্ত্তাব লাগে যাৰ ফলত ভবিষ্যৎ জীৱনত নাৰীজাতি জয়মতীৰ দৰে আদৰ্শ সতী, স্নেহময়ী মাক আৰু সকলো গুণ থকা গৃহিণী হব পাৰে।

পূৰ্ব্বোক্ত Woman and Society নামেৰে কিতাপৰ ৬৯পৃঃ লেখিছে—

On every hand we find mothers complaining that the modern school totally unfits their daughters for home life.

চাৰিওফালে মাকবোৰে আপত্তি কৰে বোলে আজিকালিৰ স্কুলে তেওঁলোকৰ ছোৱালীবিলাকক গৃহস্থ জীৱনৰ সম্পূৰ্ণ অযোগ্য কৰে।

হিন্দু গৃহিণী গৃহ-কৰ্ত্ৰী—তেওঁৰ বহু গুণ থকা আৱশ্যক তেওঁ স্বাৰ্থত্যাগৰ জলন্ত দৃষ্টান্ত। আমাৰ জাতীয় শিক্ষাৰ অভাৱত তিৰোতাবিলাকে বিলাসিতা আৰু স্বাৰ্থৰ প্ৰতিমূৰ্ত্তি হবলৈ ধৰিছে এতিয়া একান্ন পৰিয়ালত থাকিলে যি পৰিমাণে নিজৰ স্বাৰ্থ পাহৰি পৰৰ স্বাৰ্থ বিচাৰিব লাগে সেই শক্তি ক্ৰমে আমাৰ মাতৃজাতিৰ ভিতৰত লুপ্ত হৈ আছিছে। মই আগেয়ে কৈছো মোৰপৰা আপোনালোকে আজিকালিৰ হিচাপে অযুগুত কথাহে শুনিবলৈ পাব। মোৰ পুৰণি কথা অৱহেলা কৰাৰ পূৰ্ব্বেই আপোনালোকে গমি চাব। মই পাশ্চাত্য জগতৰ পণ্ডিতৰ কথাৰ দ্বাৰায়ে সেই-বিলাক প্ৰমাণ কৰিছো।

আমি এতিয়া বৰ বিষম যুগত আছো আপোনালোকে যি দেৱীৰ আত্মোৎসৰ্গ স্মৰণ কৰিবৰ বাবে আজি এই সভা পাতিছে তেওঁৰ পুণ্য কাহিনী আমাৰ আহি হোৱা উচিত। সেই নিমিত্তে সতীৰ কথা আৰু তিৰোতাৰ ধৰ্ম্ম-কৰ্ম্ম যথা জ্ঞানে আপোনালোকৰ আগত দাঙি ধৰিলো।

মোৰ আৰু বেছি কবলৈ নাই। আহক আমি সকলোৱেই সেই পুণ্যশীলা জয়মতীৰ জয় ঘোষণা কৰো।

ভগৱন্তই তেওঁৰ আহিৰে আমাৰ মাতৃজাতিৰ চৰিত্ৰ গঢ়ি তোলক।

---

# বছেৰেকীয়া সূচী


| প্ৰবন্ধৰ নাম | লিখক | পিঠি |
|---|---|---|
| অবাক্তভাব ( গল্প ) ... | শ্ৰীযুত তৰণীকান্ত ৰায় | ... ৫০ |
| অপৰাজিতা ( পদ্য ) ... | ,, অতুলচন্দ্ৰ হাজৰিকা বি-এ | ... ১৫৩ |
| অনুবোধ ( পদ্য ) ... | ,, অম্বেশ্বৰ চেতিয়াফুকন | ... ১৭০ |
| অধ্যাপক ৰমন আৰু নোবেল প্ৰাইজ ... | ,, অতুলচন্দ্ৰ হাজৰিকা বি-এ | ... ২০৪ |
| অসমীয়া সাধুকথা ( সমালোচনা ) ... | ... | ... ২৪৮ |
| আকুল প্ৰেমিক ( পদ্য ) ... | ,, আনন্দচন্দ্ৰ বৰুৱা | ... ১১ |
| আবাহন ( পদ্য ) ... | ,, অতুলচন্দ্ৰ হাজৰিকা | ... ৯৫ |
| আমাৰ বৰ্ত্তমান ছাত্ৰসমাজ এনে লক্ষ্যভ্ৰষ্ট কিয় ? | ,, ডিম্বেশ্বৰ নেওগ বি এছ ছি, বি এ | ১৯২,২৫৫,৩০৭ |
| আত্ম-অভিমান ( পদ্য ) ... | ,, দীননাথ শৰ্ম্মা | ... ১৯৮ |
| আৰ পৰ্ব্বত ( পদ্য ) ... | ,, বদনচন্দ্ৰ শৰ্ম্মা | ... ২১৩ |
| ইন্দ্ৰধনু ( সমালোচনা ) ... | কঃ | ... ১৮ |
| উৰ্ব্বশী উদ্ধাৰ ... | ,, যজ্ঞেশ্বৰ শৰ্ম্মা | ... ২৮৮ |
| ওৰনি তলত ( পদ্য ) ... | ,, ডিম্বেশ্বৰ নেওগ বি এছ-ছি, বি-এ | ... ৩৫৭ |
| কেৰপাই বাপুৰ চিঠি ... | ,, কেৰপাই শৰ্ম্মা | ... ৭ |
| কথাৰ শক্তি, ধৰ্ম্ম আৰু যুক্তি ( পাদপূৰণ ) ... | ডাক্তৰ মহানন্দ বৰুৱা সাহিত্যভূষণ | ... ৩৭২ |
| কবিৰাজ ( গল্প ) ... | শ্ৰীযুত কদ্ৰনাথ দেব শৰ্ম্মা | ... ৪৮ |
| কমলা বৰাগী ( পদ্য ) ... | ,, অম্বেশ্বৰ চেতিয়াফুকন | ... ৮৩ |
| কাহিনী আৰু পাবলি ... | ,, লক্ষ্মীনাথ বেজবৰুৱা | ... ১৬৮ |
| কৃষ্ণ কথা ... | ,, লক্ষ্মীনাথ বেজবৰুৱা | ... ১৯৫,২৪১,২৯৭ |
| কাঁইটৰ বল ... | ,, কমলেশ্বৰ চলিহা | ... ২১৮ |
| কণকলি কীৰ্ত্তন ... | ,, শ্ৰীৰামচন্দ্ৰ দাস | ... ২৪৮ |
| কামৰূপ ( কবিতা ) ... | ,, অতুলচন্দ্ৰ হাজৰিকা বি-এ | ... ২৮০ |
| গীত ... | ,, লক্ষ্মীনাথ বেজবৰুৱা | ... ৪৫ |
| গীত ... | ,, অম্বেশ্বৰ চেতিয়াফুকন | ... ৯২ |
| গীতাৰ সাৰ ( কৰ্ম্মযোগ ) ... | ,, ভগবানচন্দ্ৰ দাস | ৯৬,১৪৪,২৫১ |
| গাঁৱলীয়া কবিৰ গীত ... | ,, শ্ৰীৰামচন্দ্ৰ দাস | ১১৩,২৬৪ |
| গাথাৰ আৰু গাথীৰৰপৰা কৰা আন আন বস্তু ... | ,, থানেশ্বৰ হাজৰিকা (বি-এ, আই ডি ডি ) | ১৮৬,২২৪ |
| গতি ... | ,, জিতেন্দ্ৰনাথ দাস | ... ২৯০ |
| ঘৰুৱা গীত ( প্ৰবন্ধ ) ... | ,, অম্বেশ্বৰ চেতিয়াফুকন | ৭৪,১৪৬ |
| ঘৰুৱা গীত সংগ্ৰহ ... | ,, গোলোকচন্দ্ৰ শৰ্ম্মা | ২৮১,৩৪৪ |
| চান্দ সদাগৰ ( নাট ... | ,, কঃ | ১২, ৫৭ |
| চানেকি ... | ,, লোকনাথ গোস্বামী | ... ১৫ |

| প্ৰবন্ধৰ নাম | লিখক | পিঠি |
|---|---|---|
| চন্দ্ৰালোক (গল্প) | শ্ৰীযুত শৰবিন্দু নাথ | ১৭ |
| চণ্ডিকা (গল্প) | ,, গোলকচন্দ্ৰ শৰ্ম্মা | ৭৮ |
| ছন্দৰূপ (পদ্য) | ,, ভবনাথ হাজৰিকা | ১৪৩ |
| জীৱন গীত (পদ্য) | ,, কান্ত | ৫৫ |
| জীৱন কবিতা (পদ্য) | ,, ডিম্বেশ্বৰ নেওগ বি এচ্-ছি, বি-এ | ১৬০ |
| জীৱনৰ জোখ | ,, শ্ৰীৰামচন্দ্ৰ দাস | ২২৩ |
| জনম দুখিনী আই (গীত) | ঐ | ৩০২ |
| জয়মতী উৎসৱ (অভিভাষণ) | ৰায় বাহাদুৰ কালীচৰণ সেন | ৩৭৩ |
| জাতীয় উৎসৱ | শ্ৰীযুত জগৎচন্দ্ৰ চৌধুৰী | ৩২০ |
| তোমাৰ হিয়া শূন্য | ,, অম্বেশ্বৰ চেতিয়াফুকন | ৬ |
| তৃপ্তিৰ পূজা (পদ্য) | ,, গোলোকচন্দ্ৰ বৰুৱা | ১১৭ |
| দুৰাশা (পদ্য) | ,, বিনন্দ চন্দ্ৰ বৰুৱা | ৬ |
| দুখনি চিঠি | ,, হেমচন্দ্ৰ বৰুৱা বি-এল্ | ২৩১ |
| দিনজয় মায়ামৰা সত্ৰৰ সভা | ... | ২৪০ |
| দীন (পদ্য) | ,, কনকচন্দ্ৰ চাংকাকতি | ৩২৫ |
| দোষী কোন ? | ,, গোলোকচন্দ্ৰ শৰ্ম্মা | ৩৪৭ |
| ধীৰে বোৱা (পদ্য) | ,, কমলেশ্বৰ চলিহা | ৭২ |
| ধনিৰ বলেই হে ঘাই বল | ,, কমলাকান্ত ভট্টাচাৰ্য্য | ১৮১ |
| ধূলি (আলোচনা) | আঃ | ২০৭ |
| নিৰাশ শান্তি (গল্প) | ,, ভগবান চন্দ্ৰ দাস | ৮৮ |
| নিৰাশ প্ৰেম | ,, জগৎচন্দ্ৰ শইকীয়া | ১৯৯ |
| পাৰ্ব্বতাৰ জন্ম আৰু যৌবন প্ৰভাৱ | ,, হৰিচন্দ্ৰ ভট্টাচাৰ্য্য বি-এ | ৫ |
| পগলা (গল্প) | ,, গোলোকচন্দ্ৰ পূজাৰী | ২৩ |
| প্ৰবসুৱাৰ গীত আৰু স্বৰলিপি | ,, অপূৰ্ব্বচন্দ্ৰ বৰদলৈ | ৬৩ |
| পুথিৰ (সুতুলী) গুণাগুণ বিচাৰ | ,, সিন্ধুৱা | ৭২ |
| পৰাগ (আলোচনা) | ,, কমলেশ্বৰ চলিহা | ১১০ |
| প্ৰেমৰ অন্তিম (পদ্য) | ,, দেবেন্দ্ৰনাথ দাস | ১২৭ |
| প্ৰদ্যুম্ন (নাট) | ,, ডিম্বেশ্বৰ নেওগ বি-এচ ছি, বি-এ | ১৬৩ |
| প্ৰীতি উপহাৰ (পদ্য) | ,, অতুলচন্দ্ৰ হাজৰিকা বি-এ | ১৭৬ |
| পুৰণি বাৰভূঞাৰ ৰাজ্যত একুমুকি | ঐ | ১৭৮ |
| প্ৰাৰ্থনা (পদ্য) | শ্ৰীযুত অম্বেশ্বৰ চেতিয়া ফুকন | ১৮৩ |
| প্ৰথম প্ৰভাত (পদ্য) | ,, আনন্দচন্দ্ৰ বৰুৱা | ১৯১ |
| পৰলোক গত মৌলানা মহম্মদ আলিৰ সংক্ষিপ্ত জীৱনী | ,, উপেন্দ্ৰনাথ ঠাকুৰ | ২৩৫ |





| প্ৰবন্ধৰ নাম | লিখক | পিঠি |
|---|---|---|
| পণ্ডিত মতিলালৰ সংক্ষিপ্ত জীৱনী | "অসমীয়া"ৰপৰা উদ্ধৃত | ২৮৪ |
| পৰিণাম | শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য | ৩০০ |
| পৰশুৰামৰ পৰাজয় | ,, যজ্ঞেশ্বৰ শৰ্ম্মা | ৩২৭ |
| বৰবৰুৱাৰ ভাবৰ বুৰ্বুৰণি | ,, ৰূপাবৰ | ২,৪৩,১৩২,১৭৭,২১১,২৫৯,৩১৪,৩৬১ |
| বিহুৰ দিনা (পদ্য) | ,, গোলোক | ১৬ |
| বৰলা (নাট) | কঃ | ৩০,১২৮ |
| বাঁহী (পদ্য) | শ্ৰীমৎ শান্তি চৈতন্য ব্ৰহ্মচাৰী | ৩৪ |
| বাঁহীৰ সুৰ (পদ্য) | শ্ৰীযুত কমলেশ্বৰ চলিহা | ৬০ |
| বাউলী (চিনাকি) | ঐ | ৬০ |
| বিশ্ৰাম দেশলৈ (পদ্য) | ,, মহেন্দ্ৰনাথ ভট্টাচাৰ্য্য | ১০১ |
| বেদব্যাস আৰু সংহিতাৰচকগণ | ,, সোণাৰাম চৌধুৰী | ১০১ |
| বিচ্ছেদ (পদ্য) | ,, মহেন্দ্ৰনাথ ভট্টাচাৰ্য্য | ১০৭ |
| বৰপেটা শঙ্কৰ হলত | ,, ডিম্বেশ্বৰ নেওগ বি-এচ ছি, বি-এ | ১৫৪ |
| বুৰঞ্জীৰ টোকা (সংগ্ৰহ) | ৺ হেমচন্দ্ৰ গোস্বামী | ১৫৭ |
| বিশ্ববাণী (টোকা) | আহৰণ | ২০৩ |
| বনগীত (কবিতা) | শ্ৰীযুত বিৰিঞ্চিকুমাৰ বৰুৱা | ২৩৯ |
| বেহিচাপী অসমীয়া | ,, মনাই বিপ্ৰ | ৩৬৯ |
| বছেৰেকীয়া সূচী | ... | ৩৭৯ |
| বৰপেটা ধাম | ,, জগৎচন্দ্ৰ দেব গোস্বামী | ২৬৭ |
| বিজয় যাত্ৰা (নাট) | ,, আনন্দচন্দ্ৰ বৰুৱা | ২৮২ |
| ব্যথিতৰ বিশ্ব (পদ্য) | বেণু | ২৯৯ |
| বৰগীত সম্বন্ধে একাষাৰ | ,, জগৰাম বৰুৱা | ৩০১ |
| ভীমাৰ্জ্জুন (নাটক) | ,, জগৎচন্দ্ৰ চৌধুৰী | ৩৯,৬৮ |
| ভাষাৰ কথা | ,, শ্ৰীৰামচন্দ্ৰ দাস | ১৩১ |
| ভালপোৱা (পদ্য) | শ্ৰীযুত ডিম্বেশ্বৰ নেওগ বি-এচ, ছি বি-এ | ৩৪৩ |
| ভাৰতৰ উন্নতি | ,, কমলাকান্ত ভট্টাচাৰ্য্য | ৩৫৫ |
| ভবিষ্যত অসমীয়া সমাজলৈ শঙ্কৰদেৱৰ বাণী | ,, ডিম্বেশ্বৰ নেওগ বি এচ ছি, বি-এ | ১৪০ |
| ভুল শুধৰণি | ... | ২৩৪ |
| মহাপুৰুষ মাধৱদেৱ (প্ৰবন্ধ) | শ্ৰীযুতা ৰত্নাৱলী দেৱী | ৬৭ |
| মিলন নিশা | শ্ৰীযুত মহেন্দ্ৰনাথ ভট্টাচাৰ্য্য | ১১১ |
| মেঘদূত আৰু মহাকবি কালিদাসৰ সম্পৰ্কে দুটিমান কথা | ,, ধীৰেশ্বৰ ভট্টাচাৰ্য্য | ১২০ |
| মকৰ্দ্দমাৰ ৰামটাঙোন | সম্পাদক | ১২৪ |
| মুখে মুখে চলি অহা কথা | শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস | ১২৬ |
| মুক্তি (পদ্য) | ,, মহিমচন্দ্ৰ সিংহ | ১৩৪ |
| মহাত্মা গান্ধীৰ গীতাৰ প্ৰথম অধ্যায়ৰ ৰাখ্যা | "অসমীয়াৰপৰা উদ্ধৃত" | ১৬১ |

| প্ৰবন্ধৰ নাম | লিখক | পিঠি |
|---|---|---|
| মেলানি ( পদ্য ) ... | শ্ৰীযুত অম্বেশ্বৰ চেতিয়া ফুকন ... | ১৮৫ |
| মিছাকথা ( পদ্য ) ... | „ থানেশ্বৰ হাজৰিকা বি এ, আই ডি-ডি ... | ২১০ |
| মহাপুৰুষ শ্ৰীমাধবদেৱৰ ধৰ্ম্মমত ... | „ ডিম্বেশ্বৰ নেওগ বি-এছ ছি, বি-এ | ২২০,২৭৫,২৯২ |
| মোৰ মাতৃমুখ দৰ্শন ... | „ লক্ষ্মীনাথ বেজবৰুৱা | ২২৮,২৬২,৩১৬,৩৬৩ |
| "মেঘদূত" আৰু কালীদাস ... | „ ডিম্বেশ্বৰ নেওগ বি-এছ-ছি, বি-এ ... | ৩৫২ |
| ৺মণিৰাম দেৱানৰ গীত আৰু সংক্ষিপ্ত জীৱনী ... | „ অম্বেশ্বৰ চেতিয়াফুকন ... | ৩৫৭ |
| মাঘৰ বিহু ... | „ আনন্দচন্দ্ৰ বৰুৱা ... | ২৫০ |
| মায়ামৰা সম্প্ৰদায় ... | „ হৃদয়ানন্দ গোস্বামী ... | ৩২২ |
| ৰূপৰাগ ( পদ্য ) ... | „ ডিম্বেশ্বৰ নেওগ বি-এছ-ছি, বি-এ ... | ১ |
| ৰসিকৰ বিঘিনি ( ধেমেলীয়া গল্প ) ... | „ প্ৰফুল্লচন্দ্ৰ দাস ... | ৮১ |
| ৰাজা ৰামমোহন ৰায় ... | শ্ৰীযুতা ৰত্নাৱলী বৰুৱা ... | ১০৫ |
| ৰোমিও জুলিয়েট আৰু হেমলেট ... | শ্ৰীযুত ডিম্বেশ্বৰ নেওগ বি-এছ ছি, বি-এ ... | ১৩৭ |
| ৰূপালি ঢউ ... | „ আনন্দচন্দ্ৰ বৰুৱা ... | ১৮৪ |
| কছ দেশীয় যোজোনা ... | ডাক্তৰ মহানন্দ বৰুৱা সাহিত্যভূষণ | ৩০১,৩৪৬ |
| লাচিত ফুকন ( পদ্য ) ... | শ্ৰীযুত অম্বেশ্বৰ চেতিয়া ফুকন ... | ২০২ |
| শিশু শিক্ষা ... | „ বাণীকান্ত শৰ্ম্মা | ৪১,৬৪ |
| শঙ্কৰদেৱ ( পদ্য ) ... | „ অম্বেশ্বৰ চেতিয়া ফুকন ... | ৩৬৪ |
| শলাগৰ শৰাই ( ৰচনা ) ... | „ আনন্দচন্দ্ৰ বৰুৱা | ২৬৯ |
| সনাতন ধৰ্ম্মৰ অৰ্থ ... | „ মুক্তা নাথ ... | ৩৩ |
| স্নীলাভ ( গল্প ) ... | "চাৰেএক" ... | ৩৪ |
| সম্পাদকৰ অভ্যৰ্থনা আৰু ছাত্ৰসকললৈ তেখেতৰ উপদেশ ... | 'অসমীয়া'ৰপৰা উদ্ধৃত ... | ৯৩ |
| সুবৰ্ণলতা ( গল্প ) ... | শ্ৰীযুত অম্বেশ্বৰ চেতিয়া ফুকন ... | ১০৭ |
| সুন্দৰীদিয়া সত্ৰৰ তামৰ ফলিৰ নকল ... | „ ডিম্বেশ্বৰ নেওগ বি-এছ ছি, বি-এ ... | ১১৫ |
| সৌন্দৰ্য্যকুঁৱৰী ( পদ্য ) ... | ঐ ... | ১২৪ |
| সতী নে অসতী ... | „ গোলোকচন্দ্ৰ শৰ্ম্মা ... | ১৭৩ |
| সতীৰ আত্ম নিৰ্ভৰতা ... | শ্ৰীযুতা বসন্তলতা হাজৰিকা ... | ২১৫ |
| সেবাৰ বস্তু দৰ্শন ... | শ্ৰীযুত অৰ্জ্জুনচন্দ্ৰ দাস ... | ২৪৩ |
| সান্ত্বনা ( পদ্য ) ... | „ কমলেশ্বৰ চলিহা ... | ২৮৭ |
| সম্পাদকলৈ চিঠি ... | „ হৃদয়ানন্দচন্দ্ৰ অধিকাৰ গোস্বামী ... | ৩১০ |
| সতী জয়মতী কুঁৱৰীৰ গীত ... | „ উমানাথ গোহাঞী ... | ৩৪০ |
| স্বৰ্গীৰ লক্ষীয়ে ৰুদ্ৰসিংহ স্বৰ্গদেৱক হিন্দুধৰ্ম্ম গ্ৰহণকৰোতে দিয়া শাও ... | „ প্ৰকাশচন্দ্ৰ গোহাই ... | ৩৪৫ |
| সগুণ নিৰ্গুণ উপাসনা ... | „ ডিম্বেশ্বৰ নেওগ বি-এছ-ছি, বি-এ ... | ৩৫৯ |
| সিংহদ্বাৰৰ সিংহ মূৰ্ত্তি আৱিষ্কাৰ ... | „ অম্বেশ্বৰ চেতিয়া ফুকন ... | ৩৬০ |
| হাসুহানালৈ ... | „ আনন্দচন্দ্ৰ বৰুৱা ... | ২৪৯ |


৫৪৯০/অ:

